# খোলাকটিৰ তাল

মেদিনী চৌধুৰী

GOVT. OF ASSAM ... DIRECTORATE OF LIBRARY
Call No. ____

জ্যোতি প্ৰকাশন

জ্যোতি প্ৰকাশন
যশোৱন্ত ৰ'ড : পানবজাৰ
গুৱাহাটী—৭৮১০০১

**KHOLAKATIR TAAL**

*A Novel written by Medini Choudhuri and Published by Smti. Ila Sarmah, M/s. Jyoty Prakashan,*

Guwahati-781001

Price : Rupees Twenty Only.

# ॥ খোলাকটিৰ তাল ॥

## ॥ মেদিনী চৌধুৰী ॥

॥ প্ৰকাশিকা / শ্ৰীমতী ইলা শৰ্মা ॥

॥ জ্যোতি প্ৰকাশন / গুৱাহাটী-১ ॥

॥ প্ৰথম প্ৰকাশ—১৯৮৯ ॥

॥ প্ৰচ্ছদ শিল্পী / শ্ৰীত্ৰৈলোক্য দত্ত ॥

॥ ছপা / শ্ৰীসুনীল কুমাৰ নন্দী / শান্তনু প্ৰিণ্টাৰ্ছ / কলিকতা-৬ ॥

॥ বন্ধা / শ্ৰীপ্ৰেম বেনাৰ্জী / কামাখ্যা বাইণ্ডিং ৱৰ্কছ / কলিকতা-৯ ॥

॥ মূল্য : ২০'০০ টকা ॥

## ॥ লেখকৰ কথা ॥

খোলাকটিৰ তাল ( আচলতে শব্দটো '[illegible]কাটি' হোৱাহে [illegible]) কিতাপখনৰ পৰিকল্পনা যদিও মোৰ অকলশৰৰ, লেখাৰ [illegible] যুটীয়াকৈ— শ্ৰীমান ভুবন কলিতা আৰু মই। কিন্তু এসময়ত এনে এটা অৱস্থা হ'লগৈ যে, দুয়োৰে সময়টো নিমিলে। ভুবনে কামৰপৰা আহৰি পাই মোৰ তালৈ ভাগৰে-জিগৰে আহে, অথচ সেই সময়ত মই ঘৰত নাই। দুই-তিনিবাৰ আহি বিৰক্তিত তেওঁ আঁচনিটো বাদ দিলে। কিন্তু প্ৰথম প্ৰস্তাৱনাৰ সময়ত তেওঁ যিমান সহায় কৰিলে সেই কথা মই পাহৰিব নোৱাৰোঁ। তেওঁৰ সতে যুটীয়াভাৱে কিতাপখন লেখিব নোৱাৰাত মোৰ খেদৰ সীমা নাই।

অসমৰ মঞ্চাভিনয়ৰ বিশেষকৈ যাত্ৰা আন্দোলনৰ সতে আদিৰেপৰা জড়িত দক্ষ আৰু অতিশয় জনপ্ৰিয় মঞ্চশিল্পীসকলৰ অন্যতম শ্ৰীযোগেশ শৰ্মা, শ্ৰীউদয় ভাগৱতী, শ্ৰীপৰীক্ষিত পাঠক প্ৰমুখ্যে অনেকে এই কিতাপখনিৰ বাবে সমল যোগোৱাত অশেষ কষ্ট স্বীকাৰ কৰি অকুণ্ঠচিত্তে মোক সহায় কৰিছে।

টিহুৰ ৺সৰেশ্বৰ গোস্বামী, যাৰ ৰজা হৰিশ্চন্দ্ৰৰ আৰু বীৰপূজা পালাত মণিভদ্ৰৰ অভিনয় দেখি চকুৰ পানীৰে আমি বাট নেদেখা হৈছিলোঁ, তেওঁক মাত্ৰ দুটা দিনৰ পাচত যোৱা কাৰণে লগ নাপালোঁ। সেই মহান শিল্পীজনাৰ তাৰ আগতেই দেহাৱসান হৈছিল।

মই প্ৰখ্যাত গায়ক সনাতন হাজৰিকাকো লগ ধৰিব নোৱাৰিলোঁ। দক্ষিণ গণকগাড়ীলৈ গৈ অনাদৰ মহাজনৰ কোন ক'ত আছে উলিয়াব নোৱাৰিলোঁ। কিন্তু বৰনগৰৰ একাধিকজনৰ পৰা মই সহৃদয় সহাৰি লাভ কৰিছোঁ। বৰনগৰ অঞ্চলটো হ'ল বকোৰ দৰে। মুক্তি সংগ্ৰামত আগৰনুৱা। বৰনগৰৰ আৰু এটা মাহাত্ম্য হ'ল, সেই ঠাই পশ্চিমৰ মৰোৱা যেন। মৰোৱা অসমৰ যাত্ৰাভিনয়ৰ মক্কাস্বৰূপ। ১৯২০ চনত শিলাত প্ৰথম ব্যৱসায়ী যাত্ৰাদলৰ জন্ম হৈছিল। সেই সময়ত বৰনগৰৰ দক্ষিণ গণকগাড়ীতো তেনে এটা দল আছিল য'ত ১৯২২ চনত ব্ৰজ শৰ্মাই যোগ দিছিলহি। কৰবৈ গ'লে তাৰপৰাই অসমীয়া যাত্ৰা অভিনয়ে প্ৰসাৰ লাভ কৰিছিল আৰু মৰোৱাই ইতিমধ্যে সূচনা কৰা যাত্ৰা আন্দোলনৰ বৰনগৰো অংশীদাৰ হৈ পৰিছিল। এই আন্দোলনৰ দিকদৰ্শকসকলৰ অন্যতম আছিল ব্ৰজ শৰ্মা। তেওঁ আছিল এগৰাকী অতিশয় দক্ষ অভিনেতা।

যিয়ে শেৰবাৰৰ কাৰণে অভিনয় কৰিছিল ১৯৪৯ চনত উজানবজাৰ বাৰোৱাৰী নামঘৰৰ কিবা এখন পূজাত। বেকী নইৰ পাৰত ইংৰাজৰ বিমান ঘাঁটি এটা জলোৱাৰ অপৰাধত তেওঁ ১৯৪৩ চনৰ পৰা ১৯৪৬ চনলৈ কাৰাবাস খাটিবলগীয়াত পৰিছিল। সেই ঘটনা আছিল মুক্তি সংগ্ৰামৰ এক ভয়ংকৰ অধ্যায়ৰ অবিস্মৰণীয় অংকস্বৰূপ। নগৰৰ যুৱাশক্তিয়ে সেই ঘটনাত যি নিৰ্ভীকতাৰ পৰিচয় দিছিল তাৰ তুলনা নাই। এই যুৱাশক্তিৰ নেতৃত্ব দিছিল ব্ৰজনাথ শৰ্মাই। শিল্পী-বিপ্লৱী ব্ৰজনাথ শৰ্মাৰ দৰে এজনা মহান পুৰুষৰ জীৱন আলেখ্যক আশ্ৰয় কৰি মই কল্পনা কৰিছিলোঁ এই উপন্যাসৰ কাহিনী। মোৰ কল্পনাই গৈৰ ধৰাত মোক কাৰ্যকৰীভাৱে সহায় কৰিছিল শ্ৰীতৰণী কলিতাই। জীৱনটো যাত্ৰাভিনয়ত উছৰ্গা কৰোঁতে যাৰ জীৱনত একোৱে নহ'ল, সেই কলিতাই মোক প্ৰেৰণা যোগাইছিল এই কিতাপখন লেখাত। তেওঁৰ প্ৰতি মই অপৰিসীম কৃতজ্ঞ। কিতাপখন ছপাবলৈ হাত লৈ পানবজাৰৰ জ্যোতি প্ৰকাশনেও মোক বাধিত কৰিছে।

৯।১।৮৯ —মেদিনী চৌধুৰী

গুৱাহাটী

দেৱানামিদমামনন্তি মুনয়ঃ শান্তং ক্রতুং চাক্ষুষং
কদ্রেনেদমুমাকৃত ব্যতিকৰে স্বাঙ্গে বিভক্তং দ্বিধা।
ত্রৈগুণ্যোদ্‌ভৱমত্র লোকচৰিতং নানাৰসং দৃশ্যতে
নাট্যং ভিন্নৰুচের্জনস্য বহুধাপ্যেকং সমাৰাধকম্ ॥

মুনিসকলে ইয়াক ( নাটকক ) প্রত্যক্ষ দেৱতাৰ শান্ত যজ্ঞ বুলি কয়। উমাৰ আলিংগনত ৰুদ্ৰই ইয়াক নিজ অংগত দ্বিধাবিভক্ত কৰি প্রকাশ কৰিছে। ইয়াত ত্রিগুণ অর্থাৎ স্বর্গ-মর্ত্য-পাতালৰ নানা ৰসময় লোক-চৰিত্র দেখা পোৱা যায়। বহু ধৰণৰ ভিন্ন ৰুচিৰ লোকৰ একেলগে মনোৰঞ্জন একমাত্র নাট্যাভিনয়েই কৰিব পাৰে।

তেওঁ উদগ্রীৱ হৈ তেওঁৰ মুখলৈকে চাই থকা ডেকা ল'ৰাৰ দলটোক ক'লে—

: বুজিছা, অভিনয় ধেমালি নহয়। মহাকবি কালিদাসে মালবিকাগ্নিমিত্র নাটকত নাট্যাচার্য গণ দাসৰ মুখত এই শ্লোকটো দিছিল। দেখিলা নহয় কি গুৰুত্বপূর্ণ অভিনেতাৰ কাম।

: তথাপি আমি কৰিমেই। আপুনি আমাক নিজৰ ল'ৰাৰ দৰে শিকাব। আমি আপোনাক লৈ যাবলৈকেই আহিছোঁ।

তেওঁ নিৰবে ডেকা ল'ৰাকেইটাৰ মুখবোৰ এপিনৰ পৰা চাই গ'ল। চিন্তাত মুখখন গোমোঠা পৰা দেখি দৃশ্যটো এনে লগা হৈছিল যেন এটা বাঘেহে আপোনমনে চৰি থকা হৰিণা এপালৰ কোনটোক ধৰিলে ভাল হব চাব ধৰিছে! পাচত খেপিয়াই ফুৰা এজনে পথ এটা পোৱাৰ দৰে মুখখন স্বাভাৱিক কৰি সুধিলে—

: তোমালোক ক'ৰ পৰা অহা বুলি ক'লা?

: ৰবনগৰৰ পৰা।

: বলা, তেনেহলে।

: মানে, এনেদৰেই যাব নেকি ?

: কিয় ? মইতো কাপোৰ নিপিন্ধাকৈ থকা নাই ? এনেদৰে গলে কি হব ?

: নহয় ; ইমান দিন তাত থাকিব লাগিব। আৰু ইয়াৰ পৰা নাই বুলিও পঁচিশ মাইলতো হবই। দূৰৈৰ এখন ঠাইলৈ যাব।

: এইয়া নহয়, গাত চাদৰখন আছেই ; কান্ধত মুকুছাখনো আছে। তেওঁৰ তলে তলে হাঁহি উঠিছিল ল'ৰাহঁতৰ উদ্বেগ দেখি। এইয়াতো ভালেই। এই ল'ৰাহঁতৰ নিচিনা বয়সত তেওঁ যেতিয়া গৌৰীপুৰৰ ককায়েকৰ ঘৰৰ পৰা পলাই গৈছিল তেতিয়া তেওঁ একবস্ত্ৰেই গৈছিল। পিন্ধি থকাখন আৰু গাত বনিয়নটো-বাচ। একেবাৰে কলিকতাৰ বালিগঞ্জ। আৰু এদিন মনৰ অশান্ত ঘোঁৰাটোৱে যেতিয়া চেকুঁৰ মেলিলে তেতিয়াও একবস্ত্ৰেই সুদূৰ বাগদাদ পাইছিল গৈ।

গৈ অৱশ্যে তেওঁ ভুল কৰা নাছিল। প্ৰথম মহাসমৰত যোগদি অন্ততঃ তেওঁ দেশ দেখিলে। পাৰস্য, মেচেপটোমিয়া, আৰব, মিছৰ, আবিছিনিয়া, মহাসাগৰ, সাগৰ, উপসাগৰ, বিশাল নদী, পাৰাপাৰহীন মৰুভূমি দেখিলে। আৰু দেখিলে মানুহ। অজস্ৰ অলেখ মানুহ ; বিভিন্ন বৰণৰ, বিভিন্ন ভাষাভাষী, বিভিন্ন আচৰণ, পোছাক আৰু শিষ্টাচাৰৰ।

আৰু তেওঁ লগ পালে তেওঁৰ সেই প্ৰথম ঘনিষ্ঠ বন্ধু, বিদেশ-বিভুঁইৰ একমাত্ৰ সহচৰ গুপ্তক। গুপ্তও আছিল এটা অদ্ভুত মানুহ। গুপ্তও আছিল তেওঁৰ দৰে এজন সাধাৰণ যুঁজাৰু সৈনিক। দিনৰ দিনটো মৃত্যুৰ সতে হেতালি খেলি অসীম ক্লান্তিত ছাউনিলৈ ঘূৰি আহি প্ৰথম অৱকাশটোতে উলিয়াব নাট্যাভিনয়ৰ কথা। কিদৰে বংগদেশত গাঁৱে গাঁৱে চণ্ডীতলাত, পূজাৰ মণ্ডপত নাটৰ আখৰা চলে, কলিকতাত শিশিৰ ভাদুৰীৰ আৰু ডেকা অহীন্দ্ৰৰ কোনটো অভিনয় ভাল হৈছিল, তেওঁ কোনখন নাটৰ কোনটো চৰিত্ৰৰ ভাও দিওতে দৰ্শকৰ প্ৰশংসা লাভ কৰিছিল ; সেইবোৰ এফালৰ পৰা তেওঁৰ আগত কৈ যাব। একেটা

কাহিনীকে হয়তো পাহৰি পাহৰি কেবা দিনো ঘূৰাই কৈছে, সেইপিনে গুপ্তৰ চেতনাই নাছিল।

তেওঁ কিন্তু সেইবোৰ শুনি কেতিয়াও বিৰক্ত হোৱা নাছিল। বৰঞ্চ তেওঁ অনুপ্ৰাণিত হৈছিল। নাট্যাভিনয়ত যোগদান কৰাৰ অৰ্থে প্ৰেৰণা লাভ কৰিছিল। বচৰাৰ ওচৰত স্বদেশাভিমুখী হৈ তেওঁলোক এবাৰ একেঠাইতে দীঘলীয়াকৈ থাকিবলগীয়াত পৰিছিল। সেইবাৰ তেওঁলোক জনদিয়েক সৈন্যই লগলাগি নাট্যাভিনয় কৰিছিল। তাতে তেৰোঁ যোগদান দিছিল। তাৰ পাচত স্বদেশ আহি পোৱাৰ পাচতো বংগদেশত তেওঁৰ বন্ধু গুপ্তৰ সতে অভিনয় কৰিছিল। অভিনয়ত ইমান মন বহিছিল যে তেওঁ ঘৰলৈ উভতি অহাৰ কথাকে পাহৰি গৈছিল। এই পুৰণি কথাবোৰ মনলৈ অহাত তেওঁকলে—

: বুজিছা, নাটকত ভাওলোৱা মানুহৰ ঘৰেই বা কি, পৰেই বা কি? ভাও দিবলৈ পালে জগতখনকে পাহৰি যাব পাৰি। ব'লা, মোৰ কাৰণে তোমালোকে চিন্তা নকৰিলেও হব। অকণ চিৰা-মুৰী যোগাৰ কৰি লৈ তাকে খাম আৰু খাই বই কাৰোবাৰ গোহালী বা ঢেঁকীশালত পৰি থাকিম। গা ধুবলৈ, পানী খাবলৈ বেকী নৈখনতো আছেই।

: হেৰি নহয় দাদা, প্ৰথমতে 'ৰাণা প্ৰতাপ'খন লব খুজিছোঁ। পাৰিম নে জমাব?

ডেকা ল'ৰাৰ দলটোৰ মুখপাত্ৰ তালুকদাৰ নামৰ খীণ ওখকৈ ল'ৰাজনে সুধিছিল। তেওঁ হাঁহি হাঁহি কলে—

: গছত কঠাল ওঠত তেল নো খাওতেই চেল বেল। আগেয়ে হকে ৰবাচোন পাৰ্টিটো। পাচতো ভাবিবা সেইবোৰ কথা।

: দাদা, টকাৰ নাম জয়ৰাম, টকাই কৰে সকল কাম। টকা হলে চব হয়। আৰু আমাৰ টকা যোগাৰ হৈ আছে।

: কোননো এনে দাতা কৰ্ণ ওলালহে যাত্ৰা পাৰ্টিক যে টকা দিয়ে?

: আছে দাদা; আমাৰ গাৱঁৰে মহাজন এজনে যিমান লাগে টকা দিব বুলি কৈছে। গান-বাজনাৰ সা-সৰঞ্জাম আমি কিনিলোৱেই। বায়েলো এটা কিনিলোঁ।

: পাৰ্টিৰ নাম কিবা থৈছা নেকি ?

: দক্ষিণ গণকগাড়ী অপেৰা পাৰ্টি। কেনে লাগিল দাদা, নামটো ?

: ভালেই লাগিছে। 'ৰাণা প্ৰতাপ'খন পহিলাতে বেয়া নহব। 'বাজিৰাও' আৰু 'চন্দ্ৰগুপ্ত' লম তাৰ পাচত। মই ছয় বছৰ আগতে বচৰাত বেংগল ড্ৰামাটিক ক্লাবৰ হৈ এই নাটক কেইখন কৰিছিলোঁ। বেচ জমে। আৰু যুদ্ধ আছেতো!

: বচ্‌ৰা মানে ক'ত ?

: মই যে যুদ্ধত গৈছিলোঁ। বহু দূৰ। পৃথিৱীখনৰ সিমূৰে বুলিয়ে ধৰা। ল'ৰাৰ দলটো নিৰৱ নিথৰ হৈ আহি থাকিল কিছু পৰ। বোধকৰোঁ বচ্‌ৰাৰ দূৰত্ব সম্বন্ধে কল্পনা কৰিছিল আৰু তেওঁৰ যে কি বিশাল অভিজ্ঞতা তাকে মনে মনে অনুমান কৰাৰ চেষ্টা কৰিছিল। শেষত এজনে কলে—

: দাদাই ঠিকই কৈছে ; যুদ্ধ নাথাকিলে নাটক একেবাৰে নজমে। সিহঁতে বহুদূৰ খোজ কাঢ়িছিল। শিলাৰ পৰা ভেল্লাইদি বৰপেটা অভিমুখে খোজ লৈছিল। বৰপেটাৰ পৰা বৰপেটা ৰোড ৰেল ষ্টেচনলৈ গৈ তাত ৰেলত উঠি এটা ষ্টেচন পশ্চিমলৈ গলেই সৰভোগ ষ্টেচন। তাত ৰেলৰ পৰা নামি দক্ষিণে ডেৰ মাইল মান বাট খোজকাঢ়ি গলেই ল'ৰাহঁতৰ দক্ষিণ গণকগাড়ী গাঁও।

গোটেই দলটো নিৰৱে আহি আছিল। বৰপেটাৰ কাছাৰীঘৰৰ কাষত চাউলখোৱাৰ পাৰত এখন চাহ দোকানত বৈ কেউজনে চাহ আৰু নিম্‌কি খাই ললে। তেওঁ অৱশ্যে একোকে নাখালে। ল'ৰাহঁতৰ আগ্ৰহ দেখি তেওঁ অভিভূত হৈ পৰিছিল। তেওঁৰ মনত পৰিছিল বচ্‌ৰাত লগ পোৱা জৰ্জবোলা সেই খৃষ্টান চাহাবজনৰ কথা, কেৰল ঘোষৰ কথা আৰু সেই অভিনয়-বলিয়া তেওঁৰ বন্ধু গুপ্তৰ কথা। যুদ্ধভূমিত চাৰিওপিনে মৃত্যুৱে ঘেৰি ৰখা অৱস্থাতো ৰাতি অলপ জিৰণিৰ সময় পালেই জৰ্জে তাৰ বীণাখন বজাইছিল আৰু কেৰল গাইছিল গান। গুপ্তই আকৌ কৈছিল অভিনয়ৰ বিভিন্ন কাহিনী। এই ল'ৰাহঁতে কৰাৰ দৰেই তেওঁলোকেও এদিন যুদ্ধৰ শেষত স্বদেশ অভিমুখে ঘূৰি অহাৰ

বাবে বচৰাৰ ছাউনিলৈ আহোতে বাটত বেংগল ড্ৰামাটিক ক্লাব নাম দি এটা অভিনয়ৰ দল গঠন কৰাৰ বিষয়ে আলোচনা কৰি আহিছিল।

বচ্ৰাৰ পৰা অলপ দূৰত ছাট অল্ আৰৱত যেতিয়া তেওঁলোকে জাহাজেদি উজাই আহিছিল বাবে বাবে তেওঁৰ মনলৈ আহিছিল বেকী নৈখনৰ কথা। বেলেৰে সৰভোগৰ পিনলৈ আহোতে বেলখন যেতিয়া প্ৰচণ্ড শব্দ কৰি বেকীৰ দলঙত উঠিছিল বেলৰ ডবাৰ ভিতৰত কিবাকিবি কথা পাতি ব্যস্ত হৈ থকা ল'ৰাকেইজনলৈ সন্তৰ্পণে তেওঁ চাইছিল। প্ৰকাণ্ড ডবাটোত সেই ল'ৰা পাঁচজনৰ দলটো আৰু তেওঁত বাদে আন কোনো নাছিল। তেওঁ চাই চাই গৈ সেই যুদ্ধ নহলে নাটক নজমে বুলি কোৱা ডেকা ল'ৰাজনৰ মুখত দৃষ্টি নিবন্ধ কৰিছিল। তাৰ উকা দেহত কাপোৰ এখনেৰে গাঁটি মাৰি লৈছিল আৰু কান্ধত আছিল এখন এৰী পচৰা। সি নদীলৈ চাই গৈছিল। দলংখন পাৰ হোৱাৰ পাচত সি তেওঁৰ পিনে চাই সুধিছিল—

ঃ শৰ্মা দা, আপুনি যোন যোন দেশত গৈছিল তাতো এনেকুৱা নদী দেখিছিলনে ?

ঃ আছে ; ইউফ্ৰেটিচ নৈ আছে। বিৰাট বহল আৰু দীঘল নৈ। টাইগ্ৰীচ নৈ আছে। দ' কিন্তু সিমান দীঘল নহয়। বেকীতকৈ অৱশ্যে দীঘল। বহলো। তথাপি বেকীৰ দৰে নালাগে। বেকীৰ পাৰে পাৰে যি সীমাহীন শ্যামলিমাৰ পোহাৰ, সেইটোৰ তাত বৰ অভাৱ।

তেওঁৰ মনত পৰিছিল ইউফ্ৰেটিচ, টাইগ্ৰীচ নৈ দুখন মেচেপটোমিয়াৰ দক্ষিণে য'ত মিলিছিল তাতেই আৰম্ভ হৈছিল ছাট্অল্ আৰৱ। পাৰত অসংখ্য খেজুৰি গছৰ নিৰ্জীৱ বৈচিত্ৰ্যহীন শ্যামলিমা। আৰু উটৰ যান্ত্ৰিক কাৰাভান।

ঃ দাদাই বেকীৰ কথা ভাবিছে বোধ হয়। আপোনাক পিচে বেকীৰ পাৰতে ৰখা হব। নিতৌ বেকীখনকে পুৱা-গধূলি দেখা পাব। ওচৰতে মাহুলীঝাৰ বুলি এটা চুবুৰী আছে। তাতে আপোনাসকলৰ বামুন মানুহো দুঘৰমান আছে।

: বামুন মানুহ বাদ দিয়া, যাত্ৰা কৰা মানুহ আছে নে নাই—সেইটো কোৱা।

: আছে দাদা, চুৰেন নাথ, ৰমেশ মহন্ত, ৰাজো ওস্তাদ, নবীন মস্তানি, চৰ্পা দাস, কৈলাশ দাস এনেকে আছে যাত্ৰাৰ দলত ফুৰা বহুত মানুহ।

বামুন মানুহ বাদ দিয়া বুলি কলেও তেওঁৰ মনে কিন্তু বাদ দিব পৰা নাছিল। তেওঁ ভাবিছিল বামুন মানুহৰ আচৰিত স্বভাৱবোৰৰ কথা। তেওঁলোকৰ শিলা গাঁওখনেই এতিয়া। প্ৰাচীন বামুন গাঁও এখন। কত প্ৰখ্যাত অধ্যাপক আৰু পণ্ডিতৰ জন্ম সেই গাঁৱত। ভীষণ সংৰক্ষণশীল। প্ৰাচীন নিয়ম-নীতিত কঠোৰ। কিন্তু সেইখন গাঁৱতে তেওঁলোকৰ পদ্মনাথ অধ্যাপকৰ ঘৰখনো আছে। পদ্মনাথ অধ্যাপক অৰ্থাৎ তেওঁৰ দেউতাক আছিল গোড়া ব্ৰাহ্মণ পণ্ডিত। কামৰূপৰ সুপ্ৰসিদ্ধ এক প্ৰাচীন পৰম্পৰাৰ প্ৰতিভূ হিচাপে তেওঁলোকৰ ঘৰখনৰ কথা মানুহে শ্ৰদ্ধাৰে উল্লেখ কৰে। অথচ সেইখন ঘৰতে তেওঁৰ ককায়েক কৃষ্ণ জন্মিছিল। সংগীত আৰু অভিনয় যাৰ কাৰণে হ'ল নিশ্বাস-প্ৰশ্বাসৰ দৰে। যেন সংগীত আৰু অভিনয় বন্ধ কৰি দিলেই তেওঁৰ জীৱনৰ সমস্ত স্পন্দন বন্ধ হৈ যাব। তেওঁৰ স্বভাৱো সেই ককায়েকৰ দৰেই। ডাঙৰ ককায়েক মহেশ্বৰ অৱশ্যে পৰিয়ালৰ সংস্কাৰ ৰক্ষাকাৰী। তেওঁৰ গালি শপনিয়েও কৃষ্ণ বা তেওঁক বাঞ্ছনীয় পথলৈ ঘূৰাই অনাত ব্যৰ্থ হ'ল।

: দাদা, আমি পালেঁাহিয়েই। এয়ে দক্ষিণ গণকগাড়ীৰ সীমা। সৌখন মাতুলীঝাৰ। আৰু সৌৱা বেকীৰ পাৰ।

তেওঁ কিবাকিবি চিন্তাত অন্যমনস্ক হৈ পৰিছিল। ডেকাজনৰ মাত শুনি সজাগ হৈ পৰিল। ল'ৰাৰ দলটো গাঁৱত সোমাই পৰাৰ লগে লগে মানুহবোৰ ঘৰৰপৰা ওলাই আহিছিল। আৰু তেওঁক দেখি সসম্ভ্ৰমে বাটলৈ আহি তেওঁক আগবঢ়াই নিয়া ল'ৰাৰ দলটো শকত কৰি তুলিছিল।

: শিলাৰ কালিকা অপেৰাৰপৰা অনা ওস্তাদ এৱেঁই নেকি ?

দলপতি তালুকদাৰক কোনোবা এজনে সোধা তেওঁ শুনিছিল। তালুকদাৰে বোধকৰোঁ নিৰৱে মূৰ দুপিয়াই সঁহাৰি দিছিল। কিয়নো তালুকদাৰৰ কথা তেওঁ শুনা নাছিল ; আকৌ সেই মানুহজনকে অনুচ্চ স্বৰত কোৱা শুনিছিল—

: থকা জেগাটো কিন্তু ভালদৰে চাফ-চিকুন কৰি দিবি দেই। আৰু খোৱা-বোৱাৰ যা-যোগাৰ দিওঁতে সাৱধান হবলৈ কৰি। গা-পা নোধোৱাকে, লেতেৰা-পেতেৰা কৰি যাতে নিদিয়ে। আমাৰ আকৌ ভিতৰুৱা গাঁৱৰ কথা। নাজানিব পাৰে। শিকাই বুজাই দিবি। শিলাৰ বামুনৰ ল'ৰা। বামুন বুলিলেই বুলিবৰ নাই ; তাতে আকৌ শিলাৰ বামুন।

কথাবোৰ শুনি তেওঁ কেৰাহীকৈ কোৱাজনৰ পিনে চাইছিল। কোনোবা আদহীয়া এজন। তেওঁৰ হাঁহি উঠিছিল মানুহজনৰ কথা শুনি। এনেতে তালুকদাৰ আগবাঢ়ি আহি তেওঁক কলে—

: দাদা, এৱেঁই আমাৰ মহাজন।

উকাদেহত কান্ধত গামোছা এখন পেলাই ডেকা জাকৰ মাজত আহি থকা আদহীয়া মহাজনজনক দেখি তেওঁৰ মনত পৰিছিল বচ্ৰাত লগ পোৱা বাঙালী সৈনিক কেৱল ঘোষলৈ। সেই ঘোষৰো মনৰ আগ্ৰহেই আছিল সাৰ। তেওঁ অভিনেতা নাছিল। কিন্তু আছিল অভিনেতাৰ অক্লান্ত পৃষ্ঠপোষক। মানুহজনে আহি তেওঁক আগচি হাত দুটা ধৰি লৈ বাটতে থমকি ৰৈ কলে—

: মই মহাজন নহওঁ। ইমান ডাঙৰ গুণ মোৰ তাত নাই। কিন্তু হয়, মই এই ছলিকেইটাৰ মানত মহাজন হয়। ইহঁতে প্ৰায়ে উৎসাহ হেৰুৱাই পেলায়। আৰু তেতিয়া মোৰ ভঁৰালৰপৰা পাচিয়ে পাচিয়ে উৎসাহ আনি আকৌ ইহঁতৰ মনবোৰ ভৰাই তোলোঁ। সেইবাবেই মই সিহঁতৰ মহাজন।

মহাজনে হাত দুটা এৰি সন্মুখৰ পৰা আঁতৰি যোৱাত আকৌ যাত্ৰা আৰম্ভ হ'ল। মহাজনে আকৌ কলে—

: বোপা, আপুনি শিলাৰ মানুহ ; শুনিছোঁ, দেশ-বিদেশ দেখি

আছিছে। ইহঁতে নাজানি কববাত কিবা ভুল-চুক কবিব পাবে, নিজগুণে মৰিষণ কৰি লব। আপোনাক দুখ দিয়াকৈ কোনোবাই কিবা কলে বা কৰিলে মোক কবহি। নিঃসঙ্কোচে কবহি, মই তাৰ গাৰ ছাল চেলাই দিম। আপুনি কিন্তু নাযাব। দেইব'!

মহাজনৰ কথা কেইটা শুনি মানুহজনৰ প্ৰতি তেওঁৰ মনত অদ্ভুত শ্ৰদ্ধা জন্মিল। ডেকা ল'ৰাকেইটাক একেবাৰে নিজৰ নিজৰ লাগি গ'ল। তেওঁ কলে—

: মহাজন, মই কেতিয়াও এই গাঁও এৰি নাযাওঁ। লাগে প্ৰলয় হওক, সৰ্বনাশী ভূমিকম্প হওক।

ভূমিকম্পটো সঁচাকে সৰ্বনাশী আছিল। চাৰিওপিনে ফাট মেলিছিল। পথাৰত, আলিবাটত, ঘৰৰ চোতালত, মজিয়াত সকলোতে ফাট মেলিছিল। প্ৰচণ্ড জোকাৰণিত তেওঁলোকৰ শিলা গাঁৱৰ পথাৰখনৰ সমানে এফাল তললৈ বহি গৈছিল।

সেই সময়ত তেওঁ আছিল তিনিবছৰীয়া শিশু। জীৱনৰ আত্ৰাণিত মানুহবোৰে 'হৰিবোল', 'হৰিবোল' বুলি চিঞৰিছিল। তেওঁৰ মাকেও ভয়তে কঁপা মাতেৰে 'হৰিবোল', 'হৰিবোল' বুলি কৈ তেওঁক জোৰেৰে বুকুত সাবটি লৈছিল। চাৰিওপিনে মাটিবোৰ কেবাদিনো কঁপি কঁপি উঠিছিল মাজে মাজে। আৰু ভয়তে তেওঁ মাকৰ কাষৰপৰা কলৈকো আঁতৰি যোৱা নাছিল।

শেষত এদিন অৱশ্যে মাটিবোৰ কঁপা বন্ধ হৈছিল। আৰু তেওঁলোকৰ গাঁওখন প্ৰাচীন কালৰ যুদ্ধ-বিধ্বস্ত এখন জনপদৰ দৰে দেখা হৈ পৰিছিল। বহুতৰে ঘৰবোৰ ভাগি চুচুৰ্মৈ হৈ গৈছিল। চোতালবোৰ হেৰামগৰিয়া হৈ গৈছিল আৰু পদূলিত দ' খালৰ সৃষ্টি হৈছিল। প্ৰায়বোৰ বাৰীৰে বাঁহ, তামোল আদি গছবোৰ উভালি পৰিছিল আৰু দুই এঠাইতো দ' খালত পোত গৈ নিশ্চিহ্ন হৈ গৈছিল একোঠাইত প্ৰকাণ্ড বাঁহৰ চোপ, একোজোপাহঁত পুৰণি বিয়াগোম জৰিগছ।

বহুত পৰিয়ালে একেবাৰে সৰ্বস্বান্ত হৈ গাঁওখন চিৰদিনৰ কাৰণে এৰি ভাগ্যৰ সন্ধানত আন ঠাইলৈ গুচি গৈছিল। খেতি-পথাৰবোৰৰ আধাখিনি বিলত পৰিণত হোৱাৰ পাচতো তেওঁলোকৰ ঘৰখনে কিন্তু গাঁও এৰি গুচি যোৱা নাছিল। অৱশেষত অৱশ্যে অনন্যোপায় হৈ তেওঁৰ ডাঙৰ ককায়েক মহেশ্বৰে ধুবুৰীৰ ওচৰত গৌৰীপুৰত তাৰ স্থানীয় জমিদাৰৰ অধীনত চাকৰি লৈ তাতে থাকিবলৈ বাধ্য হৈছিল। চেমনীয়া কালত

এদিন তেওঁকো ভালৈ লৈ যোৱা হৈছিল। তাতেই এদিন তেওঁ অপ্ৰত্যাশিতভাৱে এটা নতুন সত্যৰ মুখামুখি হৈছিল। যিটোৰ প্ৰভাৱত তেওঁৰ জীৱনৰ গতিয়ে মোৰ সলাবলৈ বাধ্য হৈ পৰিছিল।

সৰু এটা ঘটনা ঘটিছিল সেই দিনা। গৌৰীপুৰত ককায়েক মহেশ্বৰৰ লগত প্ৰথম কেইমাহমান ভাল লগা নাছিল যদিও শেষলৈ ভাল লগা হৈ পৰিছিল। মানুহবোৰ চিনাকি হৈছিল, সমনীয়া ল'ৰা-কেইটামান লগো হৈছিল, নিজৰ শিলা গাঁৱৰ দৰেই লাগিছিল কিছুদিন যোৱাৰ পাচত। গৌৰীপুৰত ৰজা অৰ্থাৎ জমিদাৰৰ ঘৰে দুটা কথাত অনুৰাগ দেখুৱাইছিল। তাৰে এটা আছিল চিকাৰ আৰু আনটো আছিল সংগীত। তেওঁ নিজে ৰবীন্দ্ৰ সংগীত শিকিছিল। গাইছিলো ভালেই। গতিকে সংগীতৰ জৰিয়তেদিও বন্ধুমহল এটা গঢ়ি উঠিছিল। মুঠতে তেওঁৰ গৌৰীপুৰত ভালেই লাগিছিল।

এনেতে এদিন সেই ঘটনাটো ঘটিছিল। দেখাত ঘটনাটো একেবাৰে সাধাৰণ ; কিন্তু সেই সাধাৰণ ঘটনাটোৱেই তেওঁক এনে এক সত্যৰ সতে মুখামুখি কৰাই দিছিল যে, সেই ঘটনাৰ কথা জীৱনত কোনো দিনে তেওঁ পাহৰিব পৰা নাছিল।

ঘটনাটো ঘটিছিল এদিন আবেলি। দুপৰীয়া ভাত খায়েই তেওঁ এজন বন্ধুৰ তালৈ হাৰ্মোনিয়মত নতুন গীত এটা তুলি লবলৈ গৈছিল। ককায়েকে ঘৰত হাৰ্মোনিয়ম ৰখা নাছিল গুণে তেওঁ আনৰ তালৈ যাবলগীয়া হৈছিল। কাম শেষ কৰি তেওঁ ঘূৰি আহিছিল। আহোতে বাট চমুৱাবলৈ বুলি এটা চুবুৰীৰ বাৰীৰ পিচৰ সৰু বাটেদি আহি আছিল। আহোঁতে বাটত দেখিলে আম গছত আম পকি ৰঙা হৈ আছে। তেওঁৰ খাবলৈ বৰ মন গৈছিল। শিলাত হোৱাহেঁতেন ফৰ্মুটিয়াই আম পাৰি খাই তৃপ্তিৰে গুচি গ'লহেঁতেন। এনেদৰে ভাবোতেই সন্মুখত দেখিলে এটা পকা আম সৰি বনত পৰি আছে। মনতে ভগৱানক ধন্যবাদ দি আমটো বুটলি লৈ ঘৰলৈ আহিল। ঘৰত হাত ভৰি কিটা ধুই আমটো ধুই পখালি কাটি খাবলৈ লৈছিল মাথোন এনেতে শুনিলে ঘৰৰ দুৱাৰ মুখত কোনোবাই চিঞৰ বাখৰ কৰা।

কোনোবা এজনে গৰমকৈ কিবা কৈছিল আৰু তেওঁৰ ককায়েকে নৰম সুৰত উত্তৰ দি আছিল। কাণখন উনাই তেওঁ শুনিলে যে, তেওঁ বুটলি অনা পকা আমটোৱেই বাকবিতণ্ডাৰ মূল কাৰণ। তেওঁ ভাবিলে নিশ্চয় আমৰ মালিকে ভাবিছিল যে আমটো তেওঁ গছৰপৰা চিঙি আনিছিল। সৰিপৰা অনা বুলি জানিলে মালিকে নিশ্চয় এইদৰে ঘৰলৈকে খেদি নাহিলহেঁতেন। তেওঁ মালিকক কথাটো বুজাই দিবলৈ ওলাই আহিল।

তেওঁ ওলাই অহাৰ লগে লগে ইমান পৰে বতাহত জৰিপাত লৰাদি লৰি থকা মালিকৰ মুখখন হঠাৎ থমকি ৰ'ল। তেওঁক ভৰিৰপৰা মূৰলৈ চাই ললে আৰু পাচত ককায়েক মহেশ্বৰৰ মুখলৈ চাই মালিকে কলে—

ঃ এইটোৱে নহয় জানো তোমাৰ ভাই, ঠাকুৰ ?

ঃ অঁ, হয়। সৰু ল'ৰা তাক ক্ষমা কৰি দিয়ক ; আমটোৰ দাম মই দি দিম।

তেওঁ তৎক্ষণাৎ কলে—

ঃ মই বাটৰ কাষত সৰি পৰি থকা আমহে বুটলি আনিছোঁ।

ঃ আৰু আমজোপা তোমাৰ কোনোবাই কইছিল নেকি ? মালিকে কথাষাৰ ইমান ভেঙুচালি কৰি কৈছিল আৰু 'বাপেৰাই' বুলি কবলৈ গৈ 'কোনোবাই' বুলি সলাই কওতে ইমান ধৰা পৰাকৈ কৈছিল যে, খং আৰু অপমানত তেওঁ হঠাৎ বিমূঢ় হৈ পৰিছিল। এনেতে ককায়েকে ধমক দি তেওঁক ভিতৰলৈ যাবলৈ কৈছিল।

ঃ এনেধৰণৰ দুৰন্ত ল'ৰা ঠাকুৰে লগত নৰখাই ভাল। নহলে কেতিয়াবা সাংঘাটিক কিবা কৰিব, আপোনাৰ বদনাম হৈ যাব। তেওঁ ভিতৰত গৈ থাকোতে মালিকৰ কথাষাৰ শুনিছিল। আৰু অক্ষম ক্ষোভত বিছনাত পৰি কান্দিছিল।

ককায়েকে তেওঁক এই বিষয়ে একোকে কোৱা নাছিল। কিন্তু তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিছিল ককায়েকৰ অন্তৰত এই ঘটনাই যে কিমান গভীৰ দুঃখ দিছিল। তেওঁৰ নিজৰ ওপৰত ভীষণ অপৰাধবোধ

হৈছিল। শিলাৰ দৰে স্থিতকৰা গাঁওত জন্ম লাভ কৰি, গাঁওৰ অকৃত্রিম স্নেহ-মমতাৰ মাজত লালিত হৈ তেওঁ সেইদিনা সেই ঘটনাটোত জড়িত হোৱাৰ আগলৈকে জনাৰ সুযোগকে পোৱা নাছিল যে, পৰিচয়, আন্তৰিকতা এনেবোৰ কথা সকলোতে গাঁৱৰদৰে বাধাহীন, উন্মুক্ত নহয়। য'তে আধুনিকতাৰ বতাহ লাগিছে ত'তেই যেন এইবোৰত মামৰ লাগি চমকণি নোহোৱা হৈ পৰিছে, এই কথাবোৰ বলহীন হৈ পৰিছে। নিজকে তেওঁ মনে মনে ধিক্কাৰ দিলে, এটা সাধাৰণ আমৰ প্রতি নিজৰ লোভ সামৰিব নোৱৰাৰ কাৰণেই যে ককায়েকে ইমান চৰম অপমান ভুগিবলগীয়া হ'ল।

তাৰ পাচদিনাই তেওঁ কাকো একো নোকোৱাকৈ মাজৰাতি গৌৰীপুৰ ষ্টেচনত নামনিমুৱা এখন ৰেলত উঠি ললে। অজানাৰ উদ্দেশ্যে।

তাৰ পাচত শিয়ালদহ; তাৰপৰা বালিগঞ্জত গৌৰীপুৰৰ জমিদাৰৰ ঘৰত আৰু তাৰপৰা এডেন, বছৰা, আলেক্‌জেন্দ্রিয়া আৰু কত ঠাই। আজি আৰু সেই নামবোৰ তেওঁৰ মনত নপৰে।

: ঠাকুৰ, তেওঁৰ মুখৰ ভাবটো ঠিক হোৱা নাই নেকি?

ডেকাজনৰ কথাষাৰে তেওঁৰ মনটো বৰ্তমান পৰিবেশলৈ ঘূৰাই আনিছিল। কিন্তু হঠাৎ তেওঁ ডেকাজনৰ কথাষাৰ ধৰিব নোৱাৰি কলে—

: ভাবটো ঠিক হোৱা নাই যেন লাগিছে নহয়?

কথাষাৰ সোধাৰ লগে লগে তেওঁৰ গোটেই কথাটো মনলৈ আহিল। তেওঁ নামঘৰত এখন নতুন নাটকৰ তালিম দি আছিল। 'স্বৰ্ণময়ী' নামৰ এখন নতুন নাটক। তেওঁ তাত পাৰ্ট লোৱা নাছিল। পাৰ্টবোৰ গাঁৱৰ স্থানীয় অভিনেতাসকলৰ মাজত তেওঁ নিজে ভগাই দিছিল।

নাটকৰ কাহিনীটো আছিল চাঁদৰায় নামৰ এগৰাকী সামন্ত ৰজাৰ অনিন্দ্যসুন্দৰী জীয়ৰী স্বৰ্ণময়ীক কেন্দ্র কৰি। সেইসময়ত গৌড়ৰ শাসনকৰ্তা আছিল এনায়েৎ খাঁ।

কাহিনীটোৰ আৰম্ভ হৈছিল চাঁদৰায়ৰ ঘৰলৈ আহি আতিথ্য বিচাৰি প্রত্যাখ্যিত হোৱা ৰাজগুৰুৰ ক্রোধ প্রকাশেৰে। ৰাজগুৰুৱে অধৰ্মৰ

আশ্ৰয় লোৱাৰ কথা জানিব পাৰি ৰজাই তেওঁক আপ্যায়িত নকৰি ঘূৰাই পঠাইছিল। ক্ৰোধত জ্ঞানশূন্য হৈ ৰজাৰ ওপৰত প্ৰতিশোধ লোৱাৰ উদ্দেশ্যে শুকৰে অপহৰণ কৰিছিল ৰাজকুমাৰী স্বৰ্ণময়ীক। অপহৰণ কৰি ৰাজকুমাৰীক লৈ গৈছিল গৌড় দেশলৈ এনায়েৎ খাঁৰ হাতত সপি দিয়াৰ বাবে। ৰাজকুমাৰীৰ সৌন্দৰ্যৰ কাৰণে শুক নিশ্চিত আছিল এনায়েৎ খাঁই তেওঁক বিয়া কৰাবলৈ সন্মত হব।

এনায়েৎ খাঁই কিন্তু শুকক তিৰস্কাৰহে কৰিলে; ইমান ভীষণ অপৰাধ এটা কৰা বাবে। ইপিনে ৰাজকুমাৰীক লৈ গৈ গৌড়দেশত সোমোৱাৰ লগে লগে গৌড়ত নানান অমংগল ঘটিছে। গাঁৱত জুই জ্বলিছে, নদী শুকাই গৈছে, পথাৰত শস্য শুকাই জ্বলি গৈছে আৰু প্ৰজাৰ মাজত হাহাকাৰ-কলৰোল উঠিছে। ভীত সন্ত্ৰস্ত প্ৰজাই গাঁও এৰি পলাই শান্তিৰ আশ্ৰয় বিচাৰি হাবাথুৰি খাইছে।

ডেকা ল'ৰা এটাই ভীত সন্ত্ৰস্ত হৈ পলোৱাৰ ভাও দিবলৈ উঠিছিল। ঠিক সেই মুহূৰ্ততে তেওঁৰ মনলৈ আহিছিল ভাবিলে সপোন যেন মনত পৰা সেই প্ৰলয়ংকৰী ভূমিকম্পত দেখা তেওঁলোকৰ গাঁৱৰ ভীত সন্ত্ৰস্ত মানুহবোৰৰ মুখ। তাৰ পাচত এটাৰ পিচত এটাকৈ পুৰণি কথাবোৰ আহি তেওঁৰ মন আচ্ছন্ন কৰি দিছিল। তেওঁ পাহৰি গৈছিল যে, তেওঁ দক্ষিণ গণকগাড়ী গাঁৱৰ নামঘৰত তালিম দিয়াই আছিল। সেই ডেকা ল'ৰাজনৰ ভাওৰ কথাই যে তেওঁক সোধা হৈছিল তেওঁৰ এতিয়াহে মনত পৰিল। তেওঁ ল'ৰাজনৰ কাষত থিয় দিলে আৰু ভীত সন্ত্ৰস্ত হৈ একেবাৰে নিথৰ বিবুদ্ধি হোৱা এজনৰ ভাও দি দেখুৱালে। আটায়ে তেওঁৰ পিনে স্তব্ধ হৈ চাই ৰ'ল।

: ঠাকুৰ, আপুনি সঁচাকে বৰ গুণী দেই।

ভাওটো কেনেকে দিবা লাগিব দেখুৱাই তেওঁ আগৰ জেগাত আহি বহিছিলহি। এনেতে দেখিছিল এজন আদহীয়া মানুহে নামঘৰৰ জপনাখন পাৰ হোৱাৰ আগতে দুৱাৰ মুখতে মাটিত কপালখন লগাই মণিকূটলৈ প্ৰণাম জনাই সোমাই আহিছিল। আৰু এজন ডেকা ল'ৰাই লৰালৰিকৈ নামঘৰৰ মজিয়াৰ ওপৰৰ চাঙৰপৰা চাৰি এখন নমাই তেওঁৰ

ওচৰতে পাৰি আগন্তুকজনক বহিবলৈ দিছিল। এই আগন্তুকজনেই তেওঁৰ ভাওটোৰ প্ৰশংসা কৰি কথাষাৰ কৈছিল।

তেওঁ মানুহজনৰ পিনে মুখ ঘোৰাই শ্ৰদ্ধাৰে সহাৰি দিলে। একো নকলে। মানুহজনে আকৌ কলে যে, তেওঁ গাঁৱৰ বাইনৰ দলত ফুৰিছিল। সূত্ৰধাৰ হৈছিল আৰু ধ্ৰুৱ পালাত ৰজা উত্তানপাদৰ ভাও দিছিল।

: আমাৰ দিনত সেই এখনেই পালা আৰু মোৰো সেই একেটাই ভাও। ল'ৰাহঁতৰ মাকে খং উঠিলেই গালি পাৰে—ৰাতিপুৱাই হাল বাবলৈ নগলে সংসাৰ নচলে, সেই পুৰুষে আকৌ ৰজা হৈ ফুৰে। ৰাতি জুহালত সাত হাল বোৱা মানুহবোৰে আকৌ ঘৰৰ তিৰোতাজনীৰ ওপৰত বৰ মতা হৈ দেখুৱায়। মানুহজনে কথাষাৰ কৈ ইমান খোলা এটা হাঁহি মাৰিলে যে নামঘৰৰ চাৰিওপিনে এন্ধাৰত এখোজ দুখোজকৈ গৈ থকা ৰাতিটোও যেন চক খাই স্তব্ধ হৈ গ'ল।

: আপুনি মোক এদিন কিন্তু বাইন দেখুৱাব লাগিব। তেওঁৰ কথাষাৰ শুনি মানুহজনে নীৰৱে কিবা মনত পেলাবলৈ যত্ন কৰিলে। তাৰ পাচত ডেকা ল'ৰা এজনক লক্ষ্য কৰি সুধিলে—

: অই মুকুণ্ড, তহঁতৰ মাতুলীঝাৰৰ সভাত এযোৰা বাইন মতা নাইনে? ক'ৰ বাইন অ'?

: ক'ৰ মই নাজানো।

ডেকা ল'ৰাজনে বৰ অৱজ্ঞাৰে উত্তৰ দিলে। মানুহজনে কিন্তু একোলৈকো ভ্ৰুক্ষেপ নকৰি কলে—

: দেখিছে আজিকালিৰ ডেকা ল'ৰা। বাইনৰ কথাই নুশুনে। আৰু মাত্ৰ সাতটা দিন আছে। আমি তালৈকে যাম দিয়ক। আগতে পিচে বাইন চাইছে নে নাই?

: নাই চোৱা।

: এহ্ বলক। বৰ ভাল লাগিব। মৎ কৰো শোৰ আদমী লোগ, কেইচা মাফিক দেখ্‌না লো।

মানুহজনে মুখুজা ভাষাতে ডাঙৰ ডাঙৰকৈ ফকৰাটো আওৰালে।

তেওঁ বুজা নাই বুলি কোৱাত বেচ আয়মেৰে আড্ডা দিয়াৰ ঢঙত কলে—

: প্ৰথম ধুহা গাই সূত্ৰধাৰীয়ে নাচি পালাখনৰ কাহিনীটো গাই দিব। তাৰ পাচতে ববকাগুাজ ওলাব। আৰু সিয়েই সেই ফকৰাটো গাব। অৰ্থাৎ দৰ্শকসকলক গোলমাল কৰিবলৈ হাক দিব, আৰু কব, কি ধৰণৰ কি ঘটনা হয় চাই লোৱাচোন বুলি।

: ববকাগুাজ ?

: অঁ, ববকাগুাজ।

ৰৰকাণ্ডাজজন ওলায়েই মাটিত গমহু কৰে গোৰ এটা মাৰি আৰম্ভ কৰিছিল তাৰ বচন। পোছাকে পাতিয়ে তাক থানাৰ দাৰোগা এজনৰ দৰেই দেখা গৈছিল। ভৰিৰ ব্ৰীচ্চ্, বুট জোতা, কঁকালৰ পেটি, মূৰৰ টুপীৰে পোছাকটোৰ ৰঙ খাকী হোৱা হলে পুলিচৰ দাৰোগা বুলি বহুতেই ভুল কৰিব। ৰৰকাণ্ডাজৰ পোছাকৰ ৰঙ আছিল অৱশ্যে ক'লা।
তেওঁ দৰ্শকৰ মাজত বহিয়েই চাৰিওপিনে চাইছিল। মুকলি মঞ্চখনৰ চাৰিওপিনে দৰ্শক বহিছিল। পূৱপিনে নামঘৰৰ পানীপোতাৰপৰা বহিছিল মাইকীমানুহ। উত্তৰ আৰু দক্ষিণ কাষত শাৰী শাৰীকৈ জ্বলোৱা আছিল কোমোৰাৰ খোলত সৰিয়হৰ চাকি। মাজে মাজে কিছুমান মানুহ আহি সেই খোলবোৰত সৰিয়হৰ তেল ঢালি দি গৈছিল।
মঞ্চখন আচলতে আছিল খোলা। পথাৰত মাটি মাহৰ মৰণা মাৰিবলৈ চাঁচি লোৱা খোলাৰ দৰে। তাৰ দাঁতিত চাকিৰ তলত বহিছিল হাৰ্মোনিয়ম, ঢোলোক আদি বজোৱা আৰু প্ৰোম্পট্ কৰা মানুহবোৰ। ৰভাৰ খুটাবোৰ আছিল ভীমকলৰ। ওপৰত দিছিল বাঁহৰ মাৰলি আৰু কৰাৰ ওপৰত তৰা গছ। তৰা গছৰ চালে অৱশ্যে নিয়ৰক বাধা দিব পৰা নাছিল। কিন্তু মানুহৰ গাৰ গৰমে নিয়ৰৰ শীতলতাৰ তীব্ৰতা কমাই দিছিল। তেওঁ চাইছিল আৰু মনে মনে ভাবিছিল। আৰু তেওঁ নতুনকৈ অনুভৱ কৰিছিল ৰাতিৰ এই অনুষ্ঠানটো মানুহে কিয় 'গন্ধ্' বুলি কয়। চাকিত সৰিয়হ পোৰাৰ গোন্ধ, নামঘৰৰপৰা সঘনে ফুৰাই যোৱা ধূনাদানিৰ গোন্ধ, ধূপৰ গোন্ধ মিলি এনে এটা পৱিত্ৰ গোন্ধৰ সৃষ্টি কৰে যে ৰভাৰ তলত বহি সৰু-সুৰা কষ্ট-অসুবিধাৰ কথা সমস্ত পাহৰিব পৰা হয়। মনটোৱেই পৱিত্ৰ হৈ পৰে।
ধুহা গাঁওতে খোল সাতোটা বজাইছিল দলটোৱে। মূৰত মথুৰা-

পাগুৰি আৰু হাতত চোঁৱৰ লৈ সূত্ৰধৰাটোৱে পদবোৰ আৰম্ভ কৰি দিছিল সুললিত সুৰত। আৰু পদৰ অন্তত মঞ্চৰ মাজলৈ আহি এটা জাপ মাৰি ঘূৰি যোৱাৰ লগে লগে খোল-তালৰ গৰ্জনৰে ধুহা আৰম্ভ কৰি দিছিল পালিৰ মানুহবোৰে।

সূত্ৰধাৰৰ পদৰ পৰাই বুজিছিল তেওঁলোকে ধ্ৰুৱ পালা কৰিব। উত্তানপাদ, সুৰুচি, সুনীতিৰ কাহিনী। ৰজা উত্তানপাদ আৰু তেওঁৰ দুগৰাকী ৰাণী সুনীতি আৰু সুৰুচিক কেন্দ্ৰ কৰি ধ্ৰুৱ পালাৰ কাহিনীৰ সৃষ্টি কৰিছিল নাট্যকাৰে।

সূত্ৰধাৰৰ কাহিনী গোৱা শেষ হোৱাৰ পাচতে হঠাৎ এটা দ'তৰ দৰে আৱিৰ্ভাৱ হৈছিল বৰকাগুজৰ। কিবাকিবি ফকৰা গাই, গোটেই মঞ্চখনত জপিয়াই, গুৰিয়াই একেবাৰে তাল-বাল খুৱাই দিছিল দৰ্শকক। শেষত সি অলপ নৰম হ'ল। আৰু মঞ্চৰ চাৰিওপিনে ঘূৰি গালে—"গোল কৰো না প্ৰজা, এসেছে মহাৰজা; গোল কৰো না প্ৰজা, এসেছে মহাৰজা"—এনেদৰে তিনিবাৰ। তাৰ পাচত সি প্ৰস্থান কৰিলে। যাওতে কৈ গ'ল যে ঝাকদাৰ—ঝাকদাৰনী আহি মঞ্চখন চাফা কৰি থব। তেওঁ একৰকম অভিভূত হৈ পৰিছিল ঝাকদাৰ-ঝাকদাৰ্ণী হালক মঞ্চলৈ সোমাই অহা দেখি। ৰঙাৰ ওপৰত বগা ভমকা ফুলেৰে লেতেৰা শাৰীখন পিন্ধি অহা তেৰ-চৈধ্য বছৰ বয়সীয়া ল'ৰাজনক সাইলাখ গাভৰু ঝাকদাৰ ছোৱালী এজনী যেনেই দেখা হৈছিল। ল'ৰা ঝাকদাৰজনৰ মেক-আপটোও সিমান বেয়া হোৱা নাছিল। সিহঁত সোমোৱাৰ লগে লগেই হাৰ্মোনিয়মত আৰম্ভ হ'ল তীব্ৰ গতিৰ গান—ঝট্ পটা পট্, পট্ পটা পট্; দে দে দে ঝাৰু দে চট্ ফটা ফট্। দুয়ো হাতত জাৰুৰ দৰে একোপাট লৈ নাচি নাচি সেই আখাৰকে কেবা বাৰো গালে। আৰু গীতৰ লগে লগে জাৰু দিয়াৰ দৰে কৰি দেখুৱালে। "ৰাজা আহি চাজা দিব ধৰ পটা পট" বুলি জাৰু দি গুচি যাব। তাৰ পাচতহে, অৰ্থাৎ সিহঁত হালে গাই, নাচি ওলাই যোৱাৰ পাচতহে মূল নাট্যাভিনয় আৰম্ভ হৈছিল। তেওঁৰ সেইদিনা কেবাটাও স্মৰণযোগ্য অভিজ্ঞতা হৈছিল।

নাটকত ৰজাৰ এটা ঘোৰা আছিল ; আৰু ৰাজ পৰিয়ালৰ এটা ক'লা মেকুৰী আছিল। দুয়োটাকৈ বাঁহৰ দৈয়েদি সজোৱা হৈছিল। জাপি বা টোমৰ দৰে মোৰ দি। ঘোঁৰাটোত এঠাই দিছিল' বগা কাগজ আৰু মেকুৰীটোত ক'লা কাগজ।

নাটকৰ কাহিনীটোত আছিল-দুষ্টা সৰু মাদৈ সুৰুচিয়ে ষড়যন্ত্র কৰি সতী, ধৰ্মপ্ৰাণা বৰ ৰাণী সুনীতিয়ে ৰজালৈ বুলি যোগাৰ কৰা গাখীৰৰ বাতিত মনে মনে বিহৰ গুড়ি পেলাই দিছিল। বেচেৰী সুনীতিয়ে নাজানি লৈ গৈছিল ৰজাক দিবলৈ। ৰজা উত্তানপাদে গাখীৰৰ বাতিটো ধৰবলৈ দি কিবা কথা পাতিছিল ৰাণীৰ সতে। সেই মুহূৰ্ত্ততে ঘৰৰ ক'লা মেকুৰীজনী আহি গাখীৰৰ বাতিত মুখ দিছিল। মুখ দিবলৈহে পালে, অসহ্য যন্ত্ৰণাত চিঞৰি তৎক্ষণাৎ মৰি থাকিল। এই ঘটনাৰ পৰিণতি হিছাপে ৰজাই সুনীতিক দণ্ড দিছিল বনবাস। ক'লা মেকুৰীটো সেইবাবেই লগা হৈছিল।

তেওঁ আৰু এটা কথা লক্ষ্য কৰিছিল। সেয়া আছিল বহুৱাৰ চৰিত্ৰটো। বহুৱাই কেৱল বহুৱালিয়ে নকৰে ; আৰু এটা বৰ প্ৰয়োজনীয় কাম সম্পাদন কৰে। তেওঁ চৰিত্ৰৰ মুখৰ আগত মহলাও ধৰে। মহলাক আৰিয়া বা জোৰো বোলে। বাঁহফালি এমূৰে কাঠি ৰাখি তাত মৰাপাট মেৰিয়াই কেৰাচিন তেল দি জ্বলাই জোৰৰ দৰে ধৰা হয়। চৰিত্ৰই বচন মতাৰ সময়ত মহলাটো সন্মুখত ধৰি দৰ্শকক চৰিত্ৰৰ মুখত প্ৰকাশ পোৱা ভাবৰ অভিব্যক্তিবোৰ দেখুৱা হয়। বহুৱাই সেই মহলা ধৰা কামটোও কৰে।

তদুপৰি এই চাকিবোৰৰো এটা ৰহস্য আছিল। প্ৰথমতে সেইবোৰ তেওঁ ৰাজহুৱা বুলি ভাবিছিল। আচলতে সেইবোৰ কিন্তু ৰাজহুৱা নাছিল। ব্যক্তিগত ঘৰে পূজাত দিবলৈ বুলি সই থোৱা চাকিহে জ্বলোৱা হৈছিল। কোনো ঘৰে এগছি, কোনোবা ঘৰে আকৌ দুগছি বা চাৰিগছি-এনেদৰে দিওতেই চাকিৰে ৰভাতলী ভৰি পৰে। পোহৰত দিন যেন লগা হয়। পুৱা বেলি ওলোৱাৰ লগে লগে নাট্যাভিনয় শেষ হৈছিল। ধ্ৰুব পালাখন চুটি আছিল গুণে তেনেদৰে শেষ হৈছিল ;

দীঘল পালা হলে পুৱা ব'দ টান হোৱাৰ সময়ত এৰি বাকী ডোখৰ আকৌ আবেলি অভিনয় কৰা হৈছিল। তেওঁৰ এনেদৰে যাত্ৰা পাৰ্টিৰ অভিনয় কৰা অভিজ্ঞতা আছে। বাইনৰ অনুপ্ৰেৰণ কৰি পোৱাও নাই আৰু সেইদিনাৰ আগলৈকে দেখাও নাছিল।

এই বাইন যোৰাৰ ৰজাৰ চৰিত্ৰটোৰ অভিনয় অতিশয় ভাল লাগিছিল তেওঁৰ। তেওঁ পাচত দক্ষিণ গণকগাড়ী গাঁৱৰ বাইনৰ দলত ফুৰা মানুহজনক সোধোতে জানিছিল যে, সেই উত্তানপাদ ৰজাৰ ভাও দিয়া মানুহজনো তেওঁৰ লগতে একেলগে এটা বাঙালী যাত্ৰাৰ দলত বাঙালী ওস্তাদৰ তলত অভিনয় শিকিছিল। সেই যাত্ৰাৰ দলটো বঙালীৰ, নলবাৰীৰ বহু ঠাইত ঘূৰিছিল আৰু শেষত তাৰে এজনে কামাখ্যাত এটা আৰু এজনে বামাখাতাত এটা যাত্ৰাৰ দল খুলি শিক্ষা দিছিল। মাহুলীঝাৰৰ গন্ধত ভাও দিয়া উত্তানপাদ ৰজাৰ মুখত যে ইমান শুদ্ধ বঙলা ভাষা শুনা গৈছিল, তাৰ আচল কাৰণ সেয়ে।

: আমি এতিয়া কলৈ গৈছোঁ বাৰু বাইন ?

দক্ষিণ গণকগাড়ীৰ আগতে বাইনৰ দলত সূত্ৰধাৰ হোৱা আৰু উত্তানপাদ ৰজাৰ পাৰ্ট লোৱাজনক অঞ্চলৰ মানুহে বাইন বুলি মতা দেখি তেৱোঁ সেইদৰেই সম্বোধন কৰিছিল। গন্ধৰ পৰা পুৱা নাট্যাভিনয় শেষ হোৱাত বাইন আৰু তেওঁ ওলাই আহিছিল। বাইনে তেওঁক কিন্তু দক্ষিণ গণকগাড়ীৰ পিনে লৈ যোৱা নাছিল। কথাত ব্যস্ত হৈ থাকোতে প্ৰথমতে তেওঁ মন কৰা নাছিল। কথাৰ মাজতে এবাৰ সন্মুখলৈ চাওতে তেওঁ দেখিলে যে তেওঁলোক আহি থকা ৰাস্তাটো দক্ষিণ গণকগাড়ীলৈ যোৱা ৰাস্তা নহয়।

: আহক ঠাকুৰ, গাঁৱত সোমাই যাওঁ। মুখ হাত ধুই ইয়াতে অকণ বহি যাওঁ। মই মুকুণ্ডক কৈ পঠাইছোঁ। সিহঁতৰ তাতে সোমাই যাওঁ।

: গা পা মুধুৱাকে লোকৰ ঘৰলৈ যাবলৈ বেয়া লাগে। কিবা অসুবিধা অসুবিধা নালাগেনে বাৰু ?

: সমস্ত যোগাৰ আগতে কৰি ৰখা হৈছে ঠাকুৰ। মুকুণ্ডৰ হাতত গামোছা, নতুন চুৰীয়া-চোলা সমস্ত গৈছে।

: এইবোৰ আয়োজন আকৌ কিয় ?

: বলকচোন, চব বুজিব। আৰু বুজিবলগীয়া তেনেকে একো নাই। আপুনি আমাৰ এই অঞ্চলৰ আলহী। মুকুণ্ডইঁতৰ ওস্তাদ। গতিকে সি অলপ আয়োজন কৰিছে। তাত অস্বাভাৱিক একো নাই।

: বলক। আপোনাসকলে আগতেই মোৰ হৈ সিদ্ধান্ত লৈ পেলালে যেতিয়া, মোৰনো উপায় কি ?

কথাষাৰ তেওঁ বিশেষ একো নভবাকৈয়ে কৈছিল। কিন্তু মুকুণ্ডইঁতৰ তালৈ সেইদিনা যে গৈছিল তাৰ পাচত আৰু বহুবাৰ যাবলগীয়াত পৰিছিল। মনটো দৃঢ় কৰি নোযোৱাকে থাকিবৰ তেওঁ বহুবাৰ যত্ন কৰিছিল। কিন্তু শেষত প্ৰতিবাৰে নিৰুপায় হৈ তেওঁ যাবলগীয়াত পৰিছিল।

শেষত নিৰুপায় হৈ তেওঁ 'ৰাণা প্ৰতাপ'খন কৰাকে থিৰ কৰিলে। 'স্বৰ্ণময়ী'খন নতুন আৰু কঠিন নাটক। তদুপৰি দক্ষিণ গণকগাড়ীৰ দলটোও নতুন। যাত্ৰাপাৰ্টি নতুনকৈ কৰিব। আগতে 'বাইন' আছিল গাঁৱত। অৱশ্যে বঙলা ভাষাতে কৰিছিল যেতিয়া ভাষাৰ কোনো সমস্যা নাই। কিন্তু বৰকাগুজ, সূত্ৰধাৰ, ঝাকদাৰ-ঝাকদাৰণী বাদ যাব। তেওঁ আকৌ মহলাও বাদ দিব খুজিছে। শিলাৰ কালিকা অপেৰাত আৰু টিহু, মৰোৱা আদিৰ পাৰ্টিয়ে হেনো গেচ লাইট আনিছেই। তালুকদাৰ বোলা ল'ৰাটোক মহাজনে লাইট আনিবলৈ পাৰ্বতীপুৰলৈ পঠাই দিলেই। সৰভোগৰ সৰস্বতী পূজাত দক্ষিণ গণকগাড়ীৰ নতুন যাত্ৰাৰ দলটো মাতিছে। দুটা ৰাতিৰ কাৰণে। মহাজনে পালাও ৰাখিলে। ফলে, ব্ৰজ ঠাকুৰে শিকোৱা বুলি চাৰিওপিনে নাম ফাটি-ফুটি গৈছে যেতিয়া পালা নাৰাখিলে ঠাকুৰৰে বদনাম হব।

তেওঁ শিকোৱা বুলি মানুহে জনা কাৰণেইতো তেওঁৰ ভয় হ'ল। পূজালৈ আৰু পোন্ধৰটা দিনো নাই। গতিকে 'স্বৰ্ণময়ী' কৰাৰ প্ৰশ্নই নুঠে। কিয়নো ডেকাহঁতে নাটকৰ কথাবোৰ ভালদৰে আয়ত্ত কৰিব পৰা নাই। আৰু সেই বাবেই 'ৰাণা প্ৰতাপ' কৰাৰ বাবে সিদ্ধান্ত লোৱা হ'ল। সেইখন পুৰণি নাটক; তদুপৰি 'বাইন' হিচাপে এওঁলোকৰ অৰ্থাৎ ডেকাহঁতৰ পিতাক-দদায়েকহঁতেও সেইখন নাটক কৰিছে। আৰু এটা শুখবৰ। শিলাৰ কালিকা অপেৰা ভাগি গ'ল। ককায়েক কৃষ্ণ আৰু হৰেণ দুই এদিনতে গণকগাড়ী পোৱাৰ কথা। কৃষ্ণই ৰাণা প্ৰতাপ, তেওঁ সপ্তসিংহৰ ভাও যদি লয়; হৰেণে যদি মিউজিক আৰু ডান্স চম্ভালে, বাকীবোৰে নিজৰ নিজৰ সময়মতে মঞ্চত থিয় হলেই হ'ল। বচন নুবুলিলেও ক্ষতি নাই।

সেই বাবেই তেওঁ বহু ভাবি-চিন্তি 'ৰাণা প্ৰতাপ' কৰাকে থিৰ কৰিলে।

: আচ্ছা ঠাকুৰ, অসমীয়াত নাকাটে কিয় নাটকখন ? আপুনিতো কতবাৰ কৰিলে ৰাণা প্ৰতাপখন। আগাগোৰা আপোনাৰ মুখস্থ আছে। এবেলা বহিলেই অসমীয়াত কাটি পেলাব পাৰে। সদায় সদায় বঙলাতে আৰু কিমান অভিনয় কৰিব !

: কাটিব পাৰোঁ, কিন্তু ভাল নহব।

: কাটক, প্ৰথম বাৰ অলপ নৰম হব। পাচততো ঠিক হব। অসমীয়াতে হলে এটা নতুন কথা হবতো। মানুহৰ সমাদৰ লাভ কৰিব। তেওঁ হা না একোকে নকলে। মনতে ভয় হ'ল জানোচা অসমীয়া কাটি পূজাত কৰিবলৈ গ'লে সময়ে নুকুলায়। এইখিনি সময়ত নাটকখন নতুনকৈ অসমীয়াত কাটি ৰাণা প্ৰতাপ আৰু সপ্তসিংহ পাৰ্ট দুটা মুখস্থ কৰাই দেখোন কঠিন হব। মনতে অৱশ্যে সংকল্প ললে, পূজাটো যাওক, তাৰ পাচত ধীৰে-সুস্থে কামটো কৰিব লাগিব। কামটো কৰিবই লাগিব। তেওঁ তেওঁৰ বহাত মহাজনৰ সতে কথা পাতি আছিল। সেই দিনা মহাজনে নিজেই তেওঁৰ সিধাটো লৈ আহিছিল। লগতে পাৰ চৰাই এযোৰো আনিছিল। সেই পাৰ চৰাইবোৰৰ পিনেই তেওঁ ভেবা লাগি চাই আছিল। আচলতে পাৰচৰাইৰ কথা তেওঁ ভবাই নাছিল। তেওঁ ভাবিছিল নাটকৰ কথা, মহাজনে উঠোৱা প্ৰস্তাৱটোৰ কথা। মহাজনে তাৰ পিনে চাই আকৌ কলে—

: পাৰ দেখি ভয় খাব নালাগে। চৰ্পাক কৈছোঁ ; সি কুটি বাছি ঠিক কৰি দি যাবহি।

: মই পাৰৰ কথা কোৱানাই।

: আপুনিতো একোৰে কথা কোৱা নাই। নাটকৰ পাচে কি কৰিলে ?

: 'ৰাণা প্ৰতাপ'কে লওঁ। নতুনকৈ একো নকৰোঁ। সময় নহব। আগৰ দৰেই থ'ক সম্প্ৰতি। পূজাটো যাওক। পাচত ধীৰে সুস্থে ধৰা যাব। নে কি কয় ?

: আপোনাৰ হে কথা। মই আকৌ কি ক'ম ? মই বাঞ্ছা কৰিব পাৰোঁ ; আগ্ৰহ কৰিব পাৰোঁ। কিন্তু কামটোতো কৰিব লাগিব

আপুনি। আৰু আপুনি যি কলে, সেয়া ইমান যুক্তিপূর্ণ, ইমান সুবিবেচনা কৰি কলে যে, তাত আনৰ একো কবলগীয়া থাকিবই নোৱাৰে। মইও ভাবিছোঁ, সেইটোৱে ভাল হব। পূজাৰ পাচতে কামটো হাতত লওক। আপোনাসকলৰ দুই ভায়েকে কৰিলে 'ৰাণা প্ৰতাপ'খন হেনো বৰ জমে। টিহুৰ দেউলত তেওজ বেলি আৰু নলবাৰীৰ যোৱা লক্ষ্মীপূজাত আপোনাসকলৰ কালিকা অপেৰাৰ ৰাণা প্ৰতাপে হেনো হেজাৰ হেজাৰ দৰ্শকক মুগ্ধ কৰিছিল। বিশেষকৈ নলবাৰীত কৰা কৃষ্ণ শৰ্মাৰ ৰাণা প্ৰতাপ আৰু আপোনাৰ সপ্ত সিংহৰ ভাওটো, আৰু টিহুত আপুনি কৰা ৰাণা প্ৰতাপৰ ভাওৰ কথা আজিও সেই অঞ্চলৰ মানুহৰ মুখে মুখে। সৰভোগৰ স্কুলেও ৰাণাপ্ৰতাপৰ কথাহে প্ৰচাৰ কৰিছে। যাত্ৰা দলটোৰ পহিলাৰ নাটকখন যদি জমে, আৰু কোনে ৰাখে!

প্ৰথম নাট্যাভিনয়তে যদি মানুহক মুগ্ধ কৰিবপৰা যায় তেনেহলে মহাজনেও এনেয়ে বহি নাথাকে; তেৱেঁ দলটোৰ কাৰণে নতুন পোছাক, বাজানা আৰু কেইপদমান আৰু এটা ৰয়েল কিনি দিব। মহাজনে সুখৰ দিনৰ সম্ভাৱনাৰ কথা চিন্তা কৰি মগ্ন হৈ আছিল। ঠিক সেই সময়তে তালুকদাৰ আহি ওলালহি।

: আপুনি ইয়াতেহে আছেহি। মই বিচাৰি হয়ৰান। তালুকদাৰৰ মাত শুনি মহাজন ঘপ্ কৰে বহাৰপৰা উঠি বাহিৰলৈ চাই কলে—

: ক'তা, কি আনিলি? নে নেপালিয়েই লাইট?

: নেপালোঁ মানে? অঁ গেচ লাইট নেপালোঁ।

: নেপালি মানে? তাৰ মানে তই একো লাইটকেই নানিলি?

: আনিলোঁ। গেচ লাইটৰ বাপেকক আনিলোঁ।

: তই পুৰণা আনিলি কেলেই? নতুন নানিলি কেলেই?

মহাজনে একেবাৰে হতোদ্যম হৈ সুধিলে—

তালুকদাৰে হাঁহি হাঁহি কলে—

: ডে লাইট আনিছোঁ। দুটা আনিছোঁ। গেচ লাইটতকৈ দহ গুণ-মান বেচি পোহৰ। বাতি জ্বলালে একেবাৰে দিন যেন পোহৰ হয়।

: ক'ত? চাওঁ।

: আপোনাৰ দোকানত থৈ আহিছোঁ।

: তইও যে, একেবাৰে ইয়ালৈ লৈ নাহিলি কেলেই? ঠাকুৰেও চালেহেঁতেন। মোৰ কি? আচলতে তেওঁহে মালিক। যা, লৈ আহগৈ। তালুকদাৰ যোৱাৰ পাচত তেওঁ মহাজনক কলে—

: মিছামিছি কষ্ট দিলে ল'ৰাজনক।

: এইটো আকৌ কষ্টনে?

: তেওঁলোকে আপোনাক বৰ মানে নহয়, মহাজন?

: ভাল কলে আপুনিও। সিহঁতে মোক মানিব? মই মানো সিহঁতক। এদিন সিহঁতৰ কিবা এটা কথা নাৰাখোচোন গোটেই কিটাই গৈ দোকানৰ সন্মুখত নাখাই নবৈ আমন জিমন কৰি, মাতবোল নকৰাকৈ বহি থাকিব। বান্দৰ কেইটাই জানে মই সেই দৃশ্য সহি থাকিব নোৱাৰোঁ বুলি। সেইবাবে সিহঁতে মোক তেনেদৰে চাজা দিয়ে। সিহঁত ইমানেই বজ্জাত। সামৰিব নোৱাৰা স্নেহৰ অনুভৱে মহাজনৰ চকুযোৰ চলচলীয়া কৰি দিলে। মহাজনৰ স্নেহ বিগলিত মুখখন দেখি তেওঁ অভিভূত হৈ পৰিল। খন্তেক নিৰৱতাৰ পাচত তেওঁ কলে—

: বুজিছে মহাজন, মই ভগৱানৰ স্বৰূপ উপলব্ধি কৰা নাছিলোঁ। বস্তুতে কলে, তুমি মহাত্মা গান্ধীক দেখিব লাগিছিল তেতিয়া নিশ্চয় ভগৱানৰ স্বৰূপ উপলব্ধি কৰিলাহেঁতেন। মোৰেই পোৰাকপাল, মহাত্মা আছিল, অথচ মোৰ দেখাৰ সৌভাগ্য নঘটিল। আজি কিন্তু আপোনাক দেখি সেই স্বৰূপ উপলব্ধি কৰা যেন লাগিছে।

: ঠাকুৰ, আপোনাৰ কথা বন্ধ কৰক, মোৰ আৰু পাপ নবঢ়াব। এনেতে হৰেণ আৰু কৃষ্ণ সোমাই আহিছিল। হৰেণে কিবা এটা গীত গাই আহিছিল। মহাজনক দেখি হঠাৎ স্তব্ধ হৈ গৈছিল। তাকে দেখি মহাজনে সুধিলে—

: কি হ'ল? বৈ গ'ল যে?

: নাই এনেয়ে।

অলপ সপ্ৰতিভভাৱে হৰেণে কলে। মহাজনে শৰ্মাৰ পিনে চাই খেদ কৰি কলে—

: বুজিছে ঠাকুৰ, এই গুণবোৰ খোদ ভগৱানে মানুহ চাই চাই দিয়ে। ভগৱানে যদি দিয়া নাই, আপুনি হেজাৰ চেষ্টা কৰক একো নহয়।

শৰ্মাই হাঁহি হাঁহি সুধিলে—

: আপুনি চেষ্টা কৰিছিল চাগে'?

: চেষ্টা কৰা মানে? আমাৰ এই বাইনৰ লগত পুহ মহীয়া জাৰত ৰাতিপুৱা বেকীত গৈ এডিঙি পানীত থিয় হৈ গলা কঁপাই কঁপাই সুৰ টানো। বাইনৰ সুন্দৰ গলা হ'ল। গাঁৱৰ বাইন দলৰ সূত্ৰধাৰ হৈ যশস্যা লাভ কৰিলে। আৰু মই হলোঁ। মূৰত মাৰ শোধালেও মুখেৰে এটা সুৰ নোলোৱা জৰদ্গব।

মহাজন আৰু শৰ্মাৰ হাঁহিত ঘৰ ৰজনজনাই গৈছিল। অলপ পাচতে হঠাতে কি ভাবি জানো শৰ্মাক সুধিলে—

: ঠাকুৰ, কথা এটা সোধো, বেয়া নাপাব।

: নাপাও দিয়ক।

: আপোনাৰ নামটো বজ্ৰ শৰ্মা নে ব্ৰজ শৰ্মা বাৰু?

: ব্ৰজ শৰ্মা।

: শ্ৰীকৃষ্ণ গোপিনীৰ ব্ৰজধাম যে?

: অঁ সেয়ে।

: বৰ ভাল নাম দেই।

নামটো শলাগিয়েই তেওঁ চাৰিওপিনে আন কোনোবা আছে নেকি চাই ললে। হৰেণ আৰু কৃষ্ণ ইতিমধ্যে বাটলৈ ওলাই গৈছিল। মহাজনে গোপন কিবা এষাৰ কোৱাৰ দৰে কলে—

: ঠাকুৰৰ নামটো হ'ল ব্ৰজ। পিচে গোপিনী বিনে ব্ৰজধাম সুদা সুদা নালাগেনে ঠাকুৰ?

: লাগিলেই যেনিবা, কিন্তু গোপিনী পাওঁ ক'ত মহাজন?

: আমি চাই চিতি দিম নহয়। যুঁজিবলৈ ওলাইছে যেতিয়া গড় বান্ধি যুঁজক ঠাকুৰ।

: বাৰু সেইবোৰ পাচতো হব বাৰু? এতিয়া পূজাত ৰাণা প্ৰতাপেই ঠিক হবতো?

'ৰাণা প্ৰতাপ'খন যে ইমান ভাল, ইমান সুন্দৰভাৱে অভিনীত হব পাৰে সৰভোগৰ ৰাইজে সেই প্ৰথম উপলব্ধি কৰিলে। ৰাতি অসংখ্য মানুহ। প্ৰথম ৰাতিতকৈ দ্বিতীয় দিনাৰ ৰাতি আৰু বেছি দৰ্শক।
পূজা আৰু এটা আকৰ্ষণ আছিল ডে লাইট দুটা। মেণ্টল্-লাইটেই, কিন্তু দিন যেন পোহৰ কৰে কাৰণেই বোধকৰোঁ ডে লাইট।
দ্বিতীয় দিনাৰ অভিনয়ৰ শেষত তালুকদাৰ, ৰাজো, চৰ্পাইঁতে মহাজনৰ দোকানঘৰৰ সন্মুখত বহি এইবোৰকে কথা পাতি আছিল। বাইনো আহি মহাজনৰ সতে দোকানঘৰৰ ভিতৰত ধপাত হুপি পালাৰ কথাকে কৈ আছিল। মহাজনে কৈছিল—

: বুজিছা বাইন, এইবোৰেই ভগৱানৰ লীলা।

: সঁচাকে লীলাই দিয়াচোন। এইবোৰেই অৱতাৰ। ক'ৰ শিলাৰ পদ্মনাথ অধ্যাপকৰ পুতেক ব্ৰজনাথ আৰু ক'ৰ মেৱাৰৰ সপ্তসিংহ। বুজিছা, যেতিয়া সপ্তসিংহ ওলাল মই পহিলাতে ধৰিবই পৰা নাছিলোঁ সেই-টোৱেই যে আমাৰ ঠাকুৰ। অৱতাৰী পুৰুষ নো কি হে, এইবোৰেই নহয় জানো? হেৰা, ককায়েকটোও কম নহয়। ৰাণা প্ৰতাপ নে ৰাণা প্ৰতাপ। কি চমৎকাৰ ভাও দিলে। এইবিলাক বুজিছা, ভগৱান-প্ৰদত্ত। শাক-ভাত খোৱা নৰমনিচৰ কথা নহয়।

হেৰা মহাজন, ঠাকুৰ আছেনে বহাত?

: আছে যদিও পূজা-আহ্নিকত ব্যস্ত চাগে। অলপ পাচত ওলাব বাহিৰলৈ। সময় কিমান হ'ল বাৰু?

: মেইলখন অলপ আগতে গৈছে। বেকীৰ দলঙত শব্দ শুনিলোঁ।

: তেনেহলে ওলাবৰ সময় হৈছে। ইয়ালৈকেই আহিব প্ৰথমে।

: উস্ বাপ্, কি দেখিলোঁ হে! নিজেও কতদিন ফুৰিলোঁ দিয়াচোন বাইনৰ দলত। ভাও নিজে দিলোঁ, আনবো দিয়া দেখিলোঁ। কিন্তু

এই বামুন ভায়েক-ককায়েক হালৰ ভাও, মই জীৱনত দেখা নাই এনে-ধৰণৰ ভাও দিয়া। বচন কি বজ্ৰগম্ভীৰ, দুয়োটাৰে কি গজেন্দ্ৰগমন!

: আৰু সেইটোৰ কথা পাহৰিলা? ভাগিন নে মোমায়েকৰ পুতেক বুলি কলে, হৰেণ শৰ্মাটো যে?

: বাপ্, তাৰো যে গলা? বিবেকৰ গানো যে ইমান শ্ৰুতিমধুৰ হব পাৰে। আৰু সি বজাব নজনা বাজনাচোন নায়েই।

: গানটো কি বুলি ক'লা বাইন? চুটি কি ক'লা?

: চুটি নহয় হে শ্ৰুতিমধুৰ! মানে শুনাত শুৱলা।

: তুমি নুবুজা কথাবোৰ কোৱা মাজে মাজে। বুজাকে কবা আকৌ।

: বাইনত ৰজা হৈ, সূত্ৰধাৰ হৈ এনেয়ে ফুৰিলোঁ নে ইমান বছৰ! এই হৰেণটোও বুজিছা, আগৰ জন্মত সি কিবা বিদ্যাধৰ-ভিদ্যাধৰ আছিল নিশ্চয়।

এনেতে তেওঁ বহাৰ পৰা ওলাই আহিল আৰু মহাজনৰ খবৰ ললে, এনেয়ে।

: মহাজন আছেনে?

: অ' ঠাকুৰ, আছোঁ আহক। সোমাই আহক। ইয়াতে আমাৰ বাইনো আছে।

: ঠাকুৰ আহক; আপোনাৰ কাৰণেই বাট চাই আছোঁ। বাইনেও ভিতৰৰ পৰা সহাৰি দিলে।

তেওঁ সোমাই আগবঢ়াই দিয়া মাচিয়াখনত বহাৰ লগে লগে মহাজনে কলে—

: আপুনি অহাই ভালেই হ'ল। আমি কথা এটা ভাবিছিলোঁ। আপোনাৰ বিষয়ে। পিচে আপোনাক সোধাহে হোৱা নাই।

: সেই কথাটো নেকি?

: নাই নাই গোপিনীৰ কথা নহয়। আমি বেলেগ কথা ভাবিছোঁ। এইটো হৈ যোৱাৰ পাচতহে গোপিনীৰ কথা।

: কি কথানো?

: শিলাত আপোনা সকলৰ পথাৰৰ মাটিবোৰ হেনো বিল হৈ গ'ল। সেয়ে ভাবিছিলোঁ আপুনি আমাৰ ইয়ালৈকে উঠি আহক। বেকীৰ পাৰত আমি ভাল মাটি চাই থৈছোঁ আপোনাৰ কাৰণে। আমি ভাঙিছোঁৱেই! ভাল খেতিৰ মাটি। বস্তীৰ কাৰণেও দুই বিঘা ঠিক কৰিছোঁ।

তেওঁ প্ৰস্তাৱটো শুনি মনে মনে থাকিল। আচলতে আগ-পিচ চিন্তা কৰি চালে। অৰণ্যে তেওঁৰ দেউতাকতো সকতেই মৰিছে। এতিয়া মাকো মৰিল যেতিয়া তেওঁৰ কোনো পিছটান নাই। শিলাগাঁওখনতেই বা কি আছে? ভূমিকম্পৰ পাচৰ পৰা আগৰ শিলা আৰু নাই।

: মই আহিম।

: হেঃ, মাটিটো চাই লওক। সেইবোৰ নোচোৱা নেমেলাকে চিধা দেখোন কৈ দিলে আহিম বুলি?

: মহাজন, আপোনালোক মোৰ আপোন মানুহ। আপোনালোকে যিটো ভাল বুজে তাত মোৰ প্ৰশ্ন কৰিবলগীয়া একো নাথাকে।

: তেনেহলে আহক। আমি বাইজে এটা ঘৰো সাজি দিম। খেতি এইবাৰৰপৰাই আধি লগাই দিম।

: হব। মোক কবই নালাগে।

: আমি আৰু এটা ভাল বুজিছোঁ ঠাকুৰ।

: কওকচোন।

: আপোনাৰতো একুৰি সাত বছৰেই হ'ল। সংসাৰ পাতক। আমি ছোৱালী ঠিকেই কৰিছোঁ।

: ক'ত বাৰু?

: মুকুণ্ডৰ ভনীয়েকজনী।

তেওঁ হঠাৎ ইমান মুক্ত কথাষাৰ মনত জীন নিয়াবলৈ টান পাই থতমত খাই মনে মনে থাকিল। মহাজনৰ কথাষাৰ যেন মুখত হঠাৎ মাৰি দিয়া থকবা-মুকুতিহে আছিল এনেদৰে তেওঁ থমক খাই গৈছিল। তেওঁক নীৰৱে থকা দেখি মহাজনে আকৌ কলে—

: আপুনি চিন্তা কৰিব নালাগে; ঘৰখন ভাল, ছোৱালীজনীও বৰ

জ্ঞানী বুলি জানো, নে কি কোৱাহে বাইন ? চিন্তাৰ কাম নাই। আপুনি কেৱল সম্মতি দিয়ক ; সমস্ত ব্যৱস্থা আমাৰ।

: নহয় মহাজন, সেইবোৰ চিন্তা মই কৰা নাই। কিন্তু ঘৰত দাদাহঁত আছে। এযাৰ সুধি চাব লাগিব। ছোৱালী সম্বন্ধে কবলগীয়া মোৰ একো নাই।

কথাষাৰ কোৱাৰ লগে লগে তেওঁ অন্যমনস্ক হৈ পৰিল। মনলৈ আহিল বাইনৰ লগত সেই গন্ধৰ পাচদিনা মুকুণ্ডহঁতৰ ঘৰলৈ পোন প্ৰথমে যোৱা দিনটোৰ কথা। মুখ-হাত ধুবলৈ পানী, গামোছা আদি যতনাই দিয়াৰ সময়ত তেওঁ ছোৱালীটিক চকামকাকৈ দেখিছিল। তাৰ পাচতো কেবাবাৰো তেওঁ গৈছিল সেইখন ঘৰলৈ। কিন্তু কোনোবাৰে তেওঁ আৰু ছোৱালীটিক দেখা পোৱাৰ সুযোগ পোৱা নাছিল। সুযোগ নোপোৱা বাবেই হয়তো তেওঁ ছোৱালীজনীৰ প্ৰতি এক অদ্ভুত ধৰণৰ আকৰ্ষণ অনুভৱ কৰিছিল।

তেওঁ মনতে ভাবিলে সময় পালেই তেওঁ এবাৰ ঘৰৰ পৰা গৈ আহিব। দাদাকৰ মতামত লব। লগত থকা ককায়েক কৃষ্ণ শৰ্মাইতো তেওঁৰ মততেই মত দিব।

বাইনে যেন ইমান পৰে তেওঁৰ মনৰ কথাই শুনি আছিল এনেদৰে কলে—

: মহাজন, এবাৰ ঠাকুৰক ঘৰলৈ পঠাই দিয়া। লগত গাঁৱৰ ডেকাও ছুটামান পঠাই দিয়া। ইয়ালৈ একেবাৰে উঠা দিয়ে আহক। লগতে এই কথাটোও ঘৰৰ ডাঙৰবিলাকৰ সতে আলোচনা কৰি আহক। নে কি কয় ঠাকুৰ ?

: হব। আপোনাসকলে যি ভাল দেখে সেয়ে হব।

: তেনেহলে ঠিকেই হ'ল একৰকম। মহাজন, দিয়া এতিয়া, বিয়াৰ যা-যোগাৰ কৰাই আৰু। মোৰ ভাগত কি পৰে কোৱা।

: হেৰিছে বাইন, তোমাৰ যে সেই দহইৰা সখিজন আছে, মথা গাখীৰ দুই মোণৰ কথা কৰাহে। এতিয়াই নহয়, বিয়াৰ-দিন বাৰ ঠিক হওক। মাঘতো গলেই। ফাগুনত ভাল দিন নাই, চ'তভো মল মাস।

হলে একেবাৰে বহাগতহে হবগৈ। মাজতে দুটা মাহ আছেই। তথাপি এতিয়াতে অকণ কাণ চুৱাই থবা।

: হব দিয়া। পিচে দুই মোনে আটিব জানো? তিনি মান কম দিয়া। সখিৰ নো কিহে, এদিনৰ আগতে কলেও হেলায় পাঁচ মোণ পৰ্যন্ত দিব পাৰে। তুমি চিন্তা নকৰিবা। এতিয়া চব কথা ঠাকুৰৰ ওপৰত নিৰ্ভৰ কৰিছে। কিন্তু ঠাকুৰ, বিয়া আমি পাতিমেই। আৰু ইয়াতে পাতিম।

বিয়াখন বহাগতে হ'ল। মুকুণ্ডৰ ভনীয়েকজনীকে তেওঁৰ ঘৰৰ সকলোৱে পচন্দ কৰিলে। শিলাৰ পৰাই বিয়াখন হৈছিল। দক্ষিণ গণকগাড়ী আৰু মাতুলীঝাৰ দুয়োখন গাঁৱৰ গঞাই বিয়াখনত উঠি পৰি লাগিছিল। বিয়াৰ পাচত তেওঁ একেবাৰে দক্ষিণ গণকগাড়ীলৈ উঠি আহিছিল। শিলাত তেওঁৰ একোৱে নাছিল। আকৰ্ষণৰ একমাত্ৰ স্থল শিলাৰ কালিকা অপেৰাও ইতিমধ্যে ভাগি গৈছিল।

: গড় বান্ধি ললে যেতিয়া, এতিয়া আৰু নিজৰ কামত একাণ-পতীয়াকৈ লাগিব পাৰিব।

কৃষ্ণ শৰ্মাই মহাজনৰ সতে কথা পাতি আছিল। মহাজনৰ মন্তব্যযাবৰ উত্তৰত কৃষ্ণ শৰ্মাই একো নকলে। তেওঁ আচলতে চিন্তিত হৈ পৰিছিল। কালিকা অপেৰাৰ নবীন মস্তানি, হৰেণ আৰু তেওঁ নিজে ইয়ালৈ আহিল। কিন্তু উদয় শৰ্মা আৰু জনাৰ্দনৰ বিশেষ সংস্থান নহ'ল। ইতিমধ্যে বজালীৰ গনাৰ্গাৱৰ চন্দ্ৰ চৌধুৰী আৰু তমাৰকুৰৰ ৰজনীক ইয়ালৈ অনাৰ বাবে ব্যৱস্থা কৰিছে। এই ডেকা দুজন অৱশ্যে প্ৰচুৰ সম্ভাৱনাপূৰ্ণ। বিশেষকৈ চন্দ্ৰ বোলাজন অসামান্য প্ৰতিভাৰ অধিকাৰী। লগতে উদয় আৰু জনাৰ্দনকো আনিবপৰাহেঁতেন বৰ ভাল হ'ল-হেঁতেন।

ইপিনে আকৌ ভায়েকক লৈও চিন্তা হৈছে। তেওঁ কিছুমান উদ্ভট কথা ভবা হৈছে আজিকালি। তেৰোঁ হয়তো আৰু বেচিদিন নাথাকিব এই গণকগাড়ীৰ দলত।

: হেৰি নহয় ডাণ্ডৰ ঠাকুৰ, বীণাপাণি অপেৰা, ভোলানাথ অপেৰা এইবিলাকৰ অভিনয় কেনে পায় বাৰু ?

: এইবোৰ হ'ল কলিকতীয়া দল। পোছাক পাতি যোগাৰ কৰা, মিউজিকৰ দিশত নতুন কৌশল লগোৱা এনেবোৰ কথা সিহঁতৰ কাৰণে

একেবাৰে সহজ; আনহাতে আমাৰ ভাল পোছাক এটা লাগিলেও কলিকতা; নতুন ক্লাৰিঅ'নেট এটা কিনিবলৈ হলেও কলিকতা।

: আমাৰ এই বৰপেটাৰ ওজাইঁতে দোকানত সেইবোৰ বস্তু ৰাখিব পাৰে চোন।

: ৰাখে, কিন্তু নিতউ নতুন নতুন ধৰণৰ বস্তু ওলায়ে আছে নহয়। গুৱাহাটীতো ঢাকাপটীত নতুনকে এখন দোকান দিছে। মহাজনে আৰু একো মন্তব্য নিদিলে। তেওঁ তেওঁৰ দোকানৰ বহল দুৱাৰখনেদি বাহিৰত আকাশত উৰি ফুৰা ডাৱৰ এচপৰালৈ চাই থাকিল। খন্তেক পাচত তেওঁ এটা হুমুনিয়াহ কাঢ়ি কলে—

: ভঠেলি আৰু বাসন্তী পূজাত এইবাৰ কি হয় ঠিকনা নাই।

: কিয়?

: বতৰটো বেয়া হয় নেকি?

: তথাপি পূজা নপতাকৈ থাকিব নে মানুহে?

: পাতিব। কিন্তু বতৰ বেয়া হ'লে যাত্ৰাৰ দলে কষ্ট পাব। দেহৰ কষ্ট বাদেই; পোছাক-পাতি, বাজনা আদি নষ্ট হয় যে।

: তথাপি যাবই লাগিব। দুৰ্গাপূজাৰপৰা বাসন্তী পূজালৈ এই ছটা মাহেইতো আমাৰ বতৰ। এইবাৰ ভঠেলিত নাযায় বুলি কলে হেনো। ভঠেলি এখনমান ৰাখিব পৰা হলে ভাল আছিল।

: নাই বৰ কষ্ট হব। দহ মাইল বেলত গৈ ডেৰ কুৰি মাইল খোজ কাঢ়ি পালা কৰি তাৰ পাচতে আকৌ ভৱানীপুৰত, তাপাত, ছাফাকাসাৰত পালা। একেলেঠাৰীয়ে। তাৰ পৰা আকৌ গলিবান্ধাত। সম্ভৱ হলেও বৰ কষ্ট হব। বিশেষকৈ সৰু সৰু ছোকৰাকেইটাৰ। ভাৰ নিয়া কিটাও বৰ কষ্ট পায়। সাতটা আঠটা টকাৰ কাৰণে ইমান কষ্ট কৰিব নোৱাৰি।

: ভবানীপুৰততো অসমীয়া ভাস্কৰ পণ্ডিত বোধকৰোঁ?

: অঁ, আমাৰ ঠাকুৰে কটা পালা। এইবাৰ ঠাকুৰৰ আকৌ কি থিয়েটাৰলৈ মন গ'ল?

: নতুন হাৱা বলিছেতো। তাতে বঙালিৰ মানুহ অকণ আগবঢ়া বিধৰ। বঙালিত পালাখনো বেলেগ লৈছে।

: আপুনি দেখোন নগ'ল ?

: নগলোঁ।

: আপুনি যে নেযায় মই জানো।

কৃষ্ণ শৰ্মাই একো নকলে। মহাজনে একো নতুন কথা কোৱা নাই। যাত্ৰাৰ দলটো ভালদৰে সংগঠিত হৈ ঠন ধৰি উঠাৰ আগতেই ব্ৰজ শৰ্মাই যিমানবোৰ নতুন কৰাৰ কথা ভাবিছে, তেওঁ মনতে কথাটো পচন্দ কৰা নাছিল। সেইবাবে তেওঁ বহুতকে তেওঁৰ মনৰ কথাটো ব্যক্ত কৰি কৈছিল। মহাজনৰ আগতো তেওঁ ব্যক্ত কৰিছিল তেওঁৰ মনৰ আঁসোৱাহৰ বিষয়ে। মহাজনে হাঁহি হাঁহি আশ্বাসৰ সুৰত আকৌ কলে—

: বুজিছে ঠাকুৰ, আপোনাৰ ভায়েকৰ কথা ভাবিলে মোৰ ভগৱানৰ মৎস্যৰূপৰ কথা মনত পৰে।

: মানে ?

: তেওঁৰ কায়া যে সাগৰতো নধৰিলে। আপোনাৰ ভায়েকৰো মনৰ হাবিয়াস যে কিমান বিৰাট, গণকগাড়ীৰ দৰে গাঁৱৰ সৰু যাত্ৰাৰ দল এটাই তাক ধৰিয়ে বা ৰাখে কেনেকৈ ?

: কিন্তু আপুনি যিয়ে নকওক যাত্ৰাৰ কথাই বেলেগ। তাত বেলেগ ধৰণৰ এটা আভিজাত্য আছে। বাৰু সেইবোৰ বাদ দিয়ক, মই কিয় আহিলোঁ সোধক।

: অঁ ! কওকচোন বাৰু ?

: আপুনি বাৰু ডুবিলৈ গৈছেনে ?

: নাই যোৱা, কিয় বাৰু ? হঠাৎ যে ডুবিৰ কথা মনত পৰিল ? ভাৰতত ইমান জেগা থাকোতে ডুবিৰ কথা ?

: তাৰ পৰা এজন মানুহ অহাৰ কথা আছে।

: কোন মানুহ ? আৰু আহিব কলৈ ?

: মানুহজন কোন নাজানো। মই সিদিনা খবৰপৰা আহোতে পাইছিলোঁ বেলত। কিবা নাচনীৰ দলত সুৰে। মেনেজাৰ নেকি ? আহিব ইয়ালৈকে। আমাৰ এওঁ কিবা খবৰ পঠাইছিল নেকি ?

: কোনে ? ঠাকুৰে ?

: উঁ ।

: আহিবৰ কথা কেতিয়া ?

: আজি ।

মহাজনে নিৰয় হৈ কিবা চিন্তা কৰিলে। কৃষ্ণ শৰ্মাও গহীন হৈ বৈ গ'ল। দুয়ো বহুত পৰলৈ নিথৰ নিতাল মাৰি বহি থাকিল। এনেতে বাহিৰত কাৰোবাৰ পদশব্দ শুনি কৃষ্ণ শৰ্মাই ঘূৰি চাইছিল।

ঘূৰি চাই যাক দেখিছিল। তেওঁ সপোনতো তাক দেখিব বুলি ভবা নাছিল।

তেওঁ অলপ আগতে গোসাই ঘৰত ঘটি যোৱা ঘটনাৰ কাৰণে নিজকে জগৰীয়া কৰি কাকো মাতবোল নকৰাকৈ খঙ আৰু অপমানত ঘৰলৈ ঘূৰি আহিছিল আৰু চোতালত এটা মূঢ়াত বহি ঘটনাটোৰ কথাকে ভাবি আছিল।

গোসাইঘৰত জন্মাষ্টমীৰ দিনা টিহু মনোৰমা থিয়েটাৰ পার্টিয়ে 'পৃথ্বীৰাজ' নাটকখন কৰাৰ কথা। তাত তেওঁকো এটা ভাও দিয়াৰ কথা আছিল। কিন্তু হঠাৎ জানো কি হ'ল, থিয়েটাৰ পার্টিৰ মেনেজাৰ কলিতাই দেখোন কলে যে, তেওঁ ভাও দিব নালাগে। মেনেজাৰে গোসাইঘৰত ৰাইজৰ সন্মুখতে কৈ দিলে যে, নাটকখন বৰ টান, তাত নতুন লৰাক ভাও দিবলৈ দিলে বিপদ হব পাৰে।

তেওঁৰ হঠাৎ খঙ উঠি গৈছিল আৰু মেনেজাৰক বহুত কিবা কিবি কৈ দিছিল। তেওঁ ইমান বেয়াকৈ কৈছিল যে, মেনেজাৰৰ দৰে বয়সস্থ লোক এজনক এটা ফুকলিয়া ল'ৰাই তেনেদৰে কোৱা দেখি ৰাইজে তেওঁক কৰ্কথনা কৰিছিল। খঙ আৰু অপমানত তেওঁ একৰকম দৌৰিয়ে ঘৰ পাইছিলহি আৰু অক্ষম ক্ৰোধটো শাম কটাবলৈ তেওঁ মূঢ়াত বহি ভাবি আছিল; মনক প্ৰবোধ দিবৰ যত্ন কৰিছিল।

এনেতে হঠাৎ তেওঁৰ নাম ধৰি কোনোবাই মতা শুনি তেওঁ ঘূৰি চাই যাক দেখিছিল, তেওঁ স্তব্ধ হৈ পৰিছিল। অলপ পাচত নিজকে চম্ভালি তেওঁ সহাৰি দিছিল—

: অঁ মেনেজাৰ খুৰা দেখোন। কি হ'ল? আহক, বহক।

: মই নবহোঁ। তোক ৰাওমলৰ পাৰ্টটো দিয়া ঠিক হ'ল। গধূলি আহিবি, ৰিহাৰ্চল আছে। মই যাওঁ। তই যেনে তেনে আহিবি।

তেওঁ মেনেজাৰৰ আগ্ৰহৰ নিমন্ত্ৰণ পাই অভিভূত হৈ পৰিছিল আৰু জন্মাষ্টমীৰ দিনা গোসাঁইঘৰত অস্থায়ী মঞ্চত প্ৰাণঢালি অভিনয় কৰিছিল। সেইদিনা পৃথ্বীৰাজৰ ভাৱত আছিল মিশ্ৰ, জয়চাঁদৰ ভাৱত আছিল বনমালী ডেকা আৰু মহম্মদঘোৰীৰ ভাৱত মাধৱচন্দ্ৰ কলিতা নিজেই। নাৰীচৰিত্ৰত সংযুক্তাৰ ভাও লৈছিল লক্ষেশ্বৰ শৰ্মাই।

তেওঁ মঞ্চত ওলোৱাৰ আগলৈকে ভয় কৰিছিল, জানোছা এই অভিজ্ঞ সকলৰ মাজত তেওঁ ভুচুংপহুটোৰ দৰে হাঁহিয়াতৰ পাত্ৰ হৈ পৰে!

মঞ্চত ভৰি দিয়াৰ লগে লগে অৱশ্যে ক'ৰ ভয় কলৈ গ'ল তেওঁ নিজেই নাজানে। অভিনয়ৰ শেষত পৰিচালক মিশ্ৰ আৰু মেনেজাৰ কলিতাই তেওঁক সাবটি ধৰি মূৰ চুই আশীৰ্বাদ দিছিল। এজন আদহীয়া দৰ্শকেতো কৈয়ে পেলালে যে, বৰনগৰত ব্ৰজ ঠাকুৰ, বৰভাগত হ'ল এই যোগেন ঠাকুৰ। তেওঁ অৱশ্যে সেই মন্তব্যষাৰ কাণত পৰাত লাজ পাইছিল। ক'ত অভিজ্ঞ আৰু অসামান্য প্ৰতিভাৰ অধিকাৰী ব্ৰজ শৰ্মা আৰু ক'ত তেওঁৰ দৰে অনভিজ্ঞ, ন-শিকাৰু যোগেন শৰ্মা!

এতিয়া অৱশ্যে আৰু সেই স্মৃতিবোৰ লৈ তেওঁ লাজ বা গৰ্ব একোকে অনুভব নকৰে। পুৰণি কথাবোৰ মাজে মাজে মনলৈ আহে। কেতিয়াবা আজৰি সময়ত, অথবা হাতত কৰিবলগীয়া একো নাথাকিলে হঠাতে সেইবোৰ মনলৈ আহি জৰ্মাই তোলেহি। কিন্তু কেৱল সেয়ে শৰতৰ হঠাৎ আহি পৰা নিষ্ফল বৰষুণ এজাকৰ দৰে, মনটোক মাজে মাজে পিছটান দি অনাহক উদ্বেলিত কৰে।

সেই মুহূৰ্ততো তেওঁৰ টিহু মনোৰমা থিয়েটাৰ, টিহু গুৰুদেৱ অপেৰা এই দলবোৰৰ সতে জড়িত থকা দিনৰ নানান স্মৃতিয়ে মন ভাৰাক্ৰান্ত কৰি দিছিলহি। তেওঁ বনিয়াকুছিৰ বীণাপাণি অপেৰাৰ দলটোৰ সতে গৈ আছিল। দলটোৰ আনবোৰৰ পিচত তেওঁ অকলশৰে গৈ আছিল গুণেই এই স্মৃতিবোৰে তেওঁৰ মন ভাৰাক্ৰান্ত কৰিছিলহি। বজালিত লহকৰ নামৰ কলা সংস্কৃতিৰ উদ্যোগী ব্যক্তি এগৰাকীয়ে নতুন ধৰণৰ থিয়েটাৰ দল এটা খোলাৰ কথা ভাবিছে হেনো। তেওঁক তালৈকেও আমন্ত্ৰণ কৰিছে। তেওঁহে খাটাংভাৱে একো জনাব পৰা নাই।

দলটো কৰাৰ কথা ভাবিছেহে। পুৰাকৈ গঠন কৰোঁতে হয়তো আৰু পাঁচ-ছটা বছৰ লাগি যাব পাৰে। ইতিমধ্যে কত কি ঘটিব পাৰে! আচলতে এনে এটা পৰিস্থিতিৰ কথা ভাবিয়েই তেওঁ খাটাংভাৱে একো কোৱা নাই।

: অ' ঠাকুৰ, কি নো ভাবি আছে ধ্যানত পৰাৰ দৰে। মই অথনিৰে পৰা মাতি আছোঁ, আপোনাৰ খবৰে নাই।

মাত শুনি যোগেন শৰ্মাই ঘূৰি চালে। দেখিলে বিৰিয়াত এফালে হাৰ্মোনিয়মৰ বাকচ আৰু আনফালে পোছাকৰ বাকচ এটা ভাৰ বান্ধি লৈ কলিতা তেওঁৰ পিচে পিচেই আহি আছিল। তেওঁ সঁহাৰি দি কলে—

: অঁউ, কলিতা দেখোন। তুমি কেনেকৈ ইমান পিচ পৰিলা? মই আকৌ ভাবিছিলোঁ মইহে আটাইৰে পিচত আছোঁ। তুমি ক'ত আছিলা বাৰু? মইতো পিচৰ পিনে কাকো দেখা নাছিলোঁ।

: সেই যে সৰু নিজৰাটো আছিল তাৰ পাৰতে অকণমান বহিলোঁ।

: কি তোমাৰ ভাগৰ লাগিছে হ'বলা?

: নালাগিবনে ঠাকুৰ? পুৱা পেটত চাইটা পেলায়ে খোজ ললোঁৱেই; ৰাতিও লোকৰ ফাই-ফৰমাচ খাটোতে এটা চকুৰ টিপ মাৰিবলৈ আহৰি নেপালোঁ। তাৰ ওপৰতে এই কুৰি মাইল বাট আৰু ভাৰখন। কেৱল ভাগৰেই নহয় ঠাকুৰ, ভোক-পিয়াহ-টোপনি চৰেই আগুৰি ধৰিছেহি। আপোনাক কথা এটা কওঁ বেয়া নাপায় যদি।

: কোৱা, বেয়া আকৌ কিয় পাম?

: এই আমি ভাৰ লোৱা কেইজনক ৰাতি কোনো কাম দিব নালাগে।

: হব দিয়া। মই মেনেজাৰক কৈ দিম। আমি সৌ গছজোপাৰ তলতে অলপ বহোগৈ ব'লা।

: কিন্তু বাট বা আৰু কিমান আছে?

: আৰু পাঁচ কি ছয় মাইল হব। বেলি ডুবাৰ পাচত গলেও পামগৈ। তোমাৰ পোছাকৰ বাকচটোহে অলপ আগতে পাব লাগিব। সময় আছে ব'লা যথেষ্ট।

গছজোপাৰ গুৰিত ভাৰখন থৈ অলপ ডিঙিটো মেলিআগলৈকে চাই এটা মৰাসুঁতীত বৈ থকা পানীৰ সোঁতটো দেখি মনৰ আনন্দত কলিতাই কলে—

: আমাৰ গাঁৱত এইটোৱে ভাল যে, পানীৰ আকাল নাই। কথাষাৰ কৈয়ে সি পানীত নামি হাত-ভৰি কিটা পখালি হাতৰ আজলিৰে পানী খাই ললে। পাচত চকুমুখত আকৌ এবাৰ পানী মাৰি লৈ উঠি আহিল। যোগেন শৰ্মাই ইতিমধ্যে হাত-ভৰি ধুই আহি তেওঁৰ লগত অনা টোপোলা এটা খুলিবলৈ লোৱা দেখি কলিতাই সুধিলে—

: কি কৰে ঠাকুৰ ? কিবা উকমুকৰ পোৱালি উলিয়ায় নেকি ?

: উকমুকৰ পোৱালিয়ে ধৰাচোন। পিচে পেটভৰা উকমুকৰ পোৱালি। হোৱঁা, খোৱা।

: অউঁ! পকা লাৰুচোন। আই ঠাকুৰাণীয়ে চাগে' আপুনি বাহিৰলৈ আহিলেই লগত বান্ধি দিয়ে।

: হে'ৰা, ঘৰৰপৰা বাহিৰ হলো সেই দুৰ্গাপূজাতেই, এতিয়া চ'ত-বহাগত বাসন্তী-ভঠেলি শেষ কৰিহে ঘৰলৈ উভতিম। ঘৰৰ পকা লাৰুৱে ইমান দুৰ নেপায়গৈ নহয়। চিৰা খাবা নেকি ?

: নাই, নেলাগে ঠাকুৰ। এই দুটা লাৰুৱেই পানী খাই দিলে ওফন্দি পৰিব নহয়। পেটৰ ইটো মুধচৰপৰা সিটো মুধচ পাবগৈ। চিৰাৰ কাৰণে কিয়, এটা তিলৰ বাবেও জেগা নাথাকিব। তাতে চিৰাও হ'ল বঢ়া জিনিচ। নালাগে ঠাকুৰ।

বিভিন্ন মুখভংগী কৰি লাৰু এটা চোবাই চোবাই কলিতাই কলে—

: আপোনালোকৰ টিহুৰ পিনে আছিল নে নাই নাজানো, আমাৰ পিনে এতিয়াও বিয়াত গৰখীয়া ভাৰত পকা লাৰু নিয়ে। কইনা-ঘৰীয়াৰ মানুহে ভাৰৰ লাৰু এটা লৈ চোতালত অফলিয়াই চায়। যদি লাৰু ভাঙি যায়, কোনো কোনোৱে গোটেই ভাৰখনকে ঘূৰাই পঠায়। কৰবাত কৰবাত এই এটা মাত্ৰ দোষতে বিয়া পৰ্যন্ত ভাঙি যায়। এই লাৰুৰ বৰ মাহাত্ম্য আছে।

অলপ পাচত আকৌ আগৰ প্ৰসংগলৈ আহি কলে—

: ঠাকুৰ, আমাৰ গাড়ী নিবলৈ কিয় বাদ দিলে ? ইমান দূৰৰ বাট,

বস্তু-বাহানি গৰু বা ম'হৰ গাড়ী তুখনত তুলি দি মানুহকেইটাই আৰামকে খোজ কাঢ়ি যাব পাৰে ?

: গাড়ীবেতো গৈছিলোঁৱেই। পিচে তুবাৰমান বাটটোতে নদীৰ বোকাত লাগি ধৰাত ৰাতি পালাই হোৱা নাছিল। গোটেই ৰাইজৰ গালি-শপনিত, মাত্র কিলাবলৈহে বাকী থাকিল আমাক। মেনেজাৰে ধিক্কাৰতে এৰি দিলে।

: মোৰো আজি ধিক্কাৰতে এৰি দিওঁ যেন লাগিছে। খাবৰ নাই, পাবৰ নাই, মিছামিছি কষ্ট। ঠাকুৰ, আপুনি লহকৰৰ তালৈ গলে মোকো কিন্তু লৈ যাব।

তেওঁ কলিতাৰ কথাৰ উত্তৰত হা-না একো নকলে। কলিতাই কোৱা কথাখিনিকে মনত পাগুলি থাকিল। সঁচাকে যাত্ৰাপাৰ্টি বিফল চিকাৰ অভিযানৰ দৰে। মনৰ বিকাৰত চিকাৰ খেলে চিকাৰীয়ে। আৰু বিফল হলে কেৱল নিকাৰ ভুঞ্জাই সাৰ হয়। যাত্ৰাৰ দলটো কলিতাই ঠিকেই কৈছে খাবৰ নাই, পাবৰ নাই, কেৱল কষ্টই সাৰ।

তেৱেঁই টিহুৰ গুৰুদেৱ অপেৰাত যেতিয়া ফুৰিছিল, অভিনয় কৰাৰ ৰাতিটোৰ কাৰণে তেওঁ মাননি পাইছিল চাৰি অনা মাত্র। সেইটোও আকৌ দলৰ ভিতৰত কেৱল তেওঁহে পাইছিল। তুখীয়া কাৰণে। সোন্ধাৰ ভাৰতমাতা অপেৰা, বজালীৰ মিলন অপেৰা আৰু ধুৰকুছিৰ অসম জগদম্বা অপেৰাত তুটা টকা বেচি পাইছিল মাত্র। উক বাইনৰ মৰোৱা পাৰ্টিত অৱশ্যে কথা সুকীয়া আছিল। মৰোৱা হ'ল যাত্ৰা পাৰ্টিৰ তীর্থ-ভূমি। অম্বুঠাকুৰ, অম্বিকা গোসাঁইৰ দৰে নাট্যকাৰ-অভিনেতাসকলৰ সৃষ্টি হৈছিল এই মৰোৱাৰ পৰাই। প্ৰসন্ন শৰ্মা, ৰজনী শৰ্মা, কমলা বৈষ্ণৱ, কালীচৰণ, ৰামমোহন, সনাতন হাজৰিকা, গিৰিধৰ শৰ্মা, খগেন দাস এই দিকপালসকলৰ প্ৰত্যেকেই এবাৰ নহয় এবাৰ মৰোৱাৰ পৱিত্ৰ ভূমি গচকি আহিছে। উদয় শৰ্মা, হৰেণ শৰ্মা, কৃষ্ণ শৰ্মাৰ দৰে একালৰ শ্ৰেষ্ঠ পৰিচালক চৰেই মৰোৱাৰ যাত্ৰাৰ দলত এবাৰ নহয় এবাৰ, কিবা নহয় কিবা প্ৰকাৰে জড়িত হৈ আছিছে। তেৱোঁ মৰোৱাৰ দলত অভিনয় কৰিছিল।

: কলিতা, তোমাৰ ভাগৰ পলালনে ?

: কেতিয়াবাই। মই যাবলৈ ঠেঙ দাঙিয়ে আছোঁ। পিচে ঠাকুৰ, ভাগৰ পলোৱাৰ কথা আমাৰ দৰে মানুহক নোসোধাই ভাল।

: কিয় ?

: ভাগৰ আৰু জাৰ ভোকৰ দৰে নহয় ঠাকুৰ। ভাগৰ আৰু জাৰে লাই দিলেই লাই পায়, লাই নিদিলে একো নাই। ভাগৰনো কৰবাত পলায় নে ঠাকুৰ ?

: তেনেহলে উঠা। যাওঁগৈ লাহে লাহে।

: ইয়াৰ ওচৰে পাজৰে পুলিচ থানা আছে নে নাই বা ?

: তোমাক আকৌ পুলিচ থানা কিয় লগা হ'ল ?

: কথা আছে ঠাকুৰ। কওকচোন।

: ইয়াত ইমান ভিতৰুৱা গাঁৱত থানা আকৌ ক'ত থাকিব ? বহুদূৰত প্ৰায় পঁশিচ মাইলমান আঁতৰত বৰমা থানা।

: তেনেহলে চাব ঠাকুৰ, আমাৰ থকা খোৱাৰ আয়োজন ভাল হব।

: থানা দূৰত থকাৰ তাৰ লগত আকৌ কি সম্বন্ধ আছে ?

: আছে ঠাকুৰ আছে।

: কোৱাচোন কি আছে মইও শুনো।

: ঠাকুৰ, গাঁৱৰ বাইজৰ অৱস্থাতো আপুনি ভালদৰেই জানে। দূৰৈৰ পৰ্বত, দেখাতেহে শুৱনি। দূৰৰ পৰা চালে গাঁও এখনত ধনেজনে, সুখে-সন্তুষ্টিয়ে ভৰা যেন লাগে। কিন্তু গাঁৱৰ মানুহে যে কি কষ্টত দিন নিয়ায় এক ভগৱান ছাড়া কোনেও নাজানে।

: অস্ বুজিছোঁ দিয়া। পাতনি এৰা।

কলিতা কিন্তু যোগেন শৰ্মাই তাৰ দীঘলীয়া পাতনি শুনি বিৰক্তি প্ৰকাশ কৰা সত্বেও হতাশ নহ'ল। সি স্বাভাৱিক সুৰতে কৈ গ'ল—

: এখন পূজাত খৰচ কিমান হয় বুলি ভাবিছে ? গাঁৱৰ এখন পূজাত চব লৈ অন্ততঃ একশ টকাতো হবই। এই এশ টকা ক'ত পাব দুখীয়া ৰাইজে।

: চান্দা তোলে।

: কোনে দিব চান্দা ? আপোনাৰ গাঁৱৰ পূজাত মই আকৌ কিয় দিম চান্দা ?

: তেনেহলে কি কৰে ?

: জুৱাৰীৰ দলৰ লগত চুক্তি কৰে। পূজাখনত দুই-তিনিটা জুৱাৰীৰ দলৰ লগত চুক্তি হয়। এটা ৰাতিৰ কাৰণে কাৰোবাৰ লগত পঞ্চাশ, কোনোবা ডাঙৰ পাৰ্টি থাকিলে ডেৰ দুইশ পৰ্যন্ত হয়। ওচৰত থানা থাকিলে থানাৰ পুলিচৰ লগতো এই টকাৰ বাটোৱাৰা হয়। গতিকে পূজাত খোৱাবোৱাৰ আয়োজনটো ওচৰত থানা থাকিলে সিমান ভাল কৰিব নোৱাৰে। টকা কম পৰি যায়তো! এনেকুৱা ভিতৰুৱা গাঁৱৰ ৰাজহুৱা পূজাবোৰৰ খৰচ জুৱাৰ দলৰ পৰাই উলিওৱা হয়।

: তুমি বৰ ডাঙৰ খবৰ এটা দিলা দেই। মই সঁচাকে জনা নাছিলোঁ।

তেওঁ পূজাথলী পাই দেখিলে ডে লাইটৰ ব্যৱস্থা কৰিছে। মাজৰ মঞ্চ হিচাপে আছুতীয়াকৈ থোৱা ঠাইডোখৰ চাৰি চুকত থকা প্ৰকাণ্ড ভীমকলৰ খুটাত চাৰিটা ডে লাইট জ্বলাই একেবাৰে দিনৰ দৰে পোহৰ কৰি থোৱা আছিল। ৰভাৰ তলত পাৰি দিয়া ধানখেৰত ওচৰৰ গাঁৱৰ পৰা বাইজ আহি বহিছিলহি। মাইকী মানুহৰ কাৰণে নাম ঘৰটোৰ সন্মুখ ডোখৰ আছুতীয়াকৈ ৰখা হৈছিল।

মানুহ ইতিমধ্যে ভৰি পৰিছিলহি গোটেই ৰভাথলীখনত। তেওঁলোকৰ অস্থায়ী বহাঘৰ আৰু ছোঁঘৰৰ বেৰ আৰু চালবোৰ কচুৱাবে মজবুতকৈ সজা হৈছিল। মাত্ৰ চাহ-ভাতৰ খোলাখনৰ ওপৰত চাল নাছিল।

তেওঁ গৈ বহাত সোমাই তেওঁৰ কাৰণে সুকীয়াকৈ ডাঠ কৰি ধান-খেৰ পাৰি এখন বিছনা চাদৰ ওপৰত দি থৈ দিয়া চুকটোত বহাৰ লগে লগে গৰম চাহৰ গিলাচ এটা এখন মচমচীয়া নিম্‌কিৰে সৈতে ল'ৰা এজনে দিছিলহি।

তেওঁ আহি পোৱাৰ লগে লগে যে, অপেক্ষাৰত দৰ্শকসকলৰ মাজত মৃদু চাঞ্চল্য এটাৰ সঞ্চাৰ হৈছিল তেওঁ বুজিব পাৰিছিল। মানুহৰ

জুমবোৰৰ মাজেদি পাৰ হৈ বহালৈ আহোতে তেওঁৰ নামটো নানাজনৰ মুখত সম্ভ্ৰমেৰে উচ্চাৰিত হোৱা তেওঁৰ কাণত নপৰাকৈ থকা নাছিল। তেওঁ নিজৰ চৰিত্ৰটোৰ কথা এবাৰ মনতে সুঁৱৰি ললে। লীলাকংক নাটকত গৰ্গ শৰ্মাৰ ভাওটো তেওঁ যে কিমানবাৰ কৰিছিল তাৰ অন্ত নাই। তথাপি সাৱধান হোৱাত দোষ কি—তেওঁ ভাবিলে; আৰু চকু দুটা মুদি গৰ্গ শৰ্মাৰ ভাওটোৰ দৃশ্য আৰু বচনৰ কথা মনত পেলাই পৰি থাকিল। তেনেদৰে কিমান সময় পৰি আছিল তেওঁ সঠিক জনা নাছিল, এনেতে কলিতাই চেপা হাঁহিৰে কাবোবাৰ লগত কথা পতা তেওঁৰ কাণত পৰিল—

: থালে, থালে, চোতালতে বাঘ ওলাল। মই পিচে ভয় কৰিছিলোঁ। মনতে। হঠাৎ আহি যাব পাৰে বুলি। ভাটি বেলা মই ঠাকুৰক কৈছিলোঁ হে কথাটো। কলিতাৰ মুখত তেওঁ নিজৰ বিষয়ে উল্লেখ শুনি কৌতুহলী হৈ পৰিল আৰু কলিতাক মাতি পঠালে।

কলিতাই মুখত এমোকোৰা হাঁহি লৈ যোগেন ঠাকুৰৰ কাষত বহি ললেহি। সুধিলে—

: মোক বিচাৰিছিল ঠাকুৰ?

: কিহে, কিবা ঘটনা হৈছে নেকি?

: ঘটনা মানে? ঠাকুৰ, ঘটনা ডাঙৰেই। ছয়খন জুৱা দিছে। ৰাতিত তিনিশকৈ। পুলিচ নাহে বুলি ভাবিছিল। আহি পালে, সৌৱা নামঘৰৰ কাঠিত বহিবলৈ দিছে।

: পুলিচ আহিল কি হ'ল? টকা দি পঠাই দিলে হ'ল।

: সেই লৈয়েতো আলোচনা হৈ আছে। পুলিচে খুজিছে পাঁচশ, বাইজে দিয়ে তিনিশ।

: এহ্ দুশ টকাৰ কাৰণে ৰাজহুৱা অনুষ্ঠান এটা নহবনে। দি দিয়ক আৰু দুশ। লাগে আমি টকা কমকৈ লম। সেইবুলি ইমান বাইজ ঘূৰি যাবনে?

তেওঁ কথাষাৰ কৈয়ে উঠি বহিল। কলিতাই আতংকিত হৈ সুধিলে—

: আপুনি কি কৰে ঠাকুৰ?

: মই গৈ কৈ আহোঁ?

: আপুনি নাযাব ঠাকুৰ।  কথা মাৰাত্মক হৈ যাব।

: কিয়?  কাৰ ভয়ত মই নাযাম?

: নহয় ঠাকুৰ, ভয় আপোনাৰ নহয়, ভয় বাইজৰহে; বাইজে আপোনাক ভয় কৰিছে। কিয়নো আপুনি আহিছে বুলি জানিলেই পুলিচে টকাতো লবই আৰু বাতিটো যাত্ৰাও চাব। আপুনি কিবা কাৰণত আহিব নোৱাৰিলে বুলি পুলিচক বাইজে ফাকি দিছে। সেই কাৰণে সিহঁতে টকা পালেই যাব বুলি কৈছে। আপুনি ওলাই দেখা দিলেই চব নষ্ট হৈ যাব। মোৰে বধ ঠাকুৰ, আপুনি বাহিৰত নোলাব। ইয়াতে গায়ে-মূৰে কাপোৰ লৈ আৰাম কৰি শুই থাকক।

ঠাকুৰ নিৰস্ত হৈ আকৌ শুই পৰাত কলিতা লৰালৰিকৈ ওলাই গ'ল। গৈ দুই মিনিটমান সময়ো নহ'ল, ঘূৰি আহিল আৰু ঠাকুৰক যি এটা খবৰ দিলেহি ঠাকুৰে বহুত পৰলৈ স্তম্ভিত হৈ বহি থাকিল।

বাসন্তীপূজাবোৰ শেষ হওতে গ্ৰীষ্মকাল পৰিলহি। পূৰা ছমাহৰ পাচত কলিতাই ঘৰলৈ উভতি আহিছিল। দুৰ্গাপূজাৰপৰা লক্ষ্মীপূজা, কালী-পূজা, ৰাসযাত্ৰা, বিশ্বকৰ্মা, সৰস্বতীপূজা, গাঁৱৰ গন্ধ, নন্দী, মাঘিবাহাৰ সভা, ভঠেলি, বাসন্তীপূজা; একেবাৰে শেষত বহাগৰ একেবাৰে শেষৰ দিনা কলিতাহঁতৰ যাত্ৰাদলৰ শেষ পালাখন কৰি সি ঘৰলৈ উভতিছিল। গাঁওখনৰ শান্ত পৰিবেশটো তাৰ বৰ আচহুৱা লাগিছিল। ইমান দিন যাত্ৰাদল, উৎসৱৰ উঠুলি-মুঠুলিৰ মাজত থাকি সি যে অকলশৰে গাঁৱলৈ ঘূৰি আহিছিল অন্তৰত এক তীব্ৰ বেদনা অনুভৱ কৰিছিল। যাত্ৰাদলৰ সি কটিয়াই অনা বাকচকেইটা মেনেজাৰৰ ঘৰত জমা দি কথাই কথাই ৰাতিৰ বাকী সময়খিনি মেনেজাৰহঁতৰ চুবুৰীৰে নায়িকাৰ ভাও লোৱা ৰমাকান্তৰ লগত কটাই সি পুৱা তাৰপৰা খোজ লৈছিল। সেই চুবুৰীৰ-পৰা সিহঁতৰ গাঁৱলৈ এই আঠ মাইল বাট আহোতেই ভৰ দুপৰীয়া হৈছিল।

বাটত অকলশৰে আহি থাকোতে ভৰিকেইটা যেন নচলিবই এনে হেন লাগিছিল তাৰ। পথাৰৰ মাজেদি আহি থাকোতে কামত ব্যস্ত হৈ থকা দুই এজনে তাৰ পিনে মূৰ তুলি চাইছিল; মাত্ৰ সেয়ে, তাতকৈ বেচি তেওঁলোকে তাৰ প্ৰতি মনোযোগ দিয়া নাছিল। কোনেও ইমান দিনৰ মূৰত দেখাদেখি হোৱা সত্ত্বেও ভাল-বেয়া খবৰ এটা লোৱা নাছিল।

: এইখিনিত কি দিব খুজিছ?

বাটৰ নিচেই কাষতে হাল বাই থোৱা মাটি এডোখৰ আলিৰ কানবোৰ কোৰেৰে কাটি আছিল কলিতাৰ একমাত্ৰ ভাগিন হৰিমলে। ভাগিনিয়েকৰ মুখামুখি হোৱাত কি কব ভাবি নেপাই সেইষাৰকে সুধিছিল। হৰিমলে অচিনাকি কোনোবা এজনক দেখাৰ দৰে মুখখন ঘূৰাই লৈ গ'ল। কি তথাপি বৈ যোৱা দেখি হৰিমলে কলে—

ঃ এতিয়া আৰু কি দিবলগীয়া আছে ? তই তাকো নজনা হলিনে ?

সি ভাগিনিয়েকৰ ভ্রূকুটিপূর্ণ কথাষাৰ নিৰৱে হজম কৰি আগুৱাই গ'ল। সেই মুহূর্ত্ততহে তাৰ হঠাৎ মনত পৰিল কণ্মা ছোৱালীজনীৰ কথা। এমাহ মানৰ আগতে দ্বিতীয়খন বাসন্তীপূজাৰ পালা গাবলৈ যাওতে ঠিক যাত্রা কৰি ওলোৱাৰ সময়তে এই হৰিমলেই গৈ তাক ছোৱালীজনীৰ টান হোৱা বুলি খবৰ দিছিল। সি ঠাকুৰৰপৰা দৰৱ কেই পালিমান দি পঠাই দিছিল। তলে তলে সি যাত্রাৰ সময়ত ভাগিনিয়েকে অশুভ খবৰটো দি যাত্রা বিঘ্নিত কৰা বুলি বিৰক্ত হৈছিল।

হঠাৎ ছোৱালীজনীৰ অৱস্থা সম্বন্ধে জানিবলৈ সি ব্যগ্র হৈ পৰিল। সি এইবাৰ বেগাই খোজ ললে।

বুঢ়ী মাকজনীয়ে চোতালৰ এচুকত পোৱালি হাঁহকেইজনীক বনৰীয়া শাক পানীত সিজাই লৈ খুৱাই আছিল। ঘৰখন একেবাৰে নিজম হৈ পৰিছিল। ঘৰখন মানে সিহঁত থকা পুৰণি ঘৰ এটা আৰু তাৰ কাষতে আন এখন চালি। তাৰে এমূৰে অকণ ঠাই চাৰিওপিনে বৰতাৰ বেৰ দি ঘেৰা। বাকীখিনি খোলা। মানুহ থকা পুৰণি ঘৰটো পিচপিনে ঢোকা দি থোৱা আছিল। পিচপিনে ঘৰটোৱেই হলি গৈছিল। তাৰ ভিতৰতে তাৰ ঘৈণীয়েক আৰু ল'ৰা-ছোৱালীহাল থাকে। আৰু এমূৰে থাকে বুঢ়ীমাকজনী।

ঘৰখন শান্ত হৈ থকা দেখি তাৰ মনত আতংক হৈছিল। আনফালে সি আহি চোতালত ভৰি দিলেই ল'ৰাটোৱে আহি তাৰ ভৰিকিটা সাবটি ধৰেহি। পাঁচবছৰীয়া অকমানটোৱেই ঘৰৰ, গাঁৱৰ সমস্ত টুকি-টাকি খবৰেৰে তাৰ মন ঠিহিৰা মৰাই দিয়েহি। ছোৱালীজনীৰ প্রায় অসুখ ; ইটো সিটো অসুখ লাগিয়েই থাকে। আজি পেটৰ অসুখ, কালি যেনিবা জ্বৰ, পাচদিনা বা কাহেই হ'ল। দুদিনমান হয়তো ভালেই থাকিল ; তাৰ পাচত আকৌ কিবা এটা। জন্মৰপৰা এই সাতটা বছৰ তাই মাকক জীয়াতু ভোগাইছে। তাইতো ইমানপৰে দুৱাৰমুখত থিয় হৈ তাৰ পিনে নিৰৱে চাই থাকিলহেঁতেন। এই নিৰৱ

নিতাল ঘৰখন ; তদুপৰি এমাহ আগতে হৰিমলে দিয়া খবৰটোৰ কথা তাৰ মনত পৰাত সি সঁচাকে আতংকিত হৈ পৰিছিল। মনৰ উত্তেজনা কোনোমতে চেপি ৰাখি সি মাকক কলে—

: ইহঁত কোনো নাই নেকি ?

ইমান কাষলৈ আহি কোৱা সত্ত্বেও মাকে তাৰ পিনে ঘূৰিকে নাচালে। আগৰ দৰেই কামত ব্যস্ত হৈ থাকিল। সি ভীষণ বিৰক্ত হৈ পৰিল। বুঢ়ীমাকজনীৰ কাণ আগতকৈও হয়তো বেয়া হৈ পৰিছে সি ঘৰত নথকা দিনকেইটাৰ ভিতৰতে। মাকক অৱশ্যে সি 'মা' বুলি মাতিবলৈ বহু বছৰ আগৰপৰাই বাদ দিছে। সি আকৌ এইবাৰ আৰু অলপ কাষলৈ আহি সুধিলে—

: ইহঁত নাই নেকি ?

পৰম বিৰক্তিৰে যন্ত্ৰণাত আৰু বেচি কুঞ্চিত হৈ পৰা সোতোৰা মুখখন ঘূৰাই বুঢ়ীয়ে সুধিলে—

: কোন ইহঁত ?

: গোপালইহঁত ?

বুঢ়ীয়ে জানিও তেনেদৰে ঘূৰাই সোধাত তাৰ অসম্ভৱ খং উঠিছিল। তথাপি সি খং প্ৰকাশ নকৰি তাৰ ল'ৰাটোৰ নামধৰি আকৌ সুধিলে—

: সিহঁত আকৌ ইয়াত কিয় থাকিব ? সিহঁত নিজৰ ঘৰত আছে।

এইবাৰ তাৰ অসহ্য হ'ল। বুঢ়ীৰ কথাৰ ধৰণতে সি বুজিছিল যে ছোৱালীজনী বাচি আছে। বুজাৰ লগে লগে তাৰ মনৰ আতংক নোহোৱা হৈছিল আৰু সি অনুভৱ কৰিছিল প্ৰচণ্ড ভোক আৰু ক্লান্তি।

: ক'ত আছে আকৌ সিহঁতৰ নিজৰ ঘৰডাল ?

: য'ত সিহঁতে আদৰ-যত্ন পায়। য'ত সিহঁতৰ সুখ-আনন্দৰ কাৰণে চিন্তা কৰা মানুহ আছে।

পাচৰ কথাষাৰে তাৰ মুখত চাবুক মাৰি দিয়াৰ দৰে লাগিল। হঠাৎ তাৰ দেহৰ সমস্ত শক্তি কিহবাই শুহি নিঃশেষ কৰি দিয়া যেন লাগিল। সি কোনোমতে গৈ বেৰ নোহোৱা চালিখনৰ তলতে পাৰি থোৱা এখন

চাৰিত বাগৰি দিলে। অলপ পাচতে টোপনিয়ে তাক হেঁচি ধৰিছিল। তাৰ কাণত বাজি উঠিছিল সনাতন হাজৰিকা ওস্তাদে সুৰ দিয়া আৰু কামেশ্বৰ গোস্বামীয়ে সুললিত সুৰত গোৱা এটা বিবেকৰ গান। তেওঁৰা তালৰ ধনেশ্বৰ গোসাঁয়ে বজোৱা তবলাৰ মিঠা মিঠা বোলৰ চউত নাচি নাচি কামেশ্বৰ গোস্বামীৰ সুৰে পূৰ্ণতি নিশাৰ হেজাৰ হেজাৰ দৰ্শকক মুগ্ধ স্তব্ধ কৰা তাৰ দৃষ্টিপটত ভাঁহি উঠিছিল। গীতটোৱে কৈছিল যে, সংসাৰ মিছা; সংসাৰত এনেয়ে ৰজাই পৰাক্ৰম দেখুৱায়, সুন্দৰ ধনিয়ে কৰে ৰূপৰ গৰ্ব আৰু চহকী শ্ৰেষ্ঠীয়ে কৰে ধনৰ অহংকাৰ। সীমা পাৰ হলে, অতপালি অসহ্য হলে, এদিন সমস্তৰে গৰাকী আহে আৰু চকুৰ নিমিষতে সকলো শেষ কৰি দিয়ে। ৰজাৰ পৰাক্ৰম, ধনিৰ গৰ্ব আৰু শ্ৰেষ্ঠীৰ অহংকাৰ সমস্ত ধূলিস্যাৎ হয়। কিছুপৰৰ পাচত সি দেখিলে তাৰ টোপনি ভাগিছে। সি ধহমহ কৰে উঠি বহিল আৰু ঘৰৰ চালত শুকাই থোৱা জংঘলী ভাঙৰ ঠাৰি এটা আনি হাতৰ তলুৱাত লৈ মোহাৰিবলৈ ধৰিলে।

গাঁজা চিলিম খাইহে দেহ-মন তাৰ সতেজ হৈ উঠিল। ঘৰখনত তেতিয়া কোনো নাছিল। সি তাৰ মোনাখনত থকা কাপোৰ-কানিখিনি বাহিৰত উলিয়াই ৰ'দত দিলে। ঘাম আৰু ময়লাৰ গোন্ধ এটা তাৰ নাকত সোমাল। সি দেখিলে ল'ৰাটোলৈ বুলি কিছু দিনৰ আগতে গাঁৱৰ সভা এখনত কিনা নতুন চোলাটোও কোঁচমোচ খাই পুৰণি যেন দেখা গৈছে। সি চোলাটো ভালদৰে জোকাৰি চাললৈ দলিয়াই দিলে ৰ'দত ৰ'দাবলে'। এনেতে সিহঁতৰ ল'ৰাটো দৌৰি চোতাললৈ সোমাই আহিছিল—

: পিতাই, তই কেতিয়া আহিলি ?

তাৰ ভৰিকিটাত সাৱটি ধৰি আকাশৰ তৰালৈ চোৱাৰ দৰে তাৰ মুখলৈ চাই অকণমান ল'ৰাটোৱে তাক মাত দিয়াত হঠাৎ তাৰ অন্তৰখন কিবা এটা বুজাব নোৱৰা উন্মাদনাত উথলি উঠিছিল।

: মাৰ ক'ত ?

: আমি তিনিও মামাইঁতৰ তাত আছোঁ। বাইৰ জ্বৰ টান

হৈছিল, ঘৰতো খাবলৈ চাউল নাছিল দেখি মামাই আমাক লৈ গৈছিল।

: সৌটো তোৰ।

কলিতাই অলপ আগতে চালত ৰ'দাবলৈ বুলি দলিয়াই থোৱা চোলাটোলৈ দেখুৱাৰ লগে লগে ল'ৰাটোৱে দীঘল মাৰি এডালেৰে হাকুটিয়াই লৈ আহিল চোলাটো।

: আৰু এইযোৰ বায়েৰৰ।

চোলাৰ জেপৰ পৰা তিৰবিৰাই থকা ৰঙা কাচৰ পাথৰ দিয়া ফুল এযোৰ দেখুৱাই কলে সি। ল'ৰাটোৱে বাপেকৰ হাতৰপৰা ফুলযোৰ থাপ মাৰি লৈ দৌৰি ওলাই গ'ল চোলাটোৰে সতে।

কিছুপৰৰ পাচতে স'ৰাটোৱে হাতত কিহবাৰ টোপোলা এটা লৈ আহি পিচফালে বাৰীত কিবা কৰি থকা বুঢ়া আইতাকৰ হাতত দি পিতাকক কলেহি—

: তোক মায়ে গা ধুই সোনকালে যাবলৈ দিছে। ভাত হলেই।

: মই বাটতে কিবা অলপ খাই আহিছোঁ; ভোক লগা নাই। মই এতিয়া অলপ শুমহে। ভাগৰ লাগিছে।

তাৰ সঁচাকে ভোক নোহোৱা হৈছিল। হৰিমলহঁতৰ ঘৰত গৈ যে ভাত খাব লাগিব সেই কথা সি স্বপ্নতো ভাবিব নোৱাৰে, অন্ততঃ বাটত আহোতে হৰিমলে তাক যি ধৰণৰ ব্যৱহাৰ কৰিলে। হৰিমলহঁতৰ ঘৰত গৈ ভাত খোৱাৰ কথা শুনি তাৰ ভোক নোহোৱা হৈ গ'ল।

: মইও শুম তোৰ লগত; মোক এটা সাধুকথা কব লাগিব।

: যা, ভিতৰৰপৰা গাৰু এটা আৰু ধছা এখন লৈ আহ।

: ৰহ আনোগৈ।

বুলি আকৌ সি দৌৰ মাৰি বাহিৰলৈ ওলাই গ'ল। কলিতাৰ কিবা এটা কৌতুহল হ'ল। সি ঘৰৰ দুৱাৰখন ঠেলি ভিতৰলৈ চাই পঠালে। ভিতৰৰ এন্ধাৰত প্ৰথমে সি একোকে দেখা নাছিল। পাচত ভিতৰখন স্পষ্ট হৈ পৰাত দেখিলে, তাত দেখিবলৈ একোৱে নাছিল। কেৱল এটা বিশাল শূন্যতাই যেন হাহাকাৰ কৰি ক্লান্তিত অৱশ হৈ পৰি আছে।

সি কিন্তু হতাশ নহ'ল। ভাঙৰ নিচাত পৰম নিৰ্লিপ্ততাৰে তুলাৰখন জপাই থৈ উভতি আহিল। আৰু পুতেকে অনা তেল সিকটি লাগি পথাৰৰ বোকাৰ দৰে ৰং ধৰা গাৰুটোত মুৰ দি ধন্ধাখন গাত মেলি লৈ শুই পৰিল· বাহিৰৰ ঘৰটোত পৰা চাৰিখনতে। পুতেকটোৱে নতুন চোলাটো পিন্ধি লগৰ ল'ৰাৰ লগত খেলিবলৈ গুচি গ'ল।

কলিতাৰ মনত বেলেগধৰণৰ নিৰ্লিপ্ততা এটা আহি পৰিছিল। আবেলিৰ বেলিটো মাজ আকাশৰপৰা অকণ হলি গৈছিল। চালৰ কানেদি সৰকি ৰ'দজাক তাৰ গাত পৰিছিল। দেহত নতুন আমেজ এটা লাগিছিল। তাৰ মনত পৰিল, তাৰ নিজৰ বন্ধু এজনে মৰোৱাৰ পৰা তালৈ এটা খবৰ পঠাইছিল। মৰোৱা পাৰ্টিয়ে হেনো 'পণমুক্তি' পালা কৰিব। গৰুড়ে মাক বিনতাৰ দাসত্ব মোচনৰ অৰ্থে স্বৰ্গৰপৰা অমৃত অনাৰ কাহিনী। কালীচৰণ বাসুকী, ৰামমোহন তক্ষক আৰু সি হেনো গৰুড়ৰ পাৰ্টটো পাব। লগতে বিনতাৰ কাৰণে পৰীক্ষিত পাঠকক লৈ যাব পৰাহেঁতেন ভাল আছিল। তৰণীয়ে মনতে ভাবিলে। তালিমৰ কাৰণে মাতি পঠাইছে আহিনৰ পহিলা সপ্তাহত। সি মনতে স্থিৰ কৰিলে এইবাৰ তাৰ অভিনয়েৰে সি সকলোকে চমক খুৱাই দিব।

চমক খুৱাই দিয়াৰ কথা ভাবোতেই তাৰ মনলৈ আহিল বহুদিনৰ আগৰ ঘটনা এটা। ভিতৰুৱা গাঁৱৰ সভা এখনত। আঘোন মাহত। গন্ধৰ দিনা। যাত্ৰাৰ দলত যোগেন ঠাকুৰ আছিল। সিও গৈছিল। গাঁৱৰ ৰাইজে জুৱাৰীৰ দল কেইটামানক গন্ধৰ ৰাতি খেলিবলৈ দি টকা লৈছিল। কিন্তু এনেতে ৰাতি পুলিচ আহিছিল। ঠাকুৰ যাত্ৰাৰ দলত যোৱা কথাটো গাঁৱৰ ৰাইজে পুলিচক জানিবলৈ দিয়া নাছিল; কিয়নো তেওঁ যোৱা বুলি জানিলে পুলিচেও যাত্ৰা চাবলৈ ৰাতিটো ৰৈ যাব। আৰু তেতিয়া জুৱাৰীদল কেইটাই জুৱা নেখেলি ৰাইজক টকা নিদি ঘূৰি যাব। কিন্তু পুলিচে কেনেবাকৈ ঠাকুৰ যোৱাৰ কথা শুনিলে। আৰু যাত্ৰা চাবলৈ বুলি আৰাম কৰি বহি ললে। তাৰ পাচত পুলিচে ৰাইজক যিবাৰহে কথা কলে কলিতাই শুনি স্তম্ভিত হৈ পৰিছিল; আৰু সি গৈ কথাষাৰ ঠাকুৰক কোৱাত ঠাকুৰো স্তম্ভিত হৈ পৰিছিল।

পুলিচে বাইজক কৈছিল জুৱাৰী দলকেইটাক খেলাত কোনেও বাধা নিদিবলৈ। আৰু কৈছিল, পুলিচক এটা পইচাও নালাগে। জুৱাৰ দলকেইটাই যি টকা দিব বা দিলে, সেইখিনি সমুদায় বাইজেই ৰাখিব। ঠাকুৰ স্বস্তিতেই নহয় পুলকিতও হৈছিল।

তালিমৰ পৰা আহি সিও এইবাৰ গাঁৱৰ সভাখনত অলপ বেছি জুৱাৰীৰ দল মাতিব। দুটা এটা দলে নহয় গৈ। আৰু 'পণমুক্তি'ত এইবাৰ সিও ঠাকুৰে সেইদিনা কৰাৰ দৰে অনবদ্য অভিনয় কৰিব।

এইবোৰ ভাবি থাকোতেই তাৰ টোপনি আহি গৈছিল। সি বহুত পৰলৈ টোপনিত অচেতন হৈ পৰিছিল। কিয়নো সাৰ পাই চকু মেলি চাৰিওপিনে এন্ধাৰ দেখিছিল। মাত্র ঘৰটোৰ দুৱাৰৰ ফাকেদি জুইৰ পোহৰৰ চেৰেঙা এটা বাহিৰলৈ আহিছিল।

: পিতাই তোৰ চাহ।

ছোৱালীজনীয়ে বোধকৰোঁ ইমানপৰে সি কেতিয়া সাৰপায় তালৈকে বাট চাই আছিল। সি সাৰ পোৱাৰ লগে লগেই ফিকা চাহৰ বাতি এটা তাৰ কাষত দিছিলহি।

এন্ধাৰত ছোৱালীজনীক ভালদৰে নেদেখিলেও মাততে বুজিছিল যে, তাই সুস্থ হৈ উঠিছে।

চাহখিনি পেটত পৰাত পেটৰ জ্বলনটো কিছু শান্ত হৈছিল। তাৰ তেতিয়াহে ঘৰখনৰ কথা ভাবিবলৈ মন গৈছিল। প্ৰথমতে সি ঘৰ দুটা ঠিক কৰি লব। মুকলি ঘৰটোৰ চাৰিওপিনে বেৰ দিব। বুঢ়ী মাকজনীক তাতে থাকিবলৈ দিব। ঘৰৰ ম'হ চাৰিজনী গোৱালৰ পৰা ঘৰলৈকে লৈ আহিব। গোৱালে চুকানিত বাবলৈ; মানুহ এজন পঠোৱাৰ কথা। নেপালী মানুহ; তাৰ মাটি ছয়: হালিচা চুকানীত বাব। বিঘাত দুই মোনকৈ। ম'হ দুজনীয়ে পোৱালি দিছে হেনো। চলি যাব ঘৰখন। কথাখিনি চিন্তা কৰি মন তাৰ ফৰকাল হৈ পৰিল। সি ভাবিলে গাঁৱৰ পিনে এপাক ওলাই যোৱাৰ কথা। এনেতে গাঁৱৰে ডেকা ল'ৰা দুজন সোমালহি—

: পেহাদেউ আছানে?

: কোন ঔ ?

: আমি পেহা, নন্দী আৰু মই।

সি জানেই তাৰ ওচৰলৈ গাঁৱৰ কোনো দায়িত্বশীল বা বয়সস্থলোক নাহে বুলি ; আহিলে তাৰ ওচৰলৈ ডেকা ল'ৰাই আহিব। কিয় আহিব, সেইটোও সি জানে।

: পেহা, কেতিয়া আহিলা ?

: আজি, দুপৰীয়া। তোমালোক ক'ৰপৰা ওলালাহি !

: ঘৰৰপৰাই। আমি তুমি কেতিয়া আহিবা খবৰ লৈয়ে আছোঁ। পেহীয়ে কোৱা নাই জানো ?

সি কোৱা নাই বুলি কবলৈ লাজ পালে। গতিকে কলে যে তাক কৈছে পৰিবাৰে।

: কোৱাচোন এতিয়া, কিয় আহিলা ?

তাৰ কথাৰ উত্তৰ দিবলৈ এজন বৈ গ'ল তাৰ ওচৰত। আনজনে 'পেহী, পেহী' বুলি মাত দি ডাঙৰ মোনা এখন লৈ ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

: সি আকৌ কি আনিছে ?

: ঘৰৰে চাউল দুই পাল্লা আৰু কোমোৰা এটা মায়ে দি পঠাইছে।

: আজি হঠাৎ আকৌ কিয় ?

: তুমি অহা বুলি জানি। গাঁৱত চবেই জানেতো তুমি উভতি অহাৰ কথা। তাকে মায়ে কলে, 'যাচোন পেহায়েৰ ইমান দিনৰ মূৰত আহিছে, ঘৰত বা চাউল-টাউল আছে নে নাই।

: সেইবাবেই অহা হ'লনে ?

সি তুমি-তইৰ মাজতে ইতস্ততঃ কৰি সুধিলে। আজিকালিৰ ডেকা ল'ৰা বুলি সম্বোধন কৰিলে বা কি কয়, জানোচা বেয়াই পায়।

ইতিমধ্যে সিজনো খালী মোনাখনলৈ ঘূৰি আহিছিল। চোতালৰ একাষে বুঢ়ী মানুহজনীয়ে জুই একুৰাত কিবা পুৰি আছিল। ঘৰৰ ভিতৰৰপৰা ঘূৰি অহাজনে বুঢ়ীক উদ্দেশ্য কৰি সুধিলে—

: আইতাই কি পুৰিছ ? ইমান ধুনীয়া গোন্ধাইছে ?

: এহ্ মাছ দুটা পুৰি লৈছোঁ ৰহ্। তইতনো কেলেই আহিলি ?

: পেহাৰ লগত অলপ কথা আছে।

বুঢ়ায়ে আৰু একো নকলে। নিজৰ কামত ব্যস্ত হৈ পৰিল। মাছ পোৰাৰ গোন্ধটো তাৰ ভাল লাগিছিল। পেটৰ জ্বলনটো আকৌ অনুভৱ কৰিছিল। গকিতে সি আকৌ সুধিলে—

: কি কথা আছে ক।

ভিতৰৰ পৰা ঘূৰি অহা ল'ৰাজনে কিবা কবলৈ মুখ মেলিছিল হে এনেতে তাৰ ছোৱালীজনীয়ে পিঠা আৰু চাহ লৈ আহিল। তিনিও কিছু পৰ নীৰৱ হৈ চাহ খোৱাত লাগিল। তাৰ পাচত ল'ৰাজনে কলে—

: শিৱ আৰু মই এটা কথা ভাবিছোঁ।

: ক'চোন শিৱ মহেশ্বৰে কি ভাবিছ ?

সি ৰহস্য কৰি কলে। শিৱ হ'ল গাঁৱৰে তাৰ ঘৈণীয়েকৰ মোমায়েকৰ পুতেকৰ ল'ৰা। আৰু এইজন হ'ল মহেশ্বৰ তাৰ বন্ধু এজনৰ ল'ৰা। মাইনৰ স্কুলত পঢ়ি পঢ়া এৰিলে। চহৰত কিছুদিন চাকৰি বিচাৰি হতাশ হৈ ঘৰত এনেয়ে বহি থকা ল'ৰা। মহেশ্বৰে অলপ গান-টান গায়। শিৱই হেনো তবলা বজাব জানে।

: আমাৰ গাঁৱতো এটা যাত্ৰাৰদল আৰম্ভ কৰোঁ পেহা। তুমি কি কোৱা ?

: মাষ্টৰ পাবি ক'ত ?

: হৰেণ শৰ্মাক লগ ধৰিছিলোঁ। তেওঁ পাঁচকুৰিকে কৈছিল। চাৰিকুৰিত মান্তি হব।

: কিয় ? ব্ৰজঠাকুৰে বা কি কয় ?

: তেওঁ মোমায়েকৰ লগত নাই নহয় ? ঠাকুৰে ছোৱালী লৈছেতো দলত। গতিকে তেওঁ আৰু কৃষ্ণঠাকুৰো ওলাই আহিল।

সি অৱশ্যে শুনিছিল, নগাঁও নে ক'ৰ কোনোবা বৰুৱা বুলি ধনী মানুহ এজনৰ লগ লাগি ছোৱালী সংগ্ৰহ কৰি কোহিনুৰ অপেৰাকে কোহিনুৰ থিয়েটাৰ নাম দি এটা থিয়েটাৰ দল খুলিছে। উজনি অসমত ঠায়ে ঠায়ে কৰিছেও থিয়েটাৰ। নামনিতহে ঠাকুৰে থিয়েটাৰ কৰিব পৰা নাই।

নলবাৰীততো এবাৰ বন্ধ কৰি দিলে হেনো ৰাইজে। চামতাৰ ধৰণী ভট্টক ঠাকুৰৰ লগত থিয়েটাৰ কৰা শুনি ৰাইজে এঘৰীয়া কৰি থলে।। ঠাকুৰকো হেনো কম কৰা নাই। এতিয়াতো সি নিজ কাণেই শুনিলে ককায়েক, ভাগিণীয়েকহঁতে দল এৰি অহাৰ কথা। কিন্তু সি ঠাকুৰক যিদৰে জানে, ঠাকুৰে পৰোৱা নকৰে।

: ঠাকুৰে পৰোৱা নকৰে।

মহেশ্বৰে হাঁহি হাঁহি কলে—

: পৰোৱা নকৰিলে হব কিটো পেহা। দল ভাঙো-ভাঙো হৈছে হেনো। এক্টৰ কাকো নাপায়। নাযায় কোনো। নে ভাঙিলেই এতিয়ামানে ?

: ব্ৰজ ঠাকুৰে মহৎ কাম এটা কৰিছিল বৰ সাহস কৰি।

: মহৎ কাম পেহা ? বেয়া ছোৱালী কিছুমান দলত লৈ নচাই ফুৰা—

: মহেশ্বৰ, বাচ্ বাচ্ !

সি অকণ উষ্মাৰে মহেশ্বৰৰ কথাষাৰ মাজতে বন্ধ কৰি দিছিল।

খন্তেক ৰৈ সি গহীনভাৱেৰে কলে—

: তহঁতে এতিয়াই বুজি নাপাবি, ঠাকুৰে কি এটা মহৎ কাম কৰিছে। আৰু সেই সাহসী ছোৱালী কেইজনীয়ে। বেছেৰীহঁতে কত অপযশ, কত যাতনা নিৰৱে, নিৰ্বিবাদে সহ্য কৰি আজি যিটো কৰিছে তাৰ ফল আৰু দহ-পোন্ধৰ বছৰৰ পাচত তহঁতে ভোগ কৰিবি। বাৰু বাদ দে তহঁতে সুবুজিবি এইবোৰ কথা; পইচা ক'ত পাবি মাহে চাৰিকুৰি দিবলৈ।

: মাহে নহয় নহয়। দলটো শিকাই চাৰিখনমান পালা দি দিয়াৰ পাচত ধান পঁচিশ মোণ আৰু নগদ চাৰিকুৰি টকা দিব লাগিব। ধানতো পামেই, সেইবাবে ধানৰ কথাটো কোৱা নাই।

: টকা চাৰিকুৰি যোগাৰ কিদৰে কৰিবি ?

: এতিয়া সভাহতে তুকুৰি দিব লাগিব।

: সভাহতে হক বা যিয়েই নহওক, চাৰিকুৰি তো লাগিবই। পাবি ক'ত ?

: তাকেতো পোহাৰ লগত কিবা এটা পৰামৰ্শ কৰোঁ বুলি আছিলোঁ।
এইবাৰহে শিৰই কলে। ইমানপৰে সি মনে মনেই আছিল।

: হৰিমল দাদাহঁতৰ সকলোৰে মত আছে গাঁৱৰ ডেকা দলটোৰ।
মহেশ্বৰৰ কথা শুনি সি উচপ খাই উঠিল—

: হৰিমলৰ মত আছে?

: আকৌনো। সিয়ে তো আমাক তোৰ ওচৰলৈ পঠাই দিছে। সি নিজে তোৰ আগত কবলৈ বেয়া পায় এইবোৰ কথা।

: এদিন তেনেহলে গাঁৱৰ নামঘৰত মাত মানুহখিনিক।
কলিতাই, নিজৰ খুলশালিয়েক হৰিমলেও মত দিয়া শুনি, মনতে ভাবিলে তাৰ ঘৈণীয়েকে শুনিলে বা কি কুৰুক্ষেত্ৰ-কাণ্ডখন লগাই দিয়ে। তথাপি হৰিমল সন্মত হোৱা শুনি গাঁৱত আৰু কোনেও বাধা নিদিব যেন লাগিল।

: কালিলৈ গধূলি কেনে হব?

: মোৰ একো কথা নাই। মানুহবোৰক মতিলেই হ'ল। মই আজি ৰাতি মাতিলেও ৰাজু।
মহেশ্বৰে এইবাৰ শেষবাৰৰ কাৰণে তাক সোঁৱৰাই দি যাবলৈ ওলাল—

: তেনেহলে মনত ৰাখিবা, কালিলৈ গধূলি।

: হব।
ডেকা ল'ৰা দুটা গ'লগৈ। সি হঠাৎ শুনিলে ঘৈণীয়েকে হোৱালীজনীক কিবা গালি-শপনি পৰা। দুষাৰমান গালি শুনাৰ পাচতে সি বুজিলে হোৱালীজনী উপলক্ষ্যহে; আচল লক্ষ্য আছিল সি। মহাভাৰতৰ কুৰুক্ষেত্ৰৰ সূত্ৰপাত হয় এতিয়া। সি শংকিত হ'ল, সিহঁতৰ কথা-বতৰা ইমানপৰে মানুহজনীয়ে নিশ্চয় ওনাই আছিল।

কলিতাই সিহঁতৰ কথাবোৰকে শুনাই আছিল। সি গৈছিল শালপাৰালৈ শিমলু-তুলা বিচাৰি। আহোতে বাটৰ কাষতে এটা নামঘৰৰ সন্মুখত মুকলি পথাৰত এখন বাজহুৱা সভাত কোনোবা এজনে বক্তৃতা দি থকা দেখি সি পিচপিনে শ্ৰোতাৰ মাজত বহি ললে।
সি বক্তৃতা শুনিবলৈকেহে বহিছিল, কিন্তু মঞ্চৰ বক্তাজনতকৈও সৰস আলোচনাত ব্যস্ত হৈ পৰিছিল তাৰ কাষত বহি থকা ডেকা দৰ্শকৰ এটা জুমহে। বক্তাজনে বক্তৃতা দিছিল দেশৰ পৰাধীনতাৰ শিকলি ছিণ্ডি কিদৰে মুক্তি লাভ কৰিব পৰা যায় তাৰ ওপৰত। ডেকা দৰ্শক-কেইজনে ফিচ ফিচাই আলোচনা কৰিছিল আকৌ বক্তাজনৰ বিষয়েহে। সিহঁতে কথাবোৰ এনে ৰহস্যময় কৰি তুলিছিল যে বক্তাজনৰ বক্তৃতাত তাৰ মন নবহা হ'ল। সিহঁতৰ কথা-বতৰাবোৰহে সি শুনাবলৈ ধৰিলে।
অৱশ্যে সি কাণহে ৰাখিছিল সিহঁতৰ কথা-বতৰাত। দৃষ্টি কিন্তু ৰাখিছিল বক্তাজনৰ ওপৰত।
তাতেই তো এটা মুহূৰ্তত তাৰ ওলট-পালট লাগি গৈছিল। বক্তা-জনৰ মুখখন তাৰ চিনাকি যেন লাগিছিল। চাওতে চাওতে তেওঁৰ মুখৰপৰা সি দৃষ্টি ঘূৰাই আনিব পৰা নাছিল। ক'ত দেখিছিল বাৰু মানুহজনক ! জনাৰ বাবে ইমান কৌতুহল হৈছিল যে, ওচৰতে চিনাকি কাৰোবাক দেখে নেকি চাৰিওপিনে চাইছিল। কাকো নেদেখি সি বক্তাৰ মুখলৈকে একেথৰে চাই থাকিল। এনেতে হঠাৎ ডেকা এজনৰ কথা তাৰ কাণত পৰিল—

: কিন্তু এঠিং যে কবে ! সিদিনা বজালীত, সিদিনা মানে হ'ল কেইমাহমান, নগাকোঁৱৰত চেংলুঙৰ।

: নগাকোঁৱৰত চেংলুং মানে ? চেংলুঙেইতো নগাকোঁৱৰ আকৌ !

ইজনৰ টিপ্পনি উপেক্ষা কৰি ডেকাজনে ক'লে—

: শুনচোন, সেইদিনা চেংলুঙৰ পাৰ্টটো যে কৰিছিল মানে নিজে নেদেখিলে বিশ্বাস কৰিব নোৱাৰি।

কল্পিতাৰ মনত হঠাৎ চব স্পষ্ট হৈ গ'ল। সেইজন আছিল ব্ৰজ শৰ্মা। কোহিনুৰ থিয়েটাৰ অৰ্থাভাৱত ভাগি গৈছিল। নামনি অসমৰ প্ৰায়বোৰ 'প্লেয়াৰে'ই ওলাই আহিছিল চামতাৰ ধৰণী ভট্টক সমাজে এঘৰীয়া কৰি যোৱাৰ কথা শুনি। কথা এটা ভাবি তাৰ আপোনা-আপুনি হাঁহি উঠি গৈছিল। ব্ৰজ ঠাকুৰ সঁচাকৈ ওস্তাদ অভিনেতা। এই সভাৰ মঞ্চতো তেওঁ গান্ধী টুপীটো পিন্ধি যি ধৰণে বক্তৃতা দিছে, কোনে কব তেওঁক স্বদেশী ভলন্টিয়াৰ নহয় বুলি। তেওঁৰ সমস্ত কথা-কাণ্ড যেন জেল-ফেৰত ভলন্টিয়াৰৰহে। মহাত্মাৰ কথা, কংগ্ৰেছৰ কথা যি-ধৰণে ব্যাখ্যা কৰিছে তেওঁ যেন আগৰপৰাই কংগ্ৰেছৰ স্বদেশী আন্দোলনত আছিল, কথাবোৰ শুনিলে সকলোৰে তেনে এটা ধাৰণা হব।

এনেতে সভাত ধ্বনি উঠিল 'জয় কংগ্ৰেছৰ জয়, জয় ভাৰতমাতাৰ জয়, জয় মহাত্মাৰ জয়'। ব্ৰজ শৰ্মাই মঞ্চৰ পৰা লগাই দিছিল আৰু সমবেত আটায়ে ধ্বনি দি উঠিছিল। সি চকু দুটা মুদি দিলে, তাৰ দৃশ্যপটত ভাহি উঠিছিল সপ্তসিংহৰ কথা, ৰাণা প্ৰতাপৰ কথা। কৃষ্ণ শৰ্মা আৰু ব্ৰজ শৰ্মাই ৰাণা প্ৰতাপ, সপ্তসিংহৰ অভিনয় কৰিছিল, কত অজস্ৰজনৰ মুখত, হেজাৰ হেজাৰ যাত্ৰামোদী মানুহৰ মুখত সেই অভিনয়ৰ কাহিনী ৰূপকথাত পৰিণত হৈ পৰিছে। ৰাণা প্ৰতাপৰ মুখত দেশভক্তিৰ উদাত্ত আহ্বান শুনিলে দৰ্শকহেনো বৈ থাকিব নোৱাৰে। 'জয় ভাৰতমাতা কী জয়' বুলি ধ্বনিত খলক লগাই তোলে।

সি অজস্ৰজনৰ মুখত এইবোৰ শুনিছে। অৱশ্যে কেৱল বজালীতহে ব্ৰজশৰ্মাৰ অভিনয় দেখাৰ তাৰ সৌভাগ্য হৈছে। সেই চেংলুঙৰ অভিনয়। কিন্তু মানুহৰ মুখত শুনি শুনি তাৰ এনে এটা হৈছে, সি যেন নিজেই ব্ৰজ শৰ্মাৰ অজস্ৰ চৰিত্ৰৰ অভিনয় দেখিছে? বালাজী বাজিৰাও, চন্দ্ৰগুপ্ত, ৰাণা প্ৰতাপ, সপ্তসিংহ, ভাস্কৰ পণ্ডিত আৰু 'আকালেৰ

দেশ'ত জনার্দন এনেধৰণৰ কত অবিস্মৰণীয় চৰিত্ৰায়ণ সি যেন নিজেই দেখিছে ব্ৰজ শৰ্মাৰ।

সভা ভংগ হোৱাৰ লগে লগে সিও উঠিল। ব্ৰজ শৰ্মাক লগ ধৰাৰ কাৰণে প্ৰবল ইচ্ছা হ'ল। কলিতাই অপেক্ষা নকৰিলে। পোনে পোনে গৈ, ব্ৰজ শৰ্মাক বাইজৰ কেইজন মানে নি যিটো ঘৰত বহিবলৈ দিছিল, কলিতাও তাতে সোমাই গ'ল। শৰ্মাক নি বহুৱা কোঠাটোলৈ সিও সোমাই গ'ল। আৰু কোন আছিল, কোন নাই সেইবোৰলৈ পৰোৱা নকৰি কলিতাই ব্ৰজ শৰ্মাৰ সন্মুখত আঠু লৈ প্ৰণাম জনালে।

: তুমি কোন বোপা?

: মই কলিতা, পাট্টাচাৰকুছিৰ।

: কি কৰা তুমি?

: যাত্ৰাত ফুৰোঁ। ঠাকুৰ আমাৰ গাঁৱত নতুনকৈ এটা পাৰ্টি খুলিছোঁ। আপুনি এদিন গৈ আশীৰ্বাদ দি আহিলে আমি বৰ ভাল পাম।

: কি প্লে লৈছা?

: আমি আপোনাৰ 'বেদোদ্ধাৰ'খন নাপালোঁ। প্ৰথম অসমীয়া নাটক আমাৰ ধনেশ্বৰ শৰ্মা চাৰ আৰু উমা শৰ্মাই লেখা দুখন লৈছোঁ। নল-দময়ন্তী আৰু কমলিনী। বলোৱা আৰু পিপলিকাবীৰ পৰা আনিছোঁ নাটক দুখন।

: ভাল নাটকেই লৈছা। 'আকালৰ দেশ'খনো লোৱা। মাষ্টৰ কোন আছে বাৰু?

: আমি হৰেণ শৰ্মাক নিছোঁ।

: তেনেহলে চিন্তাৰ কাৰণ নাই। মই পিচে যাব নোৱাৰিম। সংগঠনৰ কামত ব্যস্ত আছোঁ।

: আপুনি এই ক্ষেত্ৰত কিয় ঠাকুৰ? আপোনাৰ ক্ষেত্ৰ হ'ল অভিনয়ৰ। অসমৰ ৰাইজে আপোনাক তাতহে বিচাৰে।

: ক'ত লগ পালা তুমি সেই ৰাইজক? মোক ৰাইজেই খেদিলে তাৰপৰা, তুমি আকৌ ওলোটা কথাহে কৈছা।

তেওঁ অলপ বৈ কোঠাটোত বহি থকা কেউজনকে উদ্দেশ্য কৰি কোৱাৰ দৰে কলে—

: তুমি নিজে যʼত্ত, যি-ক্ষেত্ৰত দেশক কিবা দিব পাৰা বুলি ভাবা, তাতেই দিবলৈ যত্ন কৰাঁ।

কলিতাই উত্তৰত কবলৈ বুলি কথা বিচাৰি পোৱা নাছিল। মাত্ৰ সন্তৰ্পণে ঠাকুৰৰ ভৰিৰ পৰা মূৰলৈ চাইছিল। তেওঁ মূৰৰ টুপীটো খুলি হাতত ললে। আৰু টুপীটোলৈকে কিবা এটা ভাবি একে থৰে কিছুপৰ চাই থাকিল। তাৰ পাচত মূৰ তুলি কোঠাটোত থকা মানুহবোৰৰ মুখলৈ চাই কলে—

: অভিনয় মই আকৌ কৰিম। কিন্তু 'আকালৰ দেশ'ৰ দৰে সঁচা কাহিনীৰ আধাৰত লেখা নাটকৰ অভিনয় কৰিলেই পুলিচৰ অত্যাচাৰত দৰ্শক অপমানিত হবলগীয়া অৱস্থা এটা দেশত যেতিয়ালৈকে থাকিব, তেতিয়ালৈকে আমাৰ অভিনয়ৰ কোনো সাৰ্থকতাই নাই। বুজিছা কলিতা, আগেয়ে দেশ, তাৰ পাচত আন কথা। এতিয়া গাঁৱে গাঁৱে তোমালোকে মুষ্টি ভিক্ষা কৰা। গাঁওবুঢ়াৰ ঘৰত চাউল-দালি যি হয় জমাই বিক্ৰী কৰি টকাটো বৰপেটাত দাসৰ হাতত চমজি দি আহিবা।

: মুষ্টি ভিক্ষা মানে বুজা নাই ঠাকুৰ।

কলিতাৰ প্ৰশ্নবাৰ শুনি ব্ৰজ শৰ্মাই কলিতাৰ পিনে নোচোৱাকৈয়ে আগৰ দৰেই সকলোকে সম্বোধি কোৱাৰ দৰে কলে—

: প্ৰতি ঘৰতে একোটাকৈ বাঁহৰ চুঙা লবা। বান্ধনীক কৈ থবা নিতৌ পুৱা আৰু গধূলি ভাতৰ কাৰণে চাউল ধুবলৈ যোৱাৰ আগতে থবাহিৰ পৰা এমুঠিকৈ চাউল চুঙাত থৈ যাব। দালি খোৱা সকলে বেলেগে চুঙা এটাত দালিও থব পাৰে। মাহৰ শেষত চুঙাত জমা হোৱা দালি-চাউল প্ৰতি ঘৰে গৈ গাঁওবুঢ়াৰ ভাত জমা কৰি বিক্ৰী কৰি দিব। সেয়ে গান্ধী মহাৰাজৰ মুষ্টিভিক্ষা। এনেদৰে গাঁৱে গাঁৱে উঠা পইচাবোৰ কংগ্ৰেছৰ পুঁজিলৈ যাব। আমাৰ দেশত পাঁচ লক্ষ গাঁও আছে। গাঁৱে পতি এটকাকৈ উঠিলেও পাঁচ লক্ষ টকা হব।

পাঁচ লক্ষ টকা তোলাৰ ইমান সহজ উপায়টো শুনি আটায়ে বিস্ময় প্ৰকাশ কৰিলে। কলিতাতো হুতবাক হৈ গ'ল। সিহঁতৰ গাঁৱত হবেণ মাষ্টৰক দিবলৈ টকা চাৰিকুৰিও নুঠে। সিহঁতেওতো এই উপায়টো লব পাৰে। সি মনতে ছিছাপ কৰি চালে, সিহঁতৰ চুবুৰীটোৰ তিনিকুৰি দুই ঘৰৰ মাজত এমাহতে চোন তিনিকুৰি দুই টকা উঠিব কম পক্ষেও। তালিমৰ তিনি মাহত অন্ততঃ নকুৰি টকা উঠিব।

কলিতা মনতে উল্লাসিত হৈ উঠিল আৰু তৎক্ষণাৎ মানুহ ঘৰবপৰা ওলাই আহিল। আহি যাই আলিটো পাওতে চকা ভুবিছিল। তাৰ কিন্তু তেতিয়াও জৰুৰী কাম দুটা কৰিবলগীয়া আছিল। টিহু চক'ত সি এঘৰৰ তাত সোমাই চন্দ্ৰহংস পালাখন লব লাগে। আৰু নমাটিত গৈ পৰীক্ষিত পাঠকক লগ পাব লাগে।

চন্দ্ৰহংস পালাখন সি আগতে আন এঠাইৰপৰা আনিছিল। তাৰ আখৰবোৰ বৰ বেয়া। তাতে মাজৰ তিনিখিলাপাত নাই। গতিকে নতুন এখন বিচাৰিছিল। টিহু চ'কত এঘৰৰ তাত নতুনকৈ নকল কৰা এখন আছে বুলি সি খবৰ পাইছিল। সেইখন সি যেনে তেনে আনিব। পৰীক্ষিত পাঠকৰ তালৈ যোৱাৰ উদ্দেশ্যটো আকৌ বেলেগ। কিন্তু সমানে জৰুৰী।

চন্দ্ৰহংস পালাত মন্ত্ৰীৰ জীয়েক বিষয়াৰ পাৰ্টটো কৰা ভাল 'প্লেয়াৰ' এজন বিচাৰিছিল। গাঁৱত তেনে ল'ৰা নাই। কৰ্দৈগুৰিৰ শান্তি কলিতাই বৰ ভাল কৰে; তেওঁ কিন্তু ফুলগুৰি পাৰ্টিত আছে। নাছে। গতিকে পৰীক্ষিত পাঠকক অনাৰ কাৰণে মেনেজাৰে তাকে চেষ্টা কৰিবলৈ দিছে। পাঠক কেৱল ফিমেল পাৰ্টতে নহয়, গান-বাজনা-নাচ চবতে ওস্তাদ। হবেণ মাষ্টৰ গলেও চিন্তাৰ কাৰণ নাথাকিব, যদিহে পাঠক আহে।

সি সেইবোৰকে চিন্তা কৰি জোৰেৰে চাইকেলখন চলালে। সমান হৈ থকা কণ কণ শিলগুটিবোৰৰ ওপৰেদি মধুৰ শব্দ কৰি চাইকেল আগবাঢ়িল। সি মনেই কৰা নাছিল তাৰ বাট ভেটি সমুখৰ পিনে ৰাস্তাত যে এদল পুলিচ থিয় হৈ আছিল। অলপ আগুৱাই গৈয়ে পুলিচৰ দলটো দেখি সি ভয়তে বিমূঢ় হৈ থমকি ৰ'ল।

কলিংগ ৰাজমন্ত্ৰীৰ জীয়ৰী বিষয়া ভয়তে বিমূঢ় হৈ থমকি ৰ'ল। টোপনিত লালকাল হৈ ফুবৰিবণত শুই থকা চন্দ্ৰহংসক দেখি প্ৰথমতে বিষয়াই মৃতদেহ বুলি ভয় খাইছিল। তাই গৈছিল নদীৰ ঘাটলৈ বুলি গাধোৱাৰ উদ্দেশ্যে। অকলে।

কলিতাই চন্দ্ৰহংস পালাৰ ঘটনাটো প্ৰথম দিনাৰ তালিমৰ আগতে যাত্ৰাদলৰ ডেকাহঁত আৰু প্ৰোম্পটাৰ চাৰিজনক কৈছিল। কাহিনীটো কেনেদৰে ৰচনা কৰিছে সেইটো জানি ললে, অভিনেতাসকলে চৰিত্ৰায়ণ কৰাৰ সময়ত চৰিত্ৰৰ মনোভাব, দৃশ্যৰ পৰিবেশ অনুভৱ কৰিবপৰা হয়। সেয়ে কলিতাই প্ৰথমবেপৰা কাহিনীটো কৈ গৈছিল।

চন্দ্ৰহংস আছিল কলিংগৰ ৰাজকুমাৰ। মন্ত্ৰী আছিল ৰাজ্যলোলুপ আৰু এক জঘন্য চক্ৰান্তৰ নায়ক। সিয়েই ষড়যন্ত্ৰ কৰি কলিংগৰাজক বৈদ্যৰ দ্বাৰা কূটমন্ত্ৰ কৰি মৰোৱাইছিল। কিন্তু যেহেতু ৰাজকুমাৰ চন্দ্ৰহংসৰ জীৱদ্দশাত সি সিংহাসনৰ অধিকাৰী হব নোৱাৰিব, সেইবাবে সি ৰাজকুমাৰক হত্যা কৰোৱাৰ উপায় চিন্তা কৰিলে। উপায় এনেধৰণৰ হবলাগিব যাতে ৰাজকুমাৰো মৰিব আৰু কোনেও নাজানিব কিদৰে ৰাজকুমাৰ মৰিল।

প্ৰথমে মন্ত্ৰীয়ে নিজৰ বিশ্বস্ত গুপ্তঘাতক কেইজনমানক পাচিলে। সিহঁতে কিন্তু চন্দ্ৰহংসক ভাল পাইছিল। গতিকে তেওঁক জংঘললৈ লৈ গৈ এৰি দিলে আৰু কুকুৰ এটা কাটি তেজ আনি মন্ত্ৰীক দেখুৱাই কলেহি যে, সিহঁতে চন্দ্ৰহংসক কাটি টুকুৰা টুকুৰা কৰি জংঘলত পেলাই থৈ আহিছে।

কিন্তু মন্ত্ৰীয়ে কেইদিনমানৰ পাচতে প্ৰকৃত কথাটো জানিলে আৰু শংকিত হৈ পৰিল। সি চন্দ্ৰহংসৰ সতে বন্ধুত্ব স্থাপন কৰাৰ প্ৰতিশ্ৰুতি দিলে আৰু চন্দ্ৰহংসক কলে তাৰ পুত্ৰ মদনৰ সতে চিনাকি হবলৈ।

মন্ত্রীয়ে পুত্ৰ মদনলৈ এখন চিঠি লিখি চন্দ্ৰহংসৰ হাতত দি পঠালে। চিঠিখনত আচলতে লেখা আছিল চন্দ্ৰহংসই মদনৰ ঘৰ পোৱাৰ লগে লগে তাক বিষ দিব অৰ্থাৎ বিহ দি মাৰি পেলাব।

চন্দ্ৰহংসই নিজৰ মূৰৰ পাগুৰিত চিঠিখন সুমাই লৈ মদনৰ ঘৰ অভিমুখে গৈছিল। মদনৰ ঘৰ পোৱাৰ আগতে তেওঁ এখন নৈৰ পাৰত ক্লান্তিত অকণ জিৰাই লোৱাৰ অৰ্থে ঘাঁহনিত শুই পৰিছিল। তেওঁ সোনকালে টোপনিত অচেতন হৈ পৰিছিল। মূৰৰ পাগুৰি খোল খাই গৈছিল। এনেতে বিষয়া আহিছিল নদীত গা ধুবলৈ। সুন্দৰ যুৱকজনক তেনেদৰে পৰি থকা দেখি ভয়তে তাই বিমূঢ় হৈ পৰিছিল। পাচত বুজিলে যে, তেওঁ টোপনিত অচেতন হৈ শুইহে আছে। কাষতে চিঠিখন পৰি থকা দেখি কৌতূহল সামৰিব নোৱাৰি তাই পঢ়ি চালে। চন্দ্ৰহংসৰ ৰূপ দেখি তাই মুগ্ধ হৈছিল। তেওঁক তেনেদৰে হত্যা কৰাৰ কথাটো তাই সহ্য কৰিব নোৱাৰিলে। তাই বুদ্ধি কৰি 'বিষ' শব্দটোৰ পাচত 'য়াক' এই আখৰ দুটা লগাই দি চিঠিখন আগৰ ঠাইতে থৈ মনে মনে গুচি আহিল। চন্দ্ৰহংসই সাৰ পাই উঠিল। নিজৰ সাজ-পাৰ ঠিক কৰি চিঠিখন লৈ মদনৰ ঘৰত সোমাই মদনৰ হাতত দিলে। মদনে বাপেকৰ চিঠিখনত বিষয়াক চন্দ্ৰহংসক দিবলৈ নিৰ্দেশ দিয়া দেখি, চন্দ্ৰহংসলৈ ভনীয়েক বিষয়াক বিয়া দি দিলে।

সেইখিনিলৈকে কৈয়েই কলিতা থমকি ৰ'ল। নাটকখন বঙলাৰপৰা কটা হব লাগিব। অসমীয়াত 'বিই'হে 'বিষ' নহয়। 'বিষ'ৰপৰা 'বিষয়া' হৈছে। উজনিত এই নাটক নচলিব। কামৰূপ-দৰঙত চলিব অৱশ্যে। কামৰূপ-দৰঙত খোৱা বস্তুটো বিষেই। গাত দুখ পোৱাটোহে বিহ। হাত-ভৰি বিহায় কামৰূপ দৰঙত। আৰু নীলকণ্ঠই হলাহল বিষ খায়। উজনিৰ একেবাৰে ওলোটা। কথাটো চিন্তা কৰি সি আশ্বস্ত হ'ল। হৰেণ শৰ্মা তেতিয়া সিহঁতৰ দলত নাছিল। তেওঁক দৰমহা দিবলৈ সি তাৰ বৰ ভাল মহ এজনী নেপালী মহাজনক বিক্ৰী কৰি দিছিল। সেই লৈ সিহঁতৰ ঘৰত কেবাদিনো কুৰুক্ষেত্ৰ যুদ্ধ লাগিছিল তাৰ আৰু ঘৈণীয়েকৰ মাজত। অৱশ্যে সেই টকা পুহ মাহত বাইজে

তাক সুধাই দিছিল। সেই মুহূৰ্তত সেই কথা চিন্তা কৰাৰ আৱশ্যক নকথা সত্বেও তাৰ মনত পৰিছিল। সি মনৰ ভাবটো আঁতৰাই পৰীক্ষিতক কৈছিল—

: দাদা, আপুনি দেখুৱাওকচোন বিষয়াৰ পাৰ্টটো।

পৰীক্ষিতে তবলাৰ সুৰ বান্ধি আছিল। কলিতাৰ অনুৰোধৰাৰ শুনি তেওঁ উঠি আহিল আৰু বিষয়াই চন্দ্ৰহংসক দেখি ভয় খাই স্তব্ধ হৈ যোৱা দৃশ্যটো এনেদৰে অভিনয় কৰি দেখুৱালে যে কলিতাৰ হঠাৎ মনত পৰি গ'ল সেইদিনা গধূলি আলিবাটত পুলিচৰ দলটো দেখি সি থমকি ৰৈ যোৱাৰ কথা। সি পাচত অৱশ্যে জানিছিল দলটোৰ তাৰ বিষয়ে কোনো ধৰণৰ কৌতূহল নাছিল। সি এইটোও জানিছিল যে, পুলিচৰ দলটো ৰৈ আছিল ব্ৰজ শৰ্মা সেই বাটেদি এঠাইলৈ যোৱাৰ কথা আছিল বুলি গোপন খবৰ এটা পাইহে।

ছুপৰীয়া ৰাজহুৱা সভাত সি যিহে বক্তৃতা শুনিছিল ব্ৰজ ঠাকুৰৰ মুখত সি গাঁৱত কথাটো জানি ভীষণ উদ্বিগ্ন হৈ পৰিছিল পুলিচে ধৰি নি ঠাকুৰক কিবা অত্যাচাৰ কৰিব পাৰে বুলি।

ধৰা অৱশ্যে তেওঁ পৰা নাছিল। কিন্তু সেই দিনাৰপৰা অঞ্চলটোত পুলিচৰ গতি-বিধি অলপ বেচি হৈ পৰিছিল।

: হেৰ' কালিলৈ মিটিঙত আমাৰ গাঁৱৰ কাক কাক মাতিছে অ'?

কলিতাৰ প্ৰশ্নত আটায়ে তাৰ মুখলৈ চালে। কলিতাই কাৰো পিনে চোৱা নাছিল। লেমৰ পোহৰত নামঘৰৰ চাৰিওপিনৰ চকোৱাৰ কামীবোৰ জিলিকি উঠিছিল। বাহিৰত আছিল ঘোপ মৰা এন্ধাৰ আৰু হাড়কঁপোৱা জাৰ। এটা বিৰাটকায় ক'লা বৰণৰ দৈত্যই যেন জিলিকি থকা কামীবোৰৰ যিটো পাৰেই সিহঁতক ধৰিবলৈ কৰবাত খাপ লৈ আছে। তাৰ মনত বুজাব নোৱৰা এটা ভয় হ'ল।

: আমি নাজানো কিহৰ মিটিং; কিবাচোন হাকিমে পতা মিটিং হেনো। গাঁওবুঢ়ালৈ চিঠি আহিছে হবলা?

মহেশ্বৰৰ কথাবাৰত সি কোনো গুৰুত্ব নিদিলে। মাথোন হাকিমজনৰ কথাকে ভাবিলে। নলবাৰীৰ ফালৰ একেবাৰে ডেকা ল'ৰা হাকিমজন।

প্ৰথমতে দেখিলেই মৰম লাগে। কিন্তু তেওঁ মহাত্মাৰ বিৰুদ্ধে কয়, বাইজৰ স্বাৰ্থৰ বিৰুদ্ধে এনেদৰে যাত্ৰীৰ বীৰে বচন মতাদি কথাবোৰ কয় যে, তেওঁক তাৰ একেবাৰে ভাল নালাগে। সি তেওঁ মতা মিটিঙ দুই এখনলৈ গৈছিল ইতিমধ্যে।

ব্ৰজ ঠাকুৰহঁতৰ মিটিঙৰ বক্তৃতা শুনি তাৰ মন যিদৰে অভিভূত হৈ পৰে বাইজৰ হৈ কিবা এটা কৰাৰ কাৰণে, হাকিমৰ মিটিং শুনিলে তাৰ সেই ভাবটো আৰু বেচি প্ৰবল হৈ পৰে। হাকিমে দিয়া পৰামৰ্শৰ বিৰুদ্ধে বহুত কিবা কিবি কৰি পেলাবলৈ মনলৈ এটা জিদ আহি যায়। সি ইমানপৰে পাহৰি আছিল যে গাঁৱৰ নামঘৰৰ তালিমত সি বহি আছে; সেই চিন্তাবোৰতে সি বুৰ গৈ আছিল। এনেতে হঠাৎ তাৰ চেতনাক জোকাৰি দি ঘটনা এটা ঘটিছিল।

শিৱ বাহিৰলৈ গৈছিল। কিয়নো সি মিটিঙৰ বিষয়ে প্ৰশ্নবাৰ সোধাৰ পাচতে তাৰ মনত ভয় হোৱাৰ দৰেই, আন সকলোৰে মনতো নিশ্চয় কিবা এটা ভয় সোমাইছিল। শিৱ আছিল অলপ ওফাইদাং মৰা বিধৰ। সি আচলতে এনেয়ে ওলাই গৈছিল।

অলপ পাচতে শিৱ উধাতু খাই নামঘৰত সোমাইছিলহি। কলিতা আৰু পৰীক্ষিতে সপ্ৰশ্নদৃষ্টিৰে তালৈ চাইছিল। শিৱ হতভম্ব, বিমূঢ় হৈ লাহেকৈ ডেকাহঁতৰ মাজত বহি লৈছিলহি। কলিতাই তাক নীৰৱে থকা দেখি স্বাভাৱিক হবলৈ চেষ্টা কৰি সুধিলে—

: কি অ' শিৱ?

কলিতাও ভাবি পোৱা নাছিল সি উধাতু খাই সোমাই অহাৰ কাৰণটো কি হব পাৰে। শিৱই তাৰ প্ৰশ্ন শুনি নামঘৰৰ চাৰিওপিনে সন্তৰ্পণে চালে আৰু দুৱাৰমুখৰ পিনে চাই কিবা এটা বিষয়ে নিশ্চিত হোৱাৰ দৰে কৰি তৎক্ষণাৎ মুখেৰে শব্দ এটা উচ্চাৰণ কৰিলে—

: পুলিচ।

সেই অকমান শব্দটোৱে নামঘৰটোৰ ভিতৰখন ভৰাই দিয়া যেন অনুভৱ হ'ল কলিতাৰ। আটায়ে স্তব্ধ হৈ ৰ'ল। এনেতে বাহিৰত কোনোবা এজনৰ মাত শুনা গ'ল—

: হেৰি, অৰুণ মাত দিবচোন।

আটাইৰে মুখলৈ এবাৰ চাই লৈ কলিতা নিজেই ওলাই আহিল। পিচে পিচে ওলাই আহিলে শিব, মহেশ্বৰ এনেদৰে কেবাজনো।

: আমনি দিয়া কাৰণে বেয়া নাপাব দেই। ইমান পৰে আপোনা-সকলে তালিম দি থকা দেখি আমনি কৰা নাছিলোঁ। আমি অৰুণ নামঘৰৰ বাৰান্দাতে বহি জিৰাব পাৰিমনে ?

ডেকা পুলিচ বিষয়াজনৰ এনে বিনম্ৰ আচৰণত আটাইৰে বুকত ইমানপৰে ভৰ কৰি থকা গধুৰ শিল এটা হঠাৎ খহি পৰা যেন পাতল লাগিল। কলিতাই কলে—

: কিয় নোৱাৰিব ? এই শিব, চাৰি কেইখনমান উলিয়াই দে অ’। বাহিৰত ইমান জাৰ পৰিছে। আপোনালোক কিমানজন বাৰু ?

: আমি সাতজন।

কলিতাই অলপ চিন্তা কৰিলে। মানুহ পোন্ধৰ-কুৰিজন হলে অলপ দিগ্‌দাৰ হয় ঘৰত। কিন্তু সাতজন যেতিয়া—

: মোৰ ঘৰলৈ যোৱাত আপোনাসকলৰ কিবা আপত্তি আছে নেকি ? জুই একুৰা ধৰি দিম চোতালত। গাখীৰ দিয়া চাহো অকণ পাব। বলক।

: আপোনাৰ অসুবিধা নহলে আমাৰ একো নাই। আমিতো ভালেই পাম। পিচে এতিয়াই যাম জানো, অকণ তালিমকে চাও দিয়ক। কলিতাৰ মনটো হঠাৎ দমি গৈছিল। শেষৰ এই কথাষাৰত কিবা এটা সন্দেহৰ ছাঁ থকা যেন তাৰ মনত ভাব হ’ল। পুলিচ আৰু ফেঁটী সাপ বিশ্বাসৰ একেবাৰে অযোগ্য।

তথাপি সি পুলিচ কেইজনক বাৰান্দাত বহিবলৈ দি জপনাখন পাৰ হৈ নামঘৰত সোমাল আৰু পৰীক্ষিতৰ সেই অভিনয়টোকে তালিম কৰালে। তাৰ পাচত নিজে মন্ত্ৰীৰ চৰিত্ৰ, মহেশ্বৰে চন্দ্ৰহংসৰ এনেদৰে তালিম কৰোঁতে এসময়ত কলিতাই পুলিচকেইজনৰ কথা একেবাৰে পাহৰি গৈছিল।

নাটকৰ কথাতে মছগুল হৈ পৰীক্ষিতক এবাৰ কলিতাই কলে—

: পৰীক্ষিত দা, এই নাটকখন আজিকালি বৰ নজমে। 'আকালেৰ দেশ'খন কৰবাত পোৱা নাযায় নে?

প্ৰশ্নযাৰ যেন পৰীক্ষিতক সোধা হোৱা নাছিল। পৰীক্ষিতে কিবা উত্তৰ দিয়াৰ আগতেই জপনাৰ বাহিৰপিনে মূৰ্তিমন্ত যমদূত এটাৰ দৰে থিয় দি থকা ডেকা পুলিচ বিষয়াজনক দেখা গৈছিল। তেৱেঁই সুধিলে—

: 'আকালেৰ দেশ'খন বৰ গৰম নাটক হেনো? আছে নেকি ইয়াত?

: আমাৰ নাই; তাকেতো এখেতক সুধিলোঁ। ক'ৰবাত পোৱা যায় নেকি।

পৰীক্ষিতলৈ দেখুৱাই কলিতাই কলে। বিষয়াজনে কলে—

: মোৰ হলে এতিয়া আপোনালোকে কৰি থকা নাটকখনহে ভাল লাগিছে। মোৰ বোধেৰে এইখনহে জমিব। 'আকালেৰ দেশ'খন ভাল নাটক নহয়।

ভালতো নহয়েই; নহলেনো 'আকালেৰ দেশ' নাটকৰ অভিনয় হৈ থাকোতে গোৰা কমিছনাৰ চাহাব গৈ পিপলিবাৰীৰ উদয় ঠাকুৰইঁতক দৰ্শক ৰাইজৰ সাক্ষাতত অপমান কৰি অভিনয় বন্ধ কৰি দিয়েনে? সেইখন বোলে চৰকাৰ বিৰোধী 'প্লে'। অগ্নিশালাৰ ঢুলীয়া দলে নলবাৰীৰ ৰাসপূজাত 'গান্ধী-চাৰ্চিল' পালাখন কৰোঁতে গান্ধীৰ অভিনয় কৰা গোপীক অভিনয় কৰি থকাৰপৰা পুলিচে গ্ৰেপ্তাৰ কৰিবলৈ গৈছিল। কাহিনীবোৰ মনত পৰাত তাৰ মন উত্তেজিত হৈ পৰিছিল। আটায়ে নিৰৱ হৈ পৰা দেখি কলিতাই কলে—

: আজিলৈ তালিম হ'ব। চাবি-চাবিবোৰ সামৰি থোৱা। ৰাতি বহুত হ'ল।

পুলিচ বিষয়াজনে নিজৰ মানুহখিনিক বহাৰ পৰা উঠিবলৈ কলে। বন্দুকধাৰী কনিষ্টবল ছজনক পিচপিনে লৈ তেওঁ কলিতাৰ ওচৰলৈ আহি কলে—

: কৰবাত পালা ৰাখিলে আমাকো খবৰ দিব। এই চন্দ্ৰহংস পালাখন চাবলৈ মোৰ মন আছে। কালিলৈ মিটিঙত যাব নহয়?

তাৰ যাবলৈ একেবাৰে মন নাছিল। তথাপি সি তাৰ মনোভাব প্ৰকাশ নকৰি আওপকীয়াকৈ কলে—

: চাওচোন, ৰাতিটো পুৱাওক। যাবলৈতো মন আছেই। পিচে আৰু বা কি লেঠা ওলায়!

: যাব আটায়ে। হাকিমো আহিব। ভাল ভাল কথা শুনিবলৈ পাব।

: কথা শুনি আমাৰ দুখীয়া মানুহৰ পেট নভৰে হুজুৰ। যাত্ৰা কৰিলে আমিয়েতো কত ভাল কথা কওঁ। বিপথগামী, পাপী কতক কতৰকমৰ জ্ঞান দিওঁ। কিন্তু সেইবোৰৰ কিবা অৰ্থ থাকে জানো? এইবোৰ কথাও তেনেকুইহে।

পুলিচ বিষয়াজন নিৰৱে ইতস্ততঃ কৰি থিয় হৈ আছিল নামঘৰৰ সন্মুখত। কলিতাই বস্তু-বাহানিবোৰ পঠাই দি অকলশৰীয়া হৈ পৰিল। সি পুলিচ কেইজনৰ ওচৰলৈ আহি কলে—

: বলক।

তাৰ আমন্ত্ৰণ শুনি বিষয়াজনে মোহনীয় হাঁহিৰে কলে—

: আচৰিত আপুনিও। মই ভাবিছিলোঁ, আমি আপোনাক ইমান বিৰক্ত কৰিছোঁ, নিশ্চয় মনতে আপুনি আমাক জনোৱা নিমন্ত্ৰণটো ইতিমধ্যে বাতিল কৰিছে।

: আপুনি কি কৈছে মই একো বুজা নাই। বলক, বাহিৰত বৰ জাৰ পৰিছে।

পাচদিনা দিনটো তাৰ কোনো কামেই নাছিল। মিটিঙলৈ যোৱাৰ মনো নাছিল একেবাৰে। কিন্তু সি বিশ্বাসযোগ্য অজুহাত এটাও ভাবি পোৱা নাছিল। পুৱা শুই উঠি তাকেই চিন্তা কৰি বহি আছিল সি। এনেতে সিহঁতৰ নওলামুখত দেখিলে জিলাৰ কোনোবা বিষয়া এজনক লগত লৈ গাঁওবুঢ়াক সোমাই অহা।

গাঁওবুঢ়াই আশ্ৰয় দিবলৈ মান্তি নহ'ল। বৰপেটা জিলা কংগ্ৰেছৰ স্বেচ্ছাসেৱক শিৱিৰ পতা হব বৰনগৰত। ইপিনে ব্ৰজ ঠাকুৰ বৰনগৰ শাখা কংগ্ৰেছৰ উপ-সভাপতি। গতিকে তেওঁ ভীষণ ব্যস্ত হৈ পৰিছিল। চতিয়াৰ স্বেচ্ছাসেৱক কেপ্টেইন বাপাৰাম গগৈয়ে আয়োজনৰ কাৰণে আহিছে লগত দহ নে বাৰজন স্বেচ্ছাসেৱক লৈ। তেওঁলোকৰ থকা-মেলাৰ সুবিধা বিচাৰি গাঁওবুঢ়াৰ ওচৰ চাপিছিল ঠাকুৰ। গাঁওবুঢ়া মান্তি নোহোৱাত আনত চেষ্টা কৰিবলৈকো ঠাকুৰৰ সময় নাছিল।

ঠাকুৰ বিমোৰত পৰা যেন দেখি বাপাৰাম গগৈয়ে নিজেই সুধিছিল—

ঃ শৰ্মা, গাঁৱত কাৰো ঘৰত নিয়ৰ নপৰা খালী জেগা অকনো নেপাম-নে ?

ঃ সেইটো পাব। মোৰ তাতে সন্মুখৰ মানুহ বহা ঘৰটো এনেয়ে খালী হৈ পৰি থাকে। কিন্তু তাত তো দীঘল বেঞ্চি এখনত বাহিৰে একো নাই।

বাপাৰাম গগৈয়ে আৰু একোকে নকলে। মাথো লগৰ ভলন্টিয়াৰ কেইজনক লৈ শৰ্মাৰ ঘৰ অভিমুখে ৰাওনা হ'ল।

শিৱিৰৰ অস্থায়ী ঘৰ সজোৱা, মিটিঙৰ ৰভা দিয়া, ৰাইজৰ ভাত-চাহৰ বাবে ঘৰ, চৌকা আদি সজোৱা—এনেবোৰ কাম কৰি ৰাতি কেতিয়াবা বাৰটা, কেতিয়াবা দুই-তিনিটাও বাজি যায় শিবিৰৰ অস্থায়ী ৰান্ধনিঘৰত ভাত-পানী খাই শৰ্মাৰ ঘৰলৈ ওভোতোঁতে। শৰ্মাও লগতে আহে আৰু মানুহ বহা ঘৰটোৰ উকা মজিয়াখনত গগৈহঁতক এৰি থৈ নিজে শোৱা ঘৰত সোমায়। আচলতে গগৈয়েই তেওঁক তেওঁলোকৰ কাৰণে অকণো ব্যস্ত হোৱাৰ অৱকাশ নিদিয়ে। সেই দীঘলে তেৰফুট, বহলে দহ ফুটৰ মজিয়াখনত ইমানবোৰ মানুহে কিহত শোৱে, কিদৰে শোৱে শৰ্মাৰ কাৰণে এটা ৰহস্য হৈয়ে ৰ'ল শেষ পৰ্যন্ত। শৰ্মাই নিজে চাবিবজাত

উঠে শোৱাৰপৰা। উঠি আহি গগৈহঁতৰ কাকো নেপায় ঘৰটোত। আনকি কাপোৰ-কানি এডোখৰো নাথাকে তাত।

এদিন ব্ৰজ শৰ্মাই নিজেই এখন মিটিঙত বৰ্ণনা কৰিছিল এই কাহিনীবোৰ। তেওঁ কৈছিল, গগৈহঁত তেওঁৰ ঘৰত মাত্ৰ তিনিটা ৰাতি থাকিছিল। তাৰ পাচত শিৱিৰলৈ আহিছিল। কিন্তু সেই তিনিটা ৰাতি থকাৰ ফলত তেওঁৰ মানুহ-বহা ঘৰটোৰ সৰু-সুৰা লাংখা-লিংখি বস্তুবোৰ থানথিত লাগিছিল আৰু নদীৰ ঘাটলৈ যোৱা বাটটো পুৰা গ'লে গাত নিয়ৰত তিতা বিৰিনাবনৰ পাত নলগাকৈ বহল আৰু পৰিষ্কাৰ হৈছিল।

তেওঁ মিটিঙৰ বাইজৰ আগত এই খুতি-নাতিবোৰ এনেদৰে কোৱাৰ এটা উদ্দেশ্য আছিল। তেওঁ বাপাৰাম গগৈক কেন্দ্ৰ কৰি এইবোৰ কথা কৈছিল আন এটা কথাত জোৰ দিয়াৰ উদ্দেশ্যেহে। তেওঁৰ লক্ষ্য আছিল বৰনগৰৰ শিৱিৰত জাত-পাতৰ বিভেদ নামানি সকলোৱে একেলগে একেখন চালৰ তলত বহি যে ভাত খাইছিল সেই কথা বৰ্ণনা কৰাৰ। এটা সুদীৰ্ঘকাল ধৰি মানি অহা কুসংস্কাৰৰ আগত হাৰ মানি তেওঁয়ে কোহিনুৰ থিয়েটাৰ ভাঙি দিবলৈ বাধ্য হৈছিল তাৰ দুখ তেওঁ পাহৰা নাছিল। কিন্তু তেওঁ সেই কথা উল্লেখ কৰিব বিচৰা নাছিল। তেওঁ সমাজৰ অন্ধ-সংস্কাৰ পৰিত্যাগ কৰি নতুন চিন্তা-চৰ্চাৰে জীৱনৰ প্ৰত্যাহ্বানৰ মুখামুখি হবলৈ কৈছিল শ্ৰোতাসকলক।

কলিতাও আছিল শ্ৰোতাৰ মাজত বহি। ঠাকুৰৰ বক্তৃতা শুনি থকাত তেওঁৰ কিন্তু বাৰে বাৰে মনলৈ আহিছিল তেওঁ কোহিনুৰ থিয়েটাৰত ছোৱালীক অভিনয় কৰাই অপমান, গঞ্জনা যে সহ্য কৰিবলগীয়াত পৰিছিল বিভিন্ন ঠাইত, নিজৰ সমাজৰ মানুহৰ মাজতে সেই কথাবোৰ। যিমানে মনলৈ আহিছিল, সিমানে ঠাকুৰৰ প্ৰতি সহানুভূতিত তাৰ মন উথলি উঠিছিল।

সি তাৰ চাৰিওপিনৰ দৰ্শকবোৰৰ মুখলৈ সন্তৰ্পণে চাই গৈছিল আৰু মনতে অনুমান কৰিছিল যে সিহঁতৰ প্ৰতিজনে নিশ্চয় তাৰ দৰেই ঠাকুৰৰ প্ৰতি সহানুভূতিশীল হৈ পৰিছে।

সি আচলতে আহিছিল নলবাৰী অভিমুখে। এখন সত্ৰৰ সভাত ম'বোৱাৰ পাৰ্টি মতা হৈছিল হেনো। 'পণমুক্তি' পালা কৰিব। যোগেন ঠাকুৰ নে কালী শৰ্মাই বাসুকীৰ পাৰ্ট কৰাৰ কথা। সি সঠিক খবৰ পোৱা নাই.। অৱশ্যে ঠাকুৰ বা শৰ্মা তাৰ কাৰণে নতুন অভিজ্ঞতা নহব। সি উদগ্ৰীৱ হৈ পৰিছে ৰামমোহন কলিতা নামৰ ডেকাজনৰ অভিনয় চাবলৈহে। এই কলিতা নামৰ ডেকা ল'ৰাজনে তক্ষকৰ পাৰ্টটোৰ অভিনয় হেনো অপূৰ্ব কৰে। তাৰ আগ্ৰহ সেই অভিনয়টো চোৱাৰ। সি কাহিনীটোও নাজানে নাটকখনৰ। সি দৰ্শকৰ মাজেদি সুৰুঙা বিচাৰি দূৰলৈ চাই পঠালে। ইপিনে, সিপিনে, যিপিনেই দৃষ্টি যায়। শেষত এজন মানুহৰ মুখত হঠাৎ তাৰ দৃষ্টি পৰি গ'ল ; আৰু সি পৰম উৎসাহিত হৈ বহাৰ পৰা উঠি সন্তৰ্পণে মানুহজনৰ পিচপিনে বহি ললে।

ঃ পৰীক্ষিত দা', অ' পৰীক্ষিতদা'।

তাৰ ফুচফুচাই মতা মাতষাৰ নিশ্চয় পৰীক্ষিত পাঠকৰ কাণত পৰা নাছিল। ব্ৰজ শৰ্মাই ৰাইজক বৃটিছৰ সমৰ আয়োজনত সহায় নকৰিবলৈ আহ্বান জনাইছিল সেই সময়ত। মানুহৰ মাজত গুঞ্জন আৰম্ভ হৈছিল। কিয়নো বৰনগৰত বেকা নৈৰ পাৰত চৰকাৰে এটা উৰাজাহাজৰ ঘাটি সজোৱাৰ কাৰণে আয়োজন কৰিছে। দ্বিতীয় মহাসমৰৰ ৰণক্ষেত্ৰ অসমৰ পূৱপিনৰ অঞ্চলবোৰ পৰ্যন্ত প্ৰসাৰিত হৈছে।

কলিতাই মানুহৰ গুঞ্জনবোৰে সৃষ্টি কৰা কলৰোলত পৰীক্ষিতক তুনাই মতাৰ যত্ন নকৰি যুদ্ধৰ কথাবোৰকে চিন্তা কৰিলে। সিহঁতৰ অঞ্চলৰে চাউলৰ মলিৰ সৰু-সুৰা বেপাৰ কৰি ফুৰা মানুহ এজনে মাত্ৰ দুই বছৰৰ আগতে মণিপুৰ-বাৰ্মা এইবোৰ ঠাইলৈ গৈ কি জানো যুদ্ধৰ ঠিকা কৰিলে ; আলাউদ্দিনৰ চাকিহে যেন পালে সি। এতিয়া তাৰ টকা খবৰ জেগা নাই।

সিহঁতৰ গাঁৱৰ যাত্ৰা দলটো পইচাৰ অভাৱত যোৱাত সিও ভাবিছিল, ঘৰতে বহি ঘৰৰ মানুহজনীৰ নিতৌ কেটেৰা-জেঙেৰা সহ্য কৰি থকাতকৈ এবাৰ বাৰ্মাৰ পিনে গৈ ধন ঘটাৰ বাবে কিবা এটা কৰাৰ কথা। পঞ্চাচ হেজাৰমান টকা জমিলেই সি গাঁৱলৈ উভতি আহি

আকৌ ভালদৰে যাত্ৰাৰ দল এটা খোলাৰ কথাও সি মনতে একৰকম স্থিৰ কৰি লৈছিল।

কিন্তু বিধি আছিল বাম। সি ৰেল ষ্টেচনলৈ আহি এখন দীঘল মালগাড়ীত এগাড়ী জীয়া শগুণ লৈ যোৱা দেখিলে। দেখি তাৰ ঘিণো লাগিল, আচৰিতো হ'ল সি। ষ্টেচনতে মানুহ এজনক সুধি তেনেকৈ শগুণ লৈ যোৱাৰ যিটো কাৰণ শুনিলে, সি একেবাৰে নিৰুৎসাহ হৈ পৰিল। মানুহজনে তাক কলে যে বাৰ্মা-মণিপুৰত যুদ্ধত মৰা মানুহ খাবলৈ শগুণবোৰ লৈ গৈছে, আৰু যুদ্ধক্ষেত্ৰত খাদ্যৰ যিহে নাটনি, কেতিয়াবা শগুণকে মাৰি সৈন্যসকলক খুৱাব। নাটনিতো সি নিজেই দেখিছিল। এক আধি পকা কলৰ দাম এটকা পৰ্যন্তলৈ উঠা।

হতাশ হৈ সি ঘৰলৈ উভতি আহিছিল।

এতিয়া বৰনগৰৰ উৰাজাহাজৰ ঘাঁটিটোতো বিভিন্ন সুবিধা ওলাইছে। সি তাতে কিবা সুবিধা পায় নেকি তাৰে যত্নত আছিল। এতিয়া ঠাকুৰে চোন আকৌ ওলোটা উপদেশহে দিছে। চৰকাৰক সহযোগ নকৰিলে এনে সময়ত ৰাইজক বৰ জুলুম দিব।

তাৰ দুবছৰমান আগৰ সেই ঘটনাটোলৈ মনত পৰিল। গাঁওবুঢ়াই যে ৰাতিপুৱাতে চৰকাৰী বিষয়া এজন লৈ তাৰ ঘৰলৈ গৈছিল। তাক সেইদিনা হাকিমৰ মিটিঙলৈ নগলে পুলিচে গ্ৰেপ্তাৰ কৰিব পাৰে বুলি ভয় দেখুৱাই জোৰজুলুম কৰি মিটিঙলৈ যাবলৈ বাধ্য কৰিছিল। গতিকে চৰকাৰে জুলুম দিও বুলিলে বিপদ আছে।

সি সেইদৰে চিন্তা কৰি মিটিঙৰ পৰা উঠি অহাকে ঠিক কৰিছিল। এনেতে এজন আদহীয়া মানুহে ৰাইজৰ পিনৰ পৰা কবলৈ উঠিছিল। কিনো কয় শুনিবলৈ সি ৰৈ গ'ল।

ডেকাজনে কৈছিল বেকীৰ পাৰত চৰকাৰে যি ঘাঁটি তৈয়াৰ কৰিব খুজিছে তাত স্থানীয় লোকৰ উপকাৰ হে হব; অপকাৰ নহয়। গতিকে চৰকাৰৰ সমৰ আয়োজনত সহযোগ নকৰাৰ প্ৰশ্নই নুঠে। স্থানীয় ৰাইজে সহযোগ কৰাটো তেওঁলোকৰ কাৰণেই কল্যাণকৰ।

ডেকাই কথা শেষ কৰাৰ আগতেই ব্ৰজ শৰ্মা আঁতৰি গৈছিল। তাক

মনত পৰিছিল পৰাজিত, অপমানিত ৰাণা প্ৰতাপৰ কথা। ব্ৰজ শৰ্মাৰ ৰাণা প্ৰতাপৰ অভিনয় দেখাৰ সৌভাগ্য তাৰ হোৱা নাছিল। কিন্তু সেই দৃশ্যটো দেখি সি অনুমান কৰি মুগ্ধ হৈ পৰিছিল ব্ৰজ ঠাকুৰে ৰাণা প্ৰতাপৰ অভিনয় কৰিলে যে কি অপূৰ্ব হৈ পৰে।

ঃ পৰীক্ষিত দা', অ' পৰীক্ষিত দা'।

তাৰ মাত এইবাৰ পৰীক্ষিতৰ কাণত পৰিল। তেওঁ ঘূৰি চাই কলিতাক দেখি ওচৰলৈ মাতিলে। সি আগবাঢ়ি গৈ কুচি মুচি তেওঁৰ কাষত বহি ললে।

ঃ আজি ঠাকুৰৰ বৰ খং উঠিল; সভাকে এৰি গুচি গ'ল দেখোন?

কলিতাৰ কথাষাৰত পাতল বিদ্ৰুপৰ আভাস থকা দেখি পৰীক্ষিতে হঠাৎ একো সহাৰি নিদিলে। অলপ পাচত তেওঁ কলে যে, ঠাকুৰে সভাখন ভুল ঠাইত পাতিবলৈ দি এতিয়া নিজেই ভুগিলে। কলিতাই কথাষাৰৰ অৰ্থ বুজিব পৰা নাছিল। আচলতে অৰ্থ নহয়, তাৎপৰ্যটো। সি সেয়ে সুধিলে—

ঃ দাদাই কি কলে ধৰিব নোৱাৰিলোঁ।

ঃ সেইয়া যে বক্তৃতা দিছে, তাৰ ককায়েকে বেকীৰ পাৰত বাঁহ দিয়াৰ ঠিকা পাইছে। দিব পাঁচশ, হিচাপ লেখাব পোন্ধৰ শৰ; ইতিমধ্যে বহু টকা কৰিলে। দুমাহেই হোৱা নাই বাহৰ ঠিকা কৰা। ভুল জেগাত পাতিলে সভাখন।

কলিতা সভাখনৰ বিষয়ত হঠাৎ নিৰ্লিপ্ত হৈ পৰিল। সি পাঠকক আলিবাটত হঠাৎ দেখাদেখি হলে চিনাকি মানুহক যিদৰে সোধে সেইদৰে সুধিলে—

ঃ দাদা কোনপিনৰ পৰা?

ঃ মই 'ৰয়েল' এটা বিচাৰি আহিছিলোঁ। আমাৰ এটা ফালি গ'ল।

সঁচা কথা কবলৈ গ'লে নিগনিয়ে কুটিলে। আচলতে তোমাৰ তালৈকে বুলি আহিছিলো। তোমালোকৰ দলটো ভাগিলেই। পোছাকখিনি নিশ্চয় আছে।

: পাৰ্টিৰ ধাৰ মাৰিবলৈ 'ৰয়েল' দুটা কেতিয়াবাই বেচি দিয়াৰ কথা আছিল। আচলতে মহেশ্বৰেহে জানিব। মই আকৌ আন এফালে বুলি ওলাই আহিলোঁ।

: আজি নাযাওঁ। তোমাক পালোঁৱেই নহয় ইয়াতে। ব'লা আমাৰ তালৈকে।

: মই পণমুক্তি

: তোমাৰ মতলব মই আন্দাজ কৰিছোঁৱেই। আমাৰ তাতে খাই বৈ দুয়ো যাম ব'লা। চাইকেলখন আছেই নহয়—বাৰ মাইলহে বাট! যোৱা যদি ব'লাই, আকৌ কৰবাত হঠাৎ পুলিচ-তুলিচ আহি যাব পাৰে। সিহঁত দুয়ো উঠি আলিবাটত উঠিলহি আৰু কলিতাক চাইকেলখন চলাবলৈ দি পৰীক্ষিতে আগত বহি ললে মাজৰ ধামডালত। কিছুদূৰ যোৱাৰ পাচত, সি যদিও ভাবিছিল পণমুক্তিৰ কাহিনীটো সুধিব বুলি, কিন্তু তাৰ মুখেদি ওলাল বেলেগ এটা প্ৰশ্নহে—

: ক'কচোন দাদা, ঠাকুৰৰ কথা কেনে লাগিল?

পৰীক্ষিতে খন্তেক বৈ কৈ গ'ল তেওঁৰ ঠাকুৰ সম্বন্ধে অনুভৱৰ বিষয়ে। আনে যিয়ে নকওক লাগিলে, ঠাকুৰ হ'ল এজন আজন্ম বিপ্লৱী। স্থানীয় ৰাইজতকৈ বহুত আগত আছে তেওঁৰ চিন্তা-চৰ্চা।

: আমাতকৈ বহুত বেচি প্ৰগতিশীল তেওঁৰ ধ্যান-ধাৰণা। সেয়ে আমি সাধাৰণ মানুহে তেওঁক বুজাত ভুল কৰিছোঁ।

দুয়ো বহুত পৰলৈকে নিৰৱে গৈ থাকিল। কলিতাই সৰ্বান্তঃকৰণে মানি লৈছিল পৰীক্ষিতৰ কথাবাৰ। সি বিভিন্ন ধৰণে ব্ৰজ শৰ্মাৰ প্ৰচেষ্টাক সহায় কৰাৰ উপায় কল্পনা কৰি মনে মনে আছিল।

: হালধিবাৰী গুৰুদেৱ অপেৰাত যোগেন ঠাকুৰ আহিল বোলে? অলিৰাম মণ্ডল, পদ্ম কাঁহাৰ ইহঁতো গৈছে হেনো। গুৰুদেৱ অপেৰাৰ কপাল ফুলিল।

: মই আকৌ যোগেন ঠাকুৰ মৰোৱাতে থকা বুলি শুনিছিলোঁ। তাত যে লীলাকংক নাটকত গৰ্গ শৰ্মাৰ পাৰ্টটো কৰিছিল! বাপ পাহৰিব নোৱাৰি। আচ্চা হেৰি নহয় দাদা, 'পণমুক্তি'ৰ কাহিনীটো কি?

ঃ আও, তুমি নজনা হবলা? বৰ ভাল কাহিনী। গৰুড়ে অমৃত অনাৰ কি বীৰৰসৰ কাহিনী!

ঃ কওক না।

ঃ কওঁ ব'বা। এইখিনিত বৰ ওখোৰা-মোখৰা আছে। পাৰ হৈ লওঁ ব'লা। সৌ সমান ঠাইত কম।

: ৰ'বাচোন, কম বুলি চব কথাকে কব পৰাহেঁতেন কথাই নাছিল। পৰীক্ষিত পাঠক আৰু কলিতাই একেবাৰে অপ্ৰত্যাশিত এটা অৱস্থাত ব্ৰজ শৰ্মাক লগ পাইছিল। পাঠকে কলিতাহঁতৰ তাত নেপাই ৰয়েল পোছাক বিচাৰি কলিতাক লগত লৈ বামাখাটাৰ অভিমুখে গৈ আছিল। আলিবাটৰ দাঁতিত এজোপা জৰিগছৰ তলত বহি জিৰাই লোৱা ব্ৰজ-ঠাকুৰক কলিতাহঁতে চিনি পোৱা নাছিল প্ৰথমতে; ওচৰত এটা কিহবাৰ টোপোলা আছিল। ভাবিছিল, কোনোবা ঘৰৰ পৰা দূৰত চাকৰি কৰা প্ৰাইমাৰী স্কুলৰ শিক্ষক। ঘৰলৈ চাউল-পাত লৈ আহিছে। কিন্তু গছজোপা পাৰ হৈ কিছুদূৰ যোৱাৰ পাচত কলিতাৰে সন্দেহ হ'ল।

: পৰীক্ষিত দা', মানুহজন কৰবাত আগতে দেখা যেন লাগিল ?

: মোৰো সন্দেহ হৈছে।

কলিতা কিছুপৰ নিৰৱে গৈ আছিল। হঠাৎ এটা মুহূৰ্তত সি ৰৈ গ'ল। আৰু পিছুৱাই পাঠকৰ ওচৰলৈ আহি কলে—

: দাদা', ব্ৰজ ঠাকুৰ সেয়া। ব'লক লগ ধৰি আহোঁগৈ। কিজানি কিবা দিগ্দাৰেই হ'ল !

দুয়ো আকৌ ঘূৰি আহি ঠাকুৰক প্ৰণাম জনাই ক'লে—

: ঠাকুৰ, আমি আপোনাক ভালদৰে দেখাই নাছিলোঁ। ক'ৰ পৰা আহিল বাৰু ?

: তোমালোক যোৱা কেনি ?

: বামাখাটাৰ পিনে ওলাই আহিলোঁ।

: ভালে আছা ?

: ৰাখিছে ঠাকুৰ। পিচে আমাৰ দৰে মানুহৰ ভালে থাকা !

: আমিবোৰ চবেই একে। যাত্ৰা দলত ঘূৰা কাৰ অৱস্থা ভাল দেখিছা। ময়ে এতিয়া, টোপোলাত কি আছে বুলি ভাবিছা ?

চাউল আনিছোঁ এঠাইৰ পৰা। অ' মই কথা এটা পাহৰিয়ে গৈছিলোঁ। তোমালোকৰ লগতে মই কিছুদূৰ যাব পাৰোচোন। এখনত চাউলৰ টোপোলাটো দিয়া।

পাঠকহঁতে চাইকেল দুখন ঠেলি লৈ খোজকাঢ়ি গৈ আছিল। ঠাকুৰক চাইকেলত তুলি নিবলৈ ভাল নাপালে। তিনিও কথাপাতি গৈ ভালেই পাইছিল। লক্ষ্যস্থলৰ দূৰত্ব একেবাৰে অনুভৱ কৰা নাছিল। পাঠকে কথাৰ মাজতে এষাৰ অদ্ভুত প্ৰশ্ন কৰাত কলিতা স্তব্ধ হৈ ৰৈ গ'ল। আচলতে প্ৰশ্নষাৰ অদ্ভুত নাছিল; কিন্তু সেই মুহূৰ্তটোত একেবাৰে অপ্ৰত্যাশিত আছিল। পাঠকে সুধিছিল, ঠাকুৰে ভলণ্টিয়াৰী কৰাতকৈ থিয়েটাৰৰ পাচত যাত্ৰা পাৰ্টিলৈকে নাহিল কিয়?

কলিতা স্তব্ধ হৈ ৰৈ গৈছিল। বৰ নিৰ্মম প্ৰশ্ন এটা কৰা যেন লাগিছিল ঠাকুৰক। ঠাকুৰে কিন্তু হাঁহি কৈছিল যে, পাঠকে ফুকন বাৰিষ্টাৰে সাক্ষীক জেৰা কৰাৰ দৰে প্ৰশ্ন সুধিছে।

ঠাকুৰে অৱশ্যে প্ৰশ্নটো ইমান গুৰুত্বহীন বুলি ভবা নাছিল। নিজকো সুধিছিল তেওঁ এই প্ৰশ্নটো। এবাৰ দুবাৰ নহয়, বহুবাৰ। কিন্তু কোনোবাৰেই উপযুক্ত উত্তৰ তেওঁ পোৱা নাছিল। সেই মুহূৰ্তত অৱশ্যে তেওঁ পাঠকক যদিও তেনেদৰে কলে, মনতে কাৰণটো বিচাৰি উলিয়াবলৈ যত্ন কৰিলে। আৰু শেষত দেখিলে কাৰণটো বাহিৰৰ নহয়। নিজৰ সহজ চৰিত্ৰৰ মাজতেই আছে।

তেওঁ সৰুৰে পৰা কোনোদিন কাৰো প্ৰভুত্ব স্বীকাৰ কৰা নাই। কোনোদিন কাৰো ওচৰত নতি স্বীকাৰ কৰি পোৱা নাই। নিজৰ বিবেকে যিহকে কৰিবলৈ কৈছে, তাকেই ভয়হীনভাৱে কৰিছে। পাৰস্য-মিচৰ এইবোৰ দেশলৈ সৈন্য হৈ যেতিয়া গৈছিল, সেইটোও গৈছিল নিজৰ বিবেকৰ তাড়নাত; স্বাধীনভাৱে, কাৰো আশ্ৰিত নোহোৱাকৈ জীৱন নিৰ্বাহ কৰাৰ লক্ষ্যৰে।

থিয়েটাৰত সহ-অভিনয়ৰ বাবে যি প্ৰযত্ন হাতত লৈছিল সেইটোও লৈছিল তেওঁৰ নিজস্ব জ্ঞান-বুদ্ধিৰে শুদ্ধ বুলি বিশ্বাস কৰা দেখিছে। তেওঁ আজিও ভাবে, অভিনয় উৎকৰ্ষৰ বাবেই তেনে এটা ব্যৱস্থাৰ

আৱশ্যক আছিল আৰু তেওঁ নিশ্চিত, এতিয়া যিবোৰে তেওঁক গৰিহণা দিছে, ককর্থনা কৰিছে এদিন সিহঁতেই সহ-অভিনয়ৰ অনুৰাগী হব।

: মই বুজিছা, এতিয়াহে অনুভৱ কৰিছোঁ যে, যাত্রা-থিয়েটাৰ এইবোৰৰ জৰিয়তে আমি মানুহক ভাল একোকে দিব নোৱাৰিলোঁ। গতিকে বোলো এইবাৰ কংগ্ৰেছ ভলন্টিয়াৰকে হওচোন। কিজানি ৰাইজৰ হকে কিবা অলপ ভাল কৰিবই পাৰোঁ।

ব্ৰজ শৰ্মাই বহু পৰৰ নিৰৱতাৰ পাচত কথাকিটা কৈছিল। কিন্তু পাঠক বা কলিতাৰ মনত তেওঁৰ কথা বোধগম্য যেন লগা নাছিল। দুয়োৰে মনলৈ আহিছিল কিছুদিনৰ আগৰ সেই মিটিঙখনৰ কথা। য'ত ডেকা ল'ৰাজনে চৰকাৰক সমর্থন কৰি বক্তৃতা দিয়াৰ লগে লগে শৰ্মা গুচি আহিছিল।

: বেকীৰ পাৰৰ ঘাঁটিটো হ'লেই হবলা ইমানদিনে। এদিন গৈ চাই আহিম ব'ল, কলিতা।

পাঠকৰ কথা শুনি মুখখন ভেঙুচালি কৰি শমাই ক'লে—

: ক'ত হব সিহঁতৰ ঘাঁটি।

শৰ্মাৰ কথা শুনি কলিতাই তেওঁৰ মুখলৈ চালে। কথাষাৰ ঠিক স্বাভাৱিকভাৱে কোৱা যেন লগা নাছিল পাঠকৰো। শৰ্মাৰ মুখখন কিবা দুশ্চিন্তাত হঠাতে বিষণ্ণ হৈ পৰা দেখি সিহঁতে আৰু কথা নবঢ়ালে। অলপ দূৰ যোৱাৰ পাচত তেওঁ কলিতাৰ পিনে চাই ক'লে—

: কালিলৈ আবেলি চকচকা স্কুলত এখন মিটিং আছে। শুনিবলৈ যাবা তোমালোকে?

: কিহৰ মিটিং ঠাকুৰ?

পাঠকে কলিতাক একো কবলৈ নিদি মাজতে সুধি দিলে। তেওঁৰ ঠাকুৰৰ কথাবোৰ ভাল লগা নাছিল।

: জানি কি কৰিবা এতিয়াই? গ'লে জানিবাই নহয়।

: আমাৰ সময় নহব নহয়। বামাখাটাৰ পৰা ঘূৰি আকৌ চকচকা কাইলৈৰ ভিতৰতে—কেনেকে সম্ভৱ হব বাৰু?

: ঠিক আছে। পাচত কেতিয়াবা যাবা আমাৰ ৰবনগৰৰ পিনে। যোৱা তোমালোকৰ ৰাস্তা পালাহি। মই আজি ইয়াতে এঘৰত থাকিম। চাউলখিনি দি যাব লাগিব।

: মানে? এই চাউল আপোনাৰ নহয়?

: মোৰেই। মোৰ ছাত্র এজনে দিছিল, জহা চাউল। মই আকৌ সৌ গাঁওখনত যাব ঘৰত থাকিম, সি দুখীয়া। তাক দিলে তাৰ বৰ সহায় হব। যোৱাগৈ তোমালোক। মিছামিছি মোৰ লগত দুয়োৰে কষ্টও হ'ল।

: নাই নাই, একো নহয়। আমাৰ কিমান ভাল লাগিল।

বেলি তেতিয়া লহিয়াইছিল। দুয়ো এইবাৰ চাইকেলত উঠি ল'লে আৰু বামাখাটাৰ অভিমুখে গৈ থাকিল। কিছুদূৰ যোৱাৰ পাচত এখন গাঁৱৰ নামঘৰৰ সন্মুখৰ পথাৰত এটা দৃশ্য দেখি দুয়ো চাইকেলৰ-পৰা নামি ল'লে।

বগা পটলুং আৰু বগা হাফ-চার্ট পিন্ধা ডেকা ল'ৰা এজাকে পুলিচৰ দৰে কুচকাৱাজ কৰি আছিল। সিহঁতৰ প্রত্যেকৰে মূৰত আছিল খদ্দৰৰ গান্ধীটুপী।

কলিতাই কলে যে, যিজনে কুচকাৱাজ কৰিবলৈ ল'ৰাজাকক শিক্ষা দি আছে, সেইজন হেনো ঠাকুৰহঁতৰ তাৰে, দুর্গেশ্বৰ নে কি নাম তাৰ।

: থহ্ এইবোৰ কৰি কি সিহঁতে পুলিচ হব নেকি?

পাঠকৰ বিৰক্তিৰে সোধা প্রশ্নৰ উত্তৰত কলিতাই টপৰাই কলে—

: পুলিচ কিয় হবলৈ যাব। সিহঁত মহাত্মাৰ ভলন্টিয়াৰ হব আকৌ। এওঁলোক আমাৰ স্বাধীনতা ৰণৰ মিলিটাৰী।

: ব'লা, ইহঁতক চাই থাকিলেই আমাৰ পেট নভৰে।

বামাখাটাত গৈও যাত্রাদলৰ মেনেজাৰৰ ঘৰত যেতিয়া ৰাতিৰ কাৰণে আশ্রয় লোৱাৰ উদ্দেশ্যে সোমাইছিল তাতো শুনিছিল এই ভলন্টিয়াৰৰ কথাই। পাঠক যোৱা শুনি তালৈ গাঁৱৰ ডেকা ল'ৰাজাক আহিছিল তেওঁৰ গান শুনাৰ কাৰণে। বৈঠকী বহি গৈছিল। কিন্তু তাতো গানৰ মাজে মাজে এইবোৰ কথাই আলোচনা হৈছিল। তাতেই

কলিতাহঁতে শুনিছিল কিদৰে ব্ৰজ শৰ্মাই নিজৰ ঘৰৰ সম্পৰ্কীয় দুজনক বেকীৰ পাৰৰ ঘাঁটিত ঠিকাৰ কাম কৰিবলৈ হাক দিওতে দুৰ্ঘোৰ কাজিয়া হৈছিল।

গুৱাহাটীৰ, বৰপেটাৰ, বজালিৰ ভাল ভাল সম্ভ্ৰান্ত মানুহবোৰে মিলিটাৰীৰ ঠিকা কৰিছে যেতিয়া ব্ৰজ শৰ্মাহঁতে কি কৰিব পাৰে। বৰপেটাৰ তালুকদাৰ, গুৱাহাটীৰ বৰুৱা, বজালিৰ শৰ্মা চবেই লাগিছে বেকীপাৰত ধন ঘটাত, ইপিনে ব্ৰজ শৰ্মাই লগত ভলন্টিয়াৰলৈ বৰনগৰৰ বজাৰত বস্তু বিক্ৰী বন্ধ কৰিছে।

: মৰিছে আমাৰ বুৰবক হালোৱা কেইটাহে। লোকে টকা ঘটাই কলহে কলহে টকা ঘটিয়ে আছে। আমাৰ কেইটাই বজাৰত লাইশাক এক মুঠি, দুটা পোৱাল বেঙেনা বেচিবলৈ লৈ যায় লোণ-কেৰাচিনৰ খৰচটো উলিয়াবলৈ। এতিয়া মৰিছে সিহঁতেহে।

ডেকা ল'ৰা এজনে ক্ষুব্ধ হৈ কলে। এনেতে আন এজনে প্ৰতিবাদ কৰি কলে—

: হেৰ' ব্ৰজ ঠাকুৰক উলা মূলা বুলি নাভাবিবি। তেওঁ সেইবোৰ কথা ভবা নাই বুলি ভাবিছ? চাই থাক না তেওঁ কি কৰে। সেইদিনা বাঙালী ডাক্তৰজনক কি কৰিলে জান?

: কোন ডাক্তৰ?

: সেই যে, পাতিলাদহাৰ ডাক্তৰজন!

: কি কৰিলে বাৰু?

: মোক সোধ। তইঁতে ব্ৰজ ঠাকুৰৰ বিষয়ে নজনাকে হঠাৎ মন্তব্য দি পেলাইছ। সেইদিনা কি সাংঘাতিক কাণ্ড এটা কৰিলে।

গানৰ প্ৰতি ডেকাহঁতৰ আকৰ্ষণেই নোহোৱা হ'ল সেই মুহূৰ্তত। আটায়ে প্ৰতিবাদ কৰা ডেকাজনৰপৰা ব্ৰজ শৰ্মাৰ কাহিনীটো শুনাৰ বাবে উদগ্ৰীৱ হৈ ৰ'ল।

সেই সাধাৰণ কাহিনীটোৱেই যে মুখ সলাই এদিন ইমান মুখৰোচক হৈ পৰিব ব্ৰজ শৰ্মাই কল্পনাও কৰা নাছিল। তেৱোঁ বামাখাটাতে শুনিছিল কথাটো। কলিতাহঁতৰ আগত সেই দিনা ৰাতি যিজন ডেকাই কৈছিল, সেইজনেই শৰ্মাকো কৈছিল। কাৰণ ডেকাজনে শৰ্মাক চিনি পোৱা নাছিল।

পাতিলাদহাৰ ডাক্তৰজনক বেকী নদীৰ পাৰৰ বিমান ঘাঁটি সজোৱাৰ বাবে বাঁহৰ ঠিকা লোৱাৰ পৰা বিৰত কৰা কাহিনীটোৰ নায়ক ব্ৰজ শৰ্মাকেই যে কাহিনীটো কৈছিল ডেকাজনে জনাই নাছিল। কলিতা-হঁতৰ আগত কোৱাৰ দৰেই সি কৈছিল যে, ব্ৰজ ঠাকুৰে একেবাৰে সাইলাখ মহাত্মা গান্ধীৰ পোছাক পিন্ধি গধূলি যেতিয়া ডাক্তৰৰ ঘৰত সোমালহি একেবাৰে গোটেইখন হুৱা দুৱা লাগি পৰিছিল। ডাক্তৰে মহাত্মা গান্ধীক দেখিয়েই সাষ্টাংগে প্ৰণিপাত কৰি অহাৰ উদ্দেশ্যৰ কথা সুধিলে। মহাত্মা গান্ধীয়ে কলে যে, ডাক্তৰে তেওঁৰ অনুৰোধ ৰাখিব বুলি প্ৰতিশ্ৰুতি দিলেহে তেওঁ কব।

মহাত্মাৰ অনুৰোধ; ডাক্তৰে তৎক্ষণাৎ প্ৰতিশ্ৰুতি দি দিলে। আৰু তেতিয়া মহাত্মাজনে কলে যে বেকীৰ পাৰত বাহ দিয়া ঠিকাৰ কাম তেওঁ তৎক্ষণাত এৰি দিব লাগিব। ডাক্তৰে প্ৰস্তাৱটো শুনি হতবাক হৈ পৰিল। কিন্তু তেওঁৰ উপায় নাছিল।

ব্ৰজ শৰ্মাই যে সেই মহাত্মা গান্ধী হোৱা জন আছিল ডাক্তৰজনে আজিও নাজানে।

ব্ৰজ শৰ্মাই ডেকাজনৰ পৰীক্ষা চাবলৈকে কৈছিল—

: পিছে শৰ্মাই নিজৰ কেইটাক বলে পৰা নাই।

: ঠাকুৰে বলে নোৱৰা কথা নকবদেই। আপুনি ঠাকুৰক নাজানে। থিয়েটাৰত ছোৱালীক ভাও দিয়াবলৈ গৈ তেওঁ কত

ঠাইত কিমান দিন অপমানিত হৈছিল। কিন্তু তেওঁ দিয়াইহে এৰিলে।

: এহ্, ডুবিত আগৰ পৰাই ছোৱালীয়ে নাচিছে।

: নচা আৰু পুৰুষৰ গাত গা লগাই অভিনয় কৰা একে নহয়। সেই সাহস কেৱল ঠাকুৰেহে কৰিছিল। পইচা-পাতিৰ অভাৱত আৰু নিজৰ মানুহে কৰা ষড়যন্ত্ৰৰ কাৰণে পাৰ্টি ভাগি গ'ল সঁচা, কিন্তু এদিন ৰাইজে পস্তাব লাগিব।

ব্ৰজ শৰ্মাই সেইদিনা অৱশ্যে এটা কথা উপলব্ধি কৰিছিল যে, ভিতৰুৱা অঞ্চলবোৰতো দেশৰ মুক্তি যুঁজৰ বতৰা আহি পৰিছে। অৱশ্যে মৃত্যু বাহিনীত ভৰ্তি হবলৈ সেই অঞ্চলৰপৰা সেই ডেকা ল'ৰাজনেইহে ওলাইছিল আৰু বৰ নগৰ স্বেচ্ছাসেৱক বাহিনীৰ অধিনায়ক দুৰ্গেশ্বৰৰ তলত শিক্ষা লৈছিলহি।

দুৰ্গেশ্বৰ আৰু জন্মিজয় নামৰ উদ্যোগী ডেকা দুজনৰ সতে এঠাইত এটা গোপন আড্ডাত এটা গুৰুত্বপূৰ্ণ আলোচনা কৰি আছিল তিনিওজনে। দুৰ্গেশ্বৰ স্বেচ্ছাসেৱক বাহিনীৰ অধিনায়ক হিচাপে তেওঁৰ তালৈ গাঁৱৰ আৰু অঞ্চলৰ প্ৰশিক্ষণ লোৱা ডেকা ল'ৰাবোৰ আহে। এই আড্ডাটো আছিল দুৰ্গেশ্বৰহঁতৰ ঘৰৰ বিপৰীতপিনে এখন দোকানৰ ভিতৰৰ কোঠাত। বহুত ল'ৰাৰ লগত সেই বামাখাটাৰ ডেকা ল'ৰাজনো তেওঁলোকে আলোচনা কৰি থকাৰ সময়ত দুৰ্গেশ্বৰহঁতৰ ঘৰলৈ অহা দেখি ব্ৰজ শৰ্মাৰ সেই কাহিনীটো চাট্‌কৰে মনত পৰিছিল। ভিতৰৰপৰা আলিবাটৰ চব কাণ্ড-কাৰখানা তেওঁলোকে দেখি থাকে যদিও বাহিৰৰপৰা তেওঁলোকক কোনেও নেদেখে।

ডেকা ল'ৰাজনক দেখি তেওঁ হঠাতে হাঁহি দিছিল। দুৰ্গেশ্বৰে শৰ্মাক হঁহা দেখি বিবুধিত পৰি সুধিলে—

: ঠাকুৰ হাঁহিলে যে?

: সৌ ওখকৈ ডেকা ল'ৰাজন যে এইমাত্ৰ তোমালোকৰ ঘৰৰপৰা ওলাই আহিল?

: অউ সেইজন? তেওঁ বামাখাটাৰ। ৰবীন তেওঁৰ নাম। কিয় হাঁহিলে তেওঁক আকৌ?

: পাচত ক'ম দিয়া। মাত্র তেওঁক গুৰুত্বপূৰ্ণ কাম নিদিবা। আউল লগাই পেলাব পাৰে।

: মানে?

: উঁ। মই তেওঁক জানো। তেওঁ যিহকে তিহঁকে বিশ্বাস কৰে। চিলনীয়ে কাণখন নিলে বুলি কলেই চিলনীক খেদি দৌৰা বিধৰ মানুহ।

ব্রজ শর্মাই আৰু বেচি নকলে। দুৰ্গেশ্বৰহঁতেও নুসুধিলে। কিয়নো সেই সময়ত তিনিও অতিশয় গোপন এটা আঁচনিৰ বিষয়ে আলোচনা কৰি আছিল। ব্ৰজ শৰ্মা আচলতে হতাশ হৈছিল এটা কথাত। বৰনগৰখন হ'ল বৰপেটা জিলা কংগ্ৰেছৰ অধীনত। জিলা কংগ্ৰেছৰ যিসকল নেতাৰ তেওঁ সহায়ৰ কাৰণে ওচৰ চাপিছিল, সেইসকলে তেওঁক সহায় কৰিব নোৱাৰে বুলি কলে। তাৰ কাৰণ, সেইসকলে ভাবে যে, শৰ্মাই ইংৰাজৰ সমৰায়োজনত যিদৰে বাধাদান কৰিব খুজিছে, সেইটো হিংসাৰ পথ।

সেইবাবে তেওঁ ভাবিলে, যি কৰে তেওঁ এতিয়া নিজৰ বুদ্ধিমতে কৰিব লাগিব। কিন্তু কামটো তেওঁ কৰিবই। গতিকে তেওঁ মুখ্য সহায়ক হিচাপে লৈছিল দুৰ্গেশ্বৰ আৰু অগ্নিজয়ক। দুয়ো ভীষণ কষ্টসহিষ্ণু আৰু অতিশয় নিৰ্ভৰযোগ্য ডেকা ল'ৰা। দুয়ো বেচ কৰিৎকৰ্মাও। নিজে আগভাগ লৈ কাম কৰিব পাৰে।

ডাক্তৰক ঠিকাৰ বাঁহ যোগান ধৰা কামটোৰ পৰা তেওঁ যে বিৰত কৰিব পাৰিছিল এই ডেকা দুজনৰ বুদ্ধিমতেইহে। শৰ্মাই ইমান বুজাইছিল ডাক্তৰক যে এই ঠিকাৰ কাম দেশদ্ৰোহিতা কৰাৰ দৰে মহাপাপ। ডাক্তৰ আছিল বেচ গহীন গম্ভীৰ লোক। তেওঁ যেতিয়া গহীনভাৱে কলে যে, ইমান ভাল ভাল মানুহে মহাপাপ কৰিছে যেতিয়া তেওঁ কৰাতনো দোষ কি বুলি, তেতিয়া শৰ্মাৰ নিৰুত্তৰ হৈ থকাত বাদে উপায় নাছিল। এনেতে দুৰ্গেশ্বৰহঁতে কাণে কাণে ফুচফুচাই

কৈছিল শৰ্মাক ডাক্তৰৰ ভৰিত ধৰিবলৈ। শৰ্মাই নাটকীয় ভংগীৰে ডাক্তৰৰ ভৰি দুটাত ধৰি সাষ্টাংগে প্ৰণিপাত কৰি কাকুতি কৰিছিল বাঁহ যোগান ধৰা কাম বন্ধ কৰি দেশৰ মুক্তিযজ্ঞত দেশৰ ত্ৰিশ কোটি জনতাৰ স্বাৰ্থত অকণ অৰিহণা দিবলৈ।

দুৰ্গেশ্বৰ, জন্মিজয়হঁতে ইচ্ ইচ্ আচ্ আচ্ কৰি মন্তব্য কৰিছিল যে, শিলাৰ পদ্মনাথ অধ্যাপকৰ পুতেক হৈ লোকৰ ভৰিত পৰিলহি কেৱল দেশৰ স্বাৰ্থৰ হকে। ইমান নিদাৰুণ দৃশ্য এটাও যে এদিন দেখিবলগীয়া হব, সিহঁতে স্বপ্নতো ভবা নাছিল।

ডাক্তৰ তৎক্ষণাৎ মান্তি হৈ গৈছিল ঠিকাৰ কাম এৰি দিবলৈ। কিন্তু সমস্যা হ'ল নিজৰ মথাক এতিয়া কিদৰে বন্ধ কৰা যাব! ব্ৰজ শৰ্মাৰ কথাটো সিহঁতে নুশুনে। গতিকে উপায়?

ঃ উপায় আছে ঠাকুৰ। কিন্তু কৰা যায় কেনেকৈ?

ঃ তুমি ঠিক ভাবিছা। মইও আজি কিছুদিনৰ পৰা তাকে চিন্তা কৰিছোঁ।

দুৰ্গেশ্বৰে কি উপায়ৰ কথা ভাবিছে ব্ৰজ শৰ্মাই তৎক্ষণাৎ ধৰি লৈছিল। বেকীৰ পাৰৰ ঘাঁটিটোৰ তৈয়াৰ সম্পূৰ্ণ হবৰ হওঁতেই জুই জ্বলাই শেষ কৰি দিব লাগিব। তাত বাদে এই ঠিকাদাৰ মথাক নিৰস্ত কৰাৰ আন উপায় তেওঁ ভাবি পোৱা নাছিল।

উপায়টো কওঁতেও সহজ, শুনাতো সহজ, কিন্তু মেকুৰীৰ ডিঙিত টিলিঙা আঁৰে কোনে? জুই দিয়ে কোনে? আৰু ইমান অঞ্চল জুৰি ঘাঁটিটো সজা হৈছে যে, তাত ঘৰেই বিভিন্ন আকাৰৰ, বিভিন্ন দিশত প্ৰায় পঁচিশটা আছে। এইবোৰ জুই লগাই পুৰি পেলোৱা এজন মানুহৰ বা এটা দলৰ কাম নহয়। সশস্ত্ৰ পুলিচে তাত চাৰিওপিনে অহৰহ পহৰা দি আছে। জুই দিব লাগিব ৰাতিৰ আন্ধাৰত। দিনত তাত অজস্ৰ মানুহে কাম কৰে।

জুই দিলে দিব লাগিব হঠাৎ পুৰি শেষ হোৱাকৈ একেলগে, বিভিন্ন ঘৰত, খেৰ-বাহৰ দ'মবোৰত, গোটাই থোৱা ত্ৰিপাল আৰু অন্যান্য সামগ্ৰীৰ গুদামত। এটা ঘৰত জুই দিবলৈকে চাৰি-পাঁচজন লোকৰ

দৰকাৰ হব। তেনে চাৰি-পাঁচজন মানুহৰ গোটেই লাগিব ভালেকেইটা। মানুহ প্ৰতিজনেই হব লাগিব ভয়হীন, কষ্টক কষ্ট নোবোলা আৰু পৰম নিৰ্ভৰযোগ্য লোক।

: দুৰ্গেশ্বৰ, জন্মি, কোৱাচোন পাৰিবানে ইমান মানুহ যোগাৰ কৰিব ?

: অলপ সময় লাগিব ; পৰা হব।

: কিন্তু আমাৰ আটাইতকৈ ডাঙৰ অভাৱ সেইটোৱে। সময় একেবাৰে নাই।

: মাত্ৰ এটা দিন। মই সেই দায়িত্বটো লৈছোঁ।

দুৰ্গেশ্বৰৰ দৃঢ় কথাষাৰ শুনি শৰ্মা কিছু পৰিমাণে আশ্বস্ত হ'ল। তাৰ পাচত জন্মিৰ পিনে চাই ক'লে—

: জন্মি, তোমাৰ ওপৰত ডাঙৰ দায়িত্ব এটা দিব খুজিছোঁ।

: কওক।

: যোগাযোগৰ সমস্ত পথ ৰুদ্ধ কৰিব লাগিব। সেইটো তোমাৰ কাম।

: হব। মাতুলীঝাৰৰ ৰত্নেশ্বৰ মিস্ত্ৰীক কৈ দলং কেইখন ভঙাই থলেই হ'ল।

: চক চকাৰ ৰাষ্টাটো ? তাত পাঁচ ফুট দ, পাঁচ ফুট বহলকৈ দুই ঠাইত ৰাষ্টাটো কাটি থলেই হব। পাৰিবা ?

: কিয় নোৱাৰিম। আজিয়ে শেষ কৰিম কামবোৰ।

: আৰু এটা কাম কৰিবা। চুমাৰঘাটৰ ৰত্নেশ্বৰ কমাৰক লগ ধৰি দল এটা পঠাবা টেলিগ্ৰাফৰ তাঁৰ কটাৰ কাৰণে।

: অঁ ! মই সেই কথাটো ভবাই নাছিলোঁ।

জন্মিয়ে আলোচনাত যোগ দিছিল আৰু আলিবাটৰ পিনে লক্ষ্যও কৰিছিল। হঠাতে তেওঁ কলে ব্ৰজ শৰ্মাক—

: ঠাকুৰ, চক সোৱা কোন আহিছে ?

তেওঁ প্ৰথমতে পুলিচ বুলি ভাবিছিল। গতিকে লাহেকৈ ঘূৰি আলিবাটৰ পিনে চালে। তেওঁ দেখিলে অনাদৰ মহাজনৰ পুতেকৰ লগত আৰু এটা অকমাণি ল'ৰা আহি আছে।

অনাদৰ মহাজনৰ একমাত্র পুতেকক দেখি তেওঁ যিমান ভয় খাইছিল তাতকৈ বেচি ভয় খাইছিল সেই অকণমাণি ল'ৰাটোক দেখি। সিহঁতে এই গোপন স্থানৰ বিষয়ে কেনেকৈ জানিছিল তেওঁলোকে নাজানে, কিন্তু নিৰ্ভুলভাৱে ল'ৰাদুজনে তালৈ লক্ষ্য কৰিয়ে আহি আছিল।

এনেতে দুৰ্গেশ্বৰে ক'লে একেবাৰে নিৰ্লিপ্তভাৱে—

: মোৰ মূৰটো বৰকৈ বিষাই আছে। অলপ শুই লওঁগে নেকি?

শৰ্মাই তেওঁৰ কপালত হাত দি চাই দেখে জুইৰ দৰে গৰম। নিশ্চয় তলে তলে ভীষণ জ্বৰ উঠিছে। শৰ্মাই দুৰ্গেশ্বৰকততালিকে ঘৰলৈ যোৱাৰ নিৰ্দেশ দিলে। পিচদুৱাৰেদি দুৰ্গেশ্বৰ ওলাই যোৱাৰ লগে লগে শৰ্মা বৰ দুশ্চিন্তাত পৰিল। ইপিনে ল'ৰা দুজনো আলিবাটৰ পৰা নামি দোকানৰ সন্মুখ পাইছিলহি।

দোকানখনখৰ সন্মুখ পাইছিল মাত্ৰ, এনেতে কথাষাৰ শুনি তেওঁ স্তব্ধ হৈ গ'ল। দোকানৰ ভিতৰৰ পৰাই শুনা গৈছিল কথাষাৰ—

: আহিল এই শনিটো। ইয়াৰ মুখ চাব নেপায়। ইয়েই খালে বৰনগৰখন।

প্ৰথমতে তেওঁ পিচপিনে ঘূৰি চাইছিল আন কাৰোবাক কথাষাৰ কোৱা বুলি ভাবি। কিন্তু যেতিয়া দেখিলে, পিচপিনে কোনো নাই, কথাষাৰ তেওঁক লক্ষ্য কৰিয়ে কোৱা হৈছে, তেওঁ এখন্তেকো বৈ নাথাকিল। কোবাকুবিকৈ আহি নিজৰ গাঁৱৰ আলিবাটত উঠিছিলহি।

মাষ্টৰজন তেওঁলোকৰ গাঁৱৰ পিনৰপৰাই ওলাই আহিছিল আন এজনৰ লগত, তেওঁ মনেই কৰা নাছিল। অলপ আগতে দোকানৰ সন্মুখত শুনা কথাষাৰে তেওঁক এক অসহ্য দুশ্চিন্তাত পেলাইছিল। সেইদেখি তেওঁ প্ৰথমতে শুনাই নাছিল মাষ্টৰৰ কথাষাৰ। এইবাৰ মাষ্টৰে ডাঙৰকৈয়ে কলে—

: হেৰা ব্ৰজ শৰ্মা নে ব্ৰজ ঠাকুৰ, ইংৰাজৰ উৰাজাহাজৰ ঘাঁটি জ্বলাই দিয়াই তুমি ভাবিছা সাৰি যাব পাৰিবা। চাবাচোন কি কৰিব। তোমাৰ কথা আমি চিন্তা কৰা নাই, তুমি যেনেকে মৰা মৰিবা ; কিন্তু বৰনগৰখনৰ বুকুত এই মৰকামোৰটো মাৰিলা কেলেই ?

মাষ্টৰজনে ইমান অৱজ্ঞাৰে কৈছিল যে ব্ৰজ শৰ্মাৰ নামটোকে পেংলাই কৰিছিল। শৰ্মাৰ হঠাৎ খংটো টিকিচ্ কৰে উঠিছিল। জোৰেৰে মনটো বান্ধি তেওঁ মাথোন সুধিছিল স্বাভাৱিক স্বৰত—

: মাষ্টৰবাবু গাঁৱৰ পিনে গৈছিল ?

: যলৈকে নগলোঁ, তোমাক কেলেই ?

মাষ্টৰে কথাষাৰ কৈয়ে বেগাই গুচি গৈছিল লগৰজনক লৈ। শৰ্মাৰ হাঁহিও উঠিছিল অথচ মনৰ খংটোৱেও প্ৰকাশৰ বাট বিচাৰি চটফটাই আছিল।

গাঁৱৰ বাটেদি আহি থাকোতে মনটো লাহে লাহে শান্ত হৈ পাৰিছিল আৰু জন্মিজয়ৰ কামটো আধৰুৱা হৈয়ে যে ক্ষতিৰ কাৰণ হ'ল সেই কথাটোহে মনলৈ আহিছিল।

আচলতে সেইদিনা দোকানৰ ভিতৰত গোপন আলোচনাৰ মৰ্মে জন্মিজয়ক ৰত্নেশ্বৰ কমাৰ আৰু ভলন্টিয়াৰ কিছুমান লৈ টেলিগ্ৰাফৰ তাঁৰ কাটিবলৈ দিয়া হৈছিল। আলোচনাৰ সময়ত অনাদৰ মহাজনৰ পুতেকৰ লগত আহিছিল এটা সৰু ল'ৰা। তেওঁৰ বন্ধুপুত্ৰ। ল'ৰাও স্বেচ্ছাসেৱক। ঘাঁটিত জুই দিবলৈ যিটো দল যাব তাত সোমোৱাৰ মন ল'ৰাৰ। কিন্তু শৰ্মাইতো ইমান ঘনিষ্ঠ বন্ধু এজনৰ ইমানি সৰু ল'ৰা এটাক জ্বলা জুইত দলিয়াই দিব নোৱাৰে। তেওঁ ঘোৰ দুশ্চিন্তাত পৰিছিল। পাচত জন্মিজয়ৰ লগত পৰামৰ্শ-কৰি তাৰ তাঁৰকটা দলটোৰ লগত সেই সৰু ল'ৰাজনক লোৱা হৈছিল। তাক ঘৰলৈ ঘূৰি যাব কোৱা হৈছিল। সি তো একোপধ্যে নাযায়। গতিকে তাক তাঁৰকটা দলতে চামিল কৰা হৈছিল।

ল'ৰা আছিল অদ্ভুত চতুৰ। সি হেনো ঠিকেই কৈছিল, যে সৰু সৰু দল কৰি বিভিন্ন ঠাইত বিভিন্ন তাঁৰ কাটিলে চব তাঁৰ কটা হৈ যাব আৰু হুলস্থূলো নহব। কিন্তু ল'ৰাৰ কথা নুশুনি একে ঠাইতে গোটেই সোপা তাঁৰকে কটাৰ আঁচনি কৰিলে। ফলত কাটি থাকোতে গাড়ী অহাত আধাখিনি তাঁৰ কটিবলৈ বৈ গ'ল।

ৰাতি ঘাঁটিটোতো জ্বলালেই, সৰভোগলৈ আহিও মিলিটাৰীৰ অস্থায়ী কেম্প, ডাকবঙলা, চৰকাৰী অফিচ চব জ্বলাই দিয়া হৈছিল। জ্বলোৱা কাম শেষ কৰোতে পুৱতি নিশা হৈছিল। ইতিমধ্যে ৰাতিতে টেলিগ্ৰাম কৰি বৰপেটাৰ মহকুমাধিপতিক জনালেই পোষ্টমাষ্টৰে। পুৱা সৰভোগত ত্ৰাসৰ সৃষ্টি হ'ল। জন্মিজয়ৰ কামটো সম্পূৰ্ণ হোৱাহেঁতেন এনে অনৰ্থ নঘটিলহেঁতেন।

এইবোৰ কথাকে চিন্তা কৰি শৰ্মা ঘৰৰ পিনে গৈ আছিল। ঘৰত সোমায়েই দেখিলে চোতালত কেবাগৰাকীও মাইকীমানুহ। কথা পাতি আছিল। কিন্তু তেওঁক দেখাৰ লগে লগে সমস্ত নিৰৱ হৈ পৰিল। আৰু

লাহে লাহে এজনী এজনীকৈ আঁতৰি গ'ল। তেওঁ যেন এই মাত্ৰ এটা মানুহক হত্যা কৰি ঘৰ সোমাইছিলহি এনেদৰে আটায়ে। আনকি তেওঁৰ নিজৰ পত্নীয়েও কেৰাহিকৈ চায়েই ঘৰৰ ভিতৰত সোমাল।
তেওঁ ধিক্কাৰতে হতাশ হৈ কলে—

: হেৰা মই মানুহ মাৰি অহা যেন পাইছা নেকি হে?

: এতিয়াও মৰা নাই মানুহবোৰ। কিন্তু ইমান ডাঙৰ জখম কৰি আহিছে যে, ৰনগৰৰ এজনো নাবাচিব কিজানি!

পত্নীয়ে খঙতে উত্তৰ দিছিল। তেওঁ পত্নীৰ খং কমাবলৈকে-কলে—

: চাওঁ এবাতি পানী দিয়া, বৰ পিয়াহ লাগিছে।

: বাঘৰো হেনো জন্তুৰ তেজ পিয়াৰ পাচতে পানীৰ পিয়াহ লাগে। আপোনাৰো নিশ্চয় তেনেই হৈছে।

: হেৰা, তুমি ক'লা এইষাৰ কথা? মোৰ নিজৰ বিবাহিতা পত্নীয়ে?

: শুনিছেইতো আপুনি—

পত্নীয়ে পানী লৈ ওলাই আহিছিল। কিন্তু অণ্ঠ কণ্ঠ শুকাই পেলোৱা পিয়াহৰ কথাও শৰ্মাই পাহৰি গৈছিল। পত্নীয়ে শৰ্মাক লৰচৰ নকৰা দেখি উষ্মাৰে কলে—

: এইয়া পানী।

শৰ্মাৰ চিঞৰি চিঞৰি কান্দি দিবৰ মন গৈছিল। শৰ্মাৰ চকুহুটা চলচলীয়া হৈ উঠা দেখি পত্নীয়ে কাৰোবাক উদ্দেশি কোৱাৰ দৰে কলে—

: আমাৰ ঘৰখন আজিৰপৰা আটাইতকৈ ঘৃণনীয় এখন ঘৰত পৰিণত হ'ল। কিয়নো এই ঘৰৰ মূৰী মানুহজন হ'ল আটাইতকৈ ঘৃণনীয় মানুহ।

এনেতে ওচৰৰে কৰবাত এদল ডেকা ল'ৰাই 'বন্দেমাতৰম্, মহাত্মা গান্ধীকী জয়' বুলি ধ্বনি দি উঠিছিল। সেই ধ্বনি শুনি শৰ্মাৰ মনটো হঠাৎ গ্লানিমুক্ত নিৰ্মল হৈ পৰিল। তেওঁ এইবাৰ ইহাৰ দৰে কৰি ঘৈণীয়েকলৈ চাই কলে -

: মই যি কৰিছোঁ, দেশৰ ভালৰ কাৰণে কৰিছোঁ। আজি হয়তো কিছুমানে ভুল বুজিছে; কিন্তু অচিৰে সেই ভুল আঁতৰি যাব।

: আপুনি কি এইখন থিয়েটাৰ যেন পাইছে নেকি ? বিবেকৰ গীত গাইছে নেকি ?

বন্দেমাতৰম্ ধ্বনি আৰু বেচি ওচৰ চাপি আহিছিল। শৰ্মাই পানীৰ বাতিটো লৈ একে শোহাই শেষ কৰি বাহিৰলৈ ওলাই আহিল। পত্নীৰ শেষৰ কথাষাৰ মনত পৰাত তেওঁ মনতে আমোদো পালে। ইহঁত সঁচাকে ৰক্তবীজৰ সন্তান। এই ভয়হীন ডেকা ল'ৰাকেইটা। চাৰিও-ফালে পুলিচ-মিলিটাৰীয়ে পিয়াপি দি ঘূৰি ফুৰিছে। নিজৰ গাৰ মঙহে বৈৰী হৈ এটাকে দহোটা কৰি পুলিচক সিহঁতৰ বিৰুদ্ধে লগাই দিছে, তথাপি সিহঁতৰ পৰোৱা নাই।

ডেকা ল'ৰাকেইটাৰ উৎসাহৰ কথা মনত পৰিলে সঁচাকে একোটাইঁত সময়ত তেওঁৰ থিয়েটাৰ কৰি থকা যেনেই লাগি যায়।

তেওঁৰ দুৰ্ভাগ্য দুৰ্গেশ্বৰ বোলা ডেকা ল'ৰাজন অসুখত পৰি থাকিল। নহলে আৰু ভালদৰে, আৰু কম সময়ৰ ভিতৰতে কামবোৰ সমাধা কৰিব পৰা গ'লহেঁতেন। সাপনা গাঁও পাৰ হৈ নদীয়াল পাবাৰ মাজেদি যোৱা যিটো দল, যিটো দলে উত্তৰ পিনে থকা ঠিকাদাৰ-মহৰী আদি থকা কেম্পবোৰ জ্বলোৱাৰ কথা, সেইদলটোৱে তেওঁক বিশেষ চিন্তাত পেলাইছিল। বাকী দক্ষিণ ফালৰ দলটো, যিটো দলে মূল ঘাঁটিটোত জুই দিয়াৰ কথা, তেওঁলোকৰ কথা তেওঁ চিন্তা কৰা নাছিল; কিয়নো তাত আগভাগ লৈছিল দুজন অসীম সাহসী ডেকাই। তাৰে এজন আছিল অনাদৰ মহাজনৰ একমাত্ৰ পুত্ৰ। উত্তৰ পাৰৰ দলটোৱে বোধকৰোঁ ভয়তে অস্থিৰ হৈ যিটো সময়ত দিব লাগিছিল তাৰ একমিনিটমানৰ আগতেই জুই জ্বলাই দিলে। জুই জ্বলাই বন্দেমাতৰম্ ধ্বনি দিয়াৰ লগে লগে চাৰিওপিনে হুৱা দুৱা লাগি পৰিল। ভাগ্য ভাল আছিল গুণে সশস্ত্ৰ চিপাহী কেইটাই গুলী নচলালে। গুলী চলাইছিল, কিন্তু বাইজৰ পিনে নহয়। এখোজ বাঁওফালে গৈ গুলী চলালেই বাইজৰ মাজত গুলী পৰিলহেঁতেন। আচলতে চাৰিওপিনে একে সময়তে জুই জ্বলোৱাৰ কথা আছিল। যাই হওক সুশৃঙ্খলভাৱে নহলেও যেনি তেনি আহি সৰভোগ পালেহি। কিন্তু থানা, অফিচঘৰ আদি জ্বলায় কেনেকৈ ? হাইস্কুলটো

মিলিটাৰীয়ে দখল কৰিলেও সেইটো ৰাইজৰ সম্পত্তি, তাক বচাবই লাগিব যিকোনো উপায়ে। কিন্তু তাততো মিলিটাৰীৰ বহুত সামগ্ৰী আছে। ঘৰটো বচাবলৈ যাওতে সেইবোৰো বাচি যাব।

স্বেচ্ছাসেৱকসকল বিমোৰত পৰিছিল। এজন দোকানীয়েহে পৰিস্থিতিটো বচালে। নিজৰ দোকানৰপৰা কেৰাচিন তেলৰ টিন দুটা খুলি দিলে, ফটা থৈলা দিলে আৰু কৰ্মীসকল লাগি গ'ল কামত। কেৰাচিনত ফটা থৈলা তিয়াই জুই লগাই দিলে ঘৰবোৰত। স্কুলৰপৰা বস্তুবোৰ বাহিৰলৈ আনি বাহিৰত জুই দি পোৰা হ'ল। কাম হ'ল; কিন্তু দেৰি হ'ল, বিশৃঙ্খলা হ'ল বহুত।

তেওঁৰ হঠাৎ মনত পৰিল তেওঁ ব্যৱহাৰ কৰা চাইকেলখনৰ কথা। সেইখন আনিছিল কামাৰ গাঁৱৰ নগেনে। তেওঁ চাইকেলখন ৰাতি ক'ত পেলাই থৈ আহিল এতিয়া সেইখন যদি পুলিচে বাটত পৰি থকা পায় তেনেহলে চব শেষ। নগেন যিহে ভোলানাথ হয়তো পুলিচে সুধিলেই চব গোমৰ ফাক কৰি দিব।

হঠাৎ ভয় লাগি গৈছিল শৰ্মাৰ। তেওঁ অলপ স্থিৰ হৈ চিন্তা কৰি চালে আৰু চাইকেলখন ক'ত থাকিব পাৰে মনতে ঠাৱৰ কৰি ললে। তেওঁ আৰু একোলৈকে বাট নাচালে। নিজৰ নওলা পাৰ হৈয়ে সন্মুখৰ এঘৰৰ বাহনিত সোমাই, বাৰীৰ পিচপিনে ওলাই তেওঁ য'ত থৈ অহা যেন মনত পৰিছিল তালৈকে ঢাপলি মেলিছিল।

চাইকেলখন আনিবলৈ গৈ তেওঁ একৰকমে কালকে চপাই লৈছিল। তেওঁ জংঘলৰ মাজৰপৰাই দেখিছিল চাইকেলখন আলিৰ কাষৰ গছ এজোপাত আওজাই থোৱা আছিল। ঘাঁটিৰ পিনৰপৰা পুলিচৰ দল এটা আহি আছিল। আন পিনৰপৰা এজন বুঢ়া মানুহে পিচপিনে কান্ধত এটা টোপোলা পেলাই লৈ আহিছিল। পুলিচে চাইকেলখন দেখি বুঢ়াজনকে সুধিলে কাৰ চাইকেল বুলি। বুঢ়াইতো তৎক্ষণাৎ কলে—

: মই চিনি নাপাওঁ। সি জাৰা ফুৰিবলৈ গৈছে এইপিনে। তহঁতে অলপ বহ, সি ঘূৰি আহিলে জানি লবি।

বুঢ়াই দেখুৱাইছিল শৰ্মা যি পিনে আছিল তাৰ ওলোটা পিনৰ ফুটুকানি ডবালৈ। পুলিচকেইটাই বুঢ়াৰ আচহুৱা ধৰণৰ কথা শুনি বৰ আমোদ পালে। এজনে কলে—

: ব'লক চাও। কোনে তাৰ পায়খানাৰপৰা ঘূৰি অহালৈকে বৈ থাকিব! কোনোবা গাঁৱৰ মানুহৰ চাইকেল হব।

পুলিচৰ দলটোৰ প্ৰত্যেকে নিশ্চয় তাৰ কথাত পতিয়ন গ'ল। সিহঁত আগবাঢ়ি গৈ বাটৰ কেঁকুৰিত নোহোৱা হৈছিল। বুঢ়াও পাৰ হৈ গৈছিল গছজোপা।

শৰ্মাই কিবা এটা বেলেগ ধৰণৰ পুলক অনুভৱ কৰিলে। গাঁৱৰ সাধাৰণ মানুহৰ প্ৰজ্ঞাৰ ওপৰত এনেয়ে তেওঁৰ বিশ্বাস আছিল। সেই বিশ্বাস সেই মুহূৰ্তত আৰু বেচি দৃঢ় হৈ পৰিল।

তেওঁ চাইকেলখন লৈ ততাতৈয়াকৈ গাঁৱৰ এটা ঠেক বাটত সোমাই লৈ আলিবাটলৈ ঘূৰি চালে। দেখিলে সঁচাকৈ কোনোবা এজনে গছ জোপাৰ তলত চাইকেলখন নেদেখি ঘূৰমুটিয়াই বিচাৰি ফুৰিছে। তেওঁ আৰু নৰ'ল। কোবাকুবিকৈ ঘৰ অভিমুখে চাইকেল চলাই উভতি আহিল।

মানুহজন সোমাই আকৌ উভতি আহিছিল। তেওঁ মানুহজনৰ আলেখ লেখকে চাই আছিল। দূৰত থকা গুণে মানুহজনৰ মুখখন তেওঁ ভালদৰে দেখা নাছিল। মানুহজনে নিশ্চয় তেওঁকে বিচাৰি তেওঁলোকৰ ঘৰত সোমাইছিল।

মানুহবোৰে বহুত কিবাকিবি, উৰাবাতৰিবোৰ প্ৰচাৰ কৰি এনে এটা অৱস্থা কৰিছিল যে তেওঁক ঘৰৰ মানুহে ঘৰত থাকিবলৈ দিয়া নাছিল। ঠিক সেই মুহূৰ্ততো তেওঁ এঘৰৰ বাৰীৰ বাহৰ জাৰণি এখনৰপৰা মানুহজনক লক্ষ্য কৰিছিল।

মানুহজন উভতি আহি তেওঁ থকা জাৰণিখনৰ অলপ আঁতৰেদি যোৱা পথৰুৱা বাটটোৰে যেতিয়া জাৰণিখনৰ কাষ পাইছিলহি তেতিয়াহে শৰ্মাই মানুহজনক চিনি পালে আৰু লাহেকৈ ওলাই আহি মাত লগালে—

ঃ দাস ডাঙৰীয়া দেখোন, কোনপিনে আহিল?

ঃ হে আপুনি ইয়াত? মই গোটেইখন চলাথ কৰিছোঁ আপোনাক বিচাৰি। আপুনি এই মুহূৰ্তে বৰনগৰ এৰি যাওক। পুলিচৰ আৰু চোৰাংচোৱাৰ শক্তিশালীদল পঠাইছে আপোনাক ধৰিবলৈ। আপুনি আৰু পলম কৰা উচিত নহব।

ঃ মোক কিয় ধৰিব?

ঃ যক ধেমালি নকৰিব। ঠিকাদাৰবোৰে আৰু আপোনাৰ নিজৰ মানুহেই এচ. ডি.-অ'ক লগাই দিছে আপুনিয়ে কিছুমান গুণ্ডা লৈ জুই লগাই দিয়া বুলি। আপুনি এক মুহূৰ্তও দেৰি নকৰিব। মই আহিলোঁ।

তেওঁ লৰালৰিকৈ কথাকিটা কৈয়ে গুচি গৈছিল। শৰ্মাহঁতৰ ঘৰৰ কাষৰ ৰমনীয়ে পিচপিনেই থিয় দি আছিল ইমানপৰে, তেওঁ মনেই কৰা নাছিল। সিয়েই সুধিলে—

: কোন আছিল ঠাকুৰ ?

: অক্ষয়বাবু। বৰপেটাৰ।

: কি কলে তেওঁ ?

: কি আৰু কব। মোক যাবলৈ কৈছে।

: ঠিকেই কৈছে। মই আনিছোঁৱেই আপোনাৰ চুটকেছটো আৰু বিছনাখন। আইদেৱেও টকা তিনিশ দি পঠাইছে আপোনালৈ। শৰ্মাই ঘূৰি চাই ৰমণীৰ হাতত চুটকেছ-বিছনা দেখি হতভম্ব হৈ গ'ল। তেওঁ তৎক্ষণাৎ স্বাভাৱিক হৈ হাঁহি কলে—

: হৃত ৰাজ্য, হৃত সৰ্বস্ব ৰাণা প্ৰতাপৰ দৰে লাগিছে নিজকে।

: আপুনি ভাস্কৰ পণ্ডিতহে। ধৰ্মযুদ্ধত আপুনি জয়ী হবই হব। তেওঁ ৰমণীৰ দৃঢ় মুখখনলৈ চালে। কিবা এষাৰ কব খুজিছিল, এনেতে দেখিলে অনাদৰ মহাজনৰ পুতেকে এদল ডেকা ল'ৰাক 'বন্দেমাতৰম্, ভাৰত মাতাকী জয়, মহাত্মা গান্ধীকী জয়' ধ্বনি দি আগবঢ়াই লৈ আহিছে। তেওঁৰ সন্মুখত সমদলটো থিয় হৈ জয়ধ্বনিত আকাশ বতাহ কঁপাই দিয়া যেন কৰিলে।

: হব ভাইহঁত। হব। আমি এতিয়া সকলো কাম মনে মনে গোপনে কৰিব লাগিব। মই যাওঁ। কিন্তু তোমালোক অতি সাৱধানে থাকিবা। আমাৰ নিজৰ গাৱ মণ্ডহেই শত্ৰু হৈ পৰিছে যেতিয়া বিপদ যিকোনো সময়তে ঘটিব পাৰে।

: ঠাকুৰ আপুনি যাওক। আমাৰ কথা চিন্তা নকৰিব। আপোনাৰ ঘৰখনো আমি চাম।

: মোৰ ঘৰখনৰ কথা ভাবিব নালাগে। তোমালোকে বৰনগৰৰ কথা ভাবা, দেশ উদ্ধাৰৰ কথা ভাবা।

: আমি এটা কথা শুনি বৰ চিন্তিত হৈছোঁ। ৰাইজো বৰ সন্ত্ৰস্ত হৈ পৰিছে।

: কি বাৰু ?

: কুৰ্হুছ খাঁই হেনো মিঞা মানুহৰ দল আনি বৰনগৰ আক্ৰমণ কৰিব।

: হু হু তোমালোকে বিশ্বাস কৰিছা জানো ? এইটো হ'ল চৰকাৰৰ চাল। ইংৰাজৰ কূটনীতি।

: আমাৰ বৰুৱা ইঞ্জিনিয়াৰে বোলে আমাৰ শৰ্মা তালুকদাৰ এনেকে ঠিকাদাৰসকলক সাৱধানে থাকিবলৈ পৰামৰ্শ দিছে।

: এই বৰুৱা-শৰ্মাহঁতেও হয়তো বিশ্বাস কৰিছে। আমিনো পৰাধীন কিয় ? সেই চতুৰ বগা চামৰাহঁতৰ চাল সুবুজো দেখিছে। এইবোৰ চব উৰাবাতৰি। বিশ্বাস নকৰিবা। মানুহক বুজাই দিবা। আমাৰ সাধাৰণ মানুহৰ মাজত ভায়ে ভায়ে কন্দল লগাই সিহঁতে আমাক হীনবল কৰিবৰ চেষ্টা কৰিছে। এইবোৰ চব মিছা অপপ্ৰচাৰ।

কথাকিটা কৈয়ে তেওঁ ডেকাহঁতৰ উৎসুক মুখবোৰলৈ চালে। তাহাঁতৰ মুখত কোনোধৰণৰ ভয়ৰ ভাব প্ৰকাশ হোৱা নাছিল। তেওঁ ক'লে—

: মই সৰু হৰিদগাঁৱলৈ যাম সম্প্ৰতি। তাতে আজি গধূলিৰ মিটিংখন পাতিবা। ৰাতি মই তাৰপৰা যাম। কলৈ যাম এতিয়াও ঠিক কৰা নাই।

মিটিঙলৈ পুলিচ-মিলিটাৰীৰ চকুত ধূলি দি বহুত ডেকা আহিছিল। শৰ্মাই মাত্ৰ এষাৰ কথা কৈছিল, বৰ সাৱধানে মুক্তিসংগ্ৰাম চলাই যাবলৈ। সম্প্ৰতি ইংৰাজৰ সমৰ প্ৰস্তুতিত বাধা প্ৰদান কৰাটোৱেই হব সংগ্ৰামৰ একমাত্ৰ লক্ষ্য।

: কিন্তু আমাৰ আদৰ্শ যে অহিংস ঠাকুৰ।

এজন আদহীয়া মানুহে শ্ৰোতাৰ মাজত থিয় হৈ প্ৰশ্নটো তুলিছিল। শৰ্মাই কিবা এটা চিন্তা কৰিলে আৰু হাঁহিবৰ যত্ন কৰি সুধিলে—

: আমি ক'ত হিংসাৰ আশ্ৰয় ললোঁ বাৰু ? বেকীৰ পাৰত ইমান ডাঙৰ ঘটনা এটা ঘটালোঁ, এটা গুলি পকাৱাওতো নমৰিল। কাৰো গাত এটা আঁচোৰ পৰিলনে ?

: আমি বাৰু কি কৰিম সঙ্গহতে ?

ব্ৰজ ঠাকুৰে অগ্নিজয়ৰ প্ৰশ্নবাৰ শুনি ভাল পালে। এইটোৱে আচলতে কামৰ প্ৰশ্ন। অগ্নিজয় হ'ল দুৰ্গেশ্বৰৰ লগৰ ; তাৰ অবিহনে সিয়েই

নেতৃত্ব লৈছে স্বেচ্ছাসেৱকসকলৰ। সি তো জানিবই লাগিব কি কৰিব লাগিব। শৰ্মাই তাৰ প্ৰশ্নৰ উত্তৰ দিব খোজোতেই তেওঁৰ বন্ধু-পুত্ৰ কুকলিয়া ল'ৰাজনে কৈ উঠিছিল—

: আমি মালগাড়ী বগৰাম।

তাৰ কথা শুনি সভাখন কঁাহ পৰি জীন যোৱাৰ দৰে নিস্তব্ধ হৈ পৰিল। শৰ্মাই অৱশ্যে হাঁহি কলে—

: বোপা, সেইটো কৰিলে কৰবাত মানুহো হানি হোৱাৰ আশংকা থাকে; ড্ৰাইভাৰ, গাৰ্ড আৰু আন কোনোবাও থাকিব পাৰে। ঘোঁৰা-গৰু লৈ আহিব পাৰে; একোতো ঠিকনা নাই। আমি নিজৰ মানুহখিনিক বুজাই বৰাই বন্ধ কৰিলেই হ'ল। আমাৰ মাজত যিবোৰ বৃটিছৰ পদলেহনকাৰী ঠিকাদাৰ, বিষয়া আছে, সিহঁতক নিৰস্ত কৰাটোৱেই আমাৰ কাম হব।

: ঠাকুৰ সঁচাকে আমি স্বাধীন হ'মনে?

আদহীয়া মানুহজনে কথাষাৰ সুধিবলৈহে পালে, ডেকা কেইজনমানে উত্তেজিত হৈ মানুহজনক মাৰিবলৈ উদ্যত হ'ল। এজন ডেকাই মুখত যিহকে আহে তাকেই কলে। শৰ্মাই ধমক দি উঠিল। আকৌ সভাখন কঁাহ পৰি জীন যোৱাৰ দৰে নিস্তব্ধ হৈ পৰিল।

: তেওঁ আমাৰ ৰাইজৰ বহুজনৰ মনত যিটো প্ৰশ্ন উঠিছে তাকে ব্যক্ত কৰিছে। তোমালোকৰো নিশ্চয় কাৰো কাৰো মনত সেই প্ৰশ্ন মাজে মাজে উঠে কিন্তু তোমালোকে ব্যক্ত কৰিবলৈ ভয় নতুবা লাজ কৰা। সেয়া যি কি নহওক, মই তোমালোকক এটা কথা কৈ থলোঁ। মইও আগতে এই সন্দেহটো কৰিছিলোঁ। কিন্তু এই মুহূৰ্তত মোৰ মনত কোনো সন্দেহ নাই যে আমাৰ ভাৰতমাতা দাসত্বমুক্ত হব আৰু অতি সোনকালে হব। মোৰ সন্দেহ কিহে আঁতৰালে জানা?

প্ৰশ্নষাৰ তুলি তেওঁ খন্তেক থমকি ৰ'ল। সভাৰ সমস্ত লোক নিৰৱে থকা দেখি তেওঁ নিজেই উত্তৰ দিলে—

: তোমালোকৰ অনমনীয় দৃঢ়তাই। মই সন্দেহমুক্ত হলোঁ তোমালোকৰ অনমনীয় দৃঢ়তা দেখি। মনৰ শংকাকো চেপি নিঃশেষ

কৰি, ভয়ে কৰবাত দুৰ্বল কৰে বুলি ভয়কো হৈছে মাৰি থৈ তোমালোকে যি অসীম সাহস আৰু দৃঢ়তাৰ প্ৰমাণ দিছা মোৰ মনত আজি কোনোধৰণৰ দ্বিধা বা শংকা নাই। আমি মুক্ত হমেই, আৰু অচিৰেই হ'ম।

: সেই পোকলগা ঠিকাদাৰ কেইটাক ভালদৰে পিটি দিয়া যাওক এদিন বজাৰত ধৰি। ৰাইজৰ মাজত আপোনাৰ বিষয়ে যিহকে তিহকে প্ৰচাৰ কৰি ৰাইজৰ মন বিষাক্ত কৰি তুলিছে সিহঁতে।

: সেইবোৰ কথা মনলৈ নানিবা। সেইবোৰ চব সাময়িক। সেই-বোৰতে উত্তেজিত হৈ থাকিলে আমাৰ আচল কামত ব্যাঘাত জন্মিব। মিটিঙৰ শেষত এঘৰত ভাত এমুঠি খাই যেতিয়া শৰ্মা যাবলৈ ওলাল শৰ্মাৰ হঠাৎ মনলৈ আহিছিল পত্নীৰ উষ্মাৰে কোৱা কথা কেইষাৰ। সঁচাকে বৰনগৰৰ ৰাইজক ভীষণ বিপদৰ মুখলৈ ঠেলি দি নিজে পলোৱাৰ দৰে হোৱানাই তো? তেওঁ কথাটো ভাবি দ্বিধাগ্ৰস্ত হৈ পৰিল।

: ঠাকুৰ ব'লক, আপোনাক গাঁৱৰ মূৰলৈ আগবঢ়াই থৈ আহোঁ।

: হঁা। যাম জানো; মোৰ দেখোন কিবা এটা ভয় লাগিছে।

: তেনেহলে বলক মই যাম লগত।

শৰ্মাই ৰমণীৰ কথাষাৰ শুনি দুখতো হাঁহি কলে—

: মই সেই ভয়ৰ কথা কোৱা নাই অ'। মই তোমালোকৰ কাৰণে ভয় কৰিছো। তোমালোকে চম্ভালিব পাৰিবাতো?

: আপুনি থাকিবই নহয়। মূঠতে আপুনি বাহিৰত, কৰ্মঠ হৈ থাকিব লাগিব। আৰু বৰনগৰত থাকিলে আপুনি হয় পুলিচ-মিলিটাৰীৰ হাতত প্ৰাণ দিবলগীয়া হব, নহয় জেলত থাকিব লাগিব।

: কিন্তু মই যে এতিয়া যাবলৈ ওলাইছোঁ, মই কলৈ যাম তাকেই নাজানো, তোমালোকে সময়ত মোক বিচাৰি পাৱা কেনেকৈ?

: আমি বিচাৰি পাব নালাগে নহয়, আপুনিয়েই আমাক বিচাৰি আহিব সময় হলে। যক সোনকালে, পশ্চিম আকাশত বিজুলীৰ চমকনি দেখিলোঁ। হয়তো বৰষুণ হব পাৰে শেষ নিশা। তাৰ আগতে নৈখন পাৰ হৈ যাব পাৰিলে ভাল হব।

শৰ্মাই যেতিয়া সৰু কৰিদৰ পৰা ওলাই গৈছিল তেতিয়া ৰাতি গভীৰ আছিল। গাঁৱৰ আলিয়েদি অকলে অকলে গৈ তেওঁৰ বেয়া লগা নাছিল। মৃদু বতাহ এজাক বলি থকাত তেওঁ গৰম অনুভৱ কৰা নাছিল।

গৈ মাজনিশাৰ অলপ আগতে নদীৰ পাৰৰ গাঁও এখন পাইছিল। তেওঁ ইতস্ততঃ কৰিছিল, দোধোৰ মোধোৰত পৰিছিল গাঁৱৰ মাজেদি যোৱাটোৱে ভাল হব নে বোকা পানীৰ পথাৰৰ মাজেদি যোৱাটো ভাল হব। মনতে এটা সিদ্ধান্তলৈ আহি পথাৰৰ মাজেদি যোৱাটোৱে নিৰাপদ হব বুলি পথাৰত নামিব খোজোতেই পিচপিনৰ পৰা মানুহ এজনে মাত লগালে। হঠাৎ পিঠিত কাৰোবাৰ চাবুকৰ কোব পৰাৰ দৰে তেওঁ থমকি ৰৈ গ'ল।

ঃ চাবুকৰ কোব এনেকে নামাবে নহয়।

উদয় ভাগৱতীয়ে এটা প্ৰত্যাহ্বান হিচাপেই লৈছিল 'আকালেৰ দেশ' নাটকখন কৰাৰ সিদ্ধান্তটো। তেওঁ এটা নতুনকৈ খোলা যাত্ৰা পাৰ্টিৰ দলক তালিম দিয়াই আছিল। চাবুকৰ কোবটো গাত নপৰাকৈ কেনেদৰে ফটকা ফুটাৰ দৰে শব্দ তুলিব লাগিব, সেই কায়দাটো সেই মুহূৰ্তত তেওঁ শিকাই আছিল।

তেওঁৰ মনলৈ আহিছিল তৰমাথা পাৰ্টিত 'আকালেৰ দেশ'ত তেওঁ যে জনাৰ্দনৰ পাৰ্ট লৈ হেজাৰ হেজাৰ দৰ্শকক তন্ময় কৰি দিছিল; আৰু সেইদিনাই যে, ইংৰাজ চৰকাৰে ভয়তে 'আকালেৰ দেশ' যাত্ৰাভিনয় কৰা বন্ধ কৰি দিছিল।

১৯২৬ চনৰ পৰা সুদীৰ্ঘ পথ তেওঁ অতিক্ৰমি আহিছে। তেওঁতো কেৱল অভিনয়কে কৰা নাই। গান গাইছে, শিকাইছে; নাচিছে, নচাইছে; স্ত্ৰী চৰিত্ৰও অভিনয় কৰিছে। ধনেশ্বৰ শৰ্মাই অনুবাদ কৰা সেই বিখ্যাত কনৌজকুমাৰী নাটক লৈ ১৯২৯ চনত যেতিয়া তেওঁ পৰিচালকৰ দায়িত্ব লৈছিল তেতিয়া তেওঁ সমস্ত দিশ চম্ভালিবলগীয়াত পৰিছিল।

১৯৩১ চনৰপৰাই তেওঁ ওস্তাদ। বলোৱা পাৰ্টিত। য'ত কমলা বৈষ্ণৱ, প্ৰসন্ন শৰ্মাহঁতো আছিল। বৰতলাৰ পাৰ্টিত নৃত্যশিল্পী অৰ্জুন তালুকদাৰ, বহুৱাৰ ভাৰত প্ৰিয় শৰ্মা, নাৰীচৰিত্ৰত লোকনাথ শৰ্মা—এই দিকপালসকলৰ কেৱল সংগ লাভেই নহয় তেওঁ নেতৃত্বও দিছিল।

গতিকে যাত্ৰাভিনয় শিকোৱাত তেওঁৰ কোনো চিন্তা বা দ্বিধাৰ কাৰণ নাই। তেওঁৰ কেৱল চিন্তা যাত্ৰা দলটোৰ দৃঢ়তা সম্বন্ধে। কিন্তু তেওঁ কথাটো প্ৰত্যাহ্বান স্বৰূপে লৈছে। আৰু যাত্ৰাৰ ক্ষেত্ৰত বিফল তেওঁ কোনোদিনে হোৱা নাই। এইবাৰো নহয়। সেই সম্বন্ধে তেওঁ একৰকম নিশ্চিত।

: বুজিছা, অত্যাচাৰ বুজাবলৈ চাবুকৰ মাৰ কেইটা মাৰোতে, তাৰ শব্দ কেইটাহে দৰ্শকৰ কাণত লগা হব লাগিব। নহলে চাবুক চাম্বাৰ বচাহে। বুজিছা নহয় ?

: সেইটো বুজিছে চবেই। কিন্তু এই সময়ত 'আকালৰ দেশ'খন ললে ভাল হব জানো ওস্তাদ ?

মেনেজাৰজন আদহীয়া মানুহ। চতুৰো বেচ। মানে কামৰ মানুহ কথা কম কয়। তেওঁ এই প্ৰশ্নবাৰকে বহুত আগপিচ গুণি লৈহে কৰিছে। ভাগৱতীয়েও চিন্তা কৰি কোৱাৰ দৰে ক'লে—

: আপুনিতো ব্ৰজ ঠাকুৰৰ কথা শুনিছে ?

: শুনিছোঁ অৱশ্যে।

: তেওঁতো দেশৰ কাৰণে সংগ্ৰাম কৰি অহৰহ দুঃখ-যাতনা সহ্য কৰি বতাহত কমোৱা তুলাৰ দৰে ঘূৰি ফুৰিবলগীয়া হৈছে। ক'ত ঘৰ, ক'ত ল'ৰা তিৰোতা! কেনেকে খাইছে-বইছে সিহঁতে!

: সেইটোতো আমাৰো হয় ওস্তাদ।

কলিতাই যে তেওঁলোকৰ কথাৰ মাজত সোমাই মাত দিব, কোনেও আশা কৰা নাছিল। মেনেজাৰ আৰু ভাগৱতী দুয়ো কলিতাৰ মুখলৈ চোৱাত কলিতাই গহীন হৈ কলে—

: সঁচাকৈ কৈছোঁ, যাত্ৰাৰ নিচাত ঘূৰি আমিয়েতো চব পাহৰি যাওঁ। দেশভক্তিৰ নিচাটো নিশ্চয় ইয়াতকৈও ৰাগীয়াল হব।

: মই সেইটো কোৱা নাই হে। মই কৈছোঁ দেশৰ-দহৰ কাৰণে তেওঁ যদি ইমানখিনি কৰিব পাৰে, আমি কিয় 'আকালৰ দেশ', 'পৰশমণি' এই নাটকবোৰ কৰিবলৈ ভয় কৰিম।

: ভয় নকৰোঁ। 'আকালৰ দেশ' ইমান ভাল নাটক। আৰু এতিয়া সময়টোও ভাল হৈছে। মানুহে খেদি খেদি চাবলৈ আহিব। মেনেজাৰে আকৌ চিন্তা কৰে কিয় ?

মেনেজাৰে কলিতাৰ কথাবাৰৰ উত্তৰত হঠাতে একোকে নকলে। তেওঁ বিশেষ কাকো উদ্দেশ্য নকৰাকৈ মন্তব্য দিয়াৰ দৰে কলে—

: কোৱাটো সহজ। কিন্তু সময়ত যেতিয়া সহায়ৰ কাৰণে হাত মেলিব, কাকো আপুনি বিচাৰি নাপায়।

হাত মেলিব জানিবও লাগিব। মানুহে এনেয়ে সহাৰি নিদিয়ে। সহাৰি আদায় কৰিবলৈ নিজকে এনেদৰে উদঙাই দেখুৱাব লাগিব যাতে তেওঁলোকে বুজি পায় যে, তেওঁৰ নিজৰ একো নাই। কেৱল ৰাইজৰ কল্যাণ কামনাতে সহায় বিচাৰি হাত মেলিছে। কলিতাই মনতে ভাবিলে মেনেজাৰৰ কথা। টকা-পইচা থকা চহকী মানুহ। নিজৰ নিৰাপত্তা সম্বন্ধে অতিশয় স্পৰ্শকাতৰ। সি কলে—

: যিয়ে সিয়ে হাত মেলিলে আগবাঢ়ি নাহিবও পাৰে অৱশ্যে।

তাৰ কথাবাৰ আওকাণ কৰি ভাগৱতীয়ে কলে যে, 'আকালৰ দেশ'খনৰ দৰে নাটকে গোটেই যাত্ৰা দলটোৰে সন্মান, যশস্যা দুয়োটাকে বঢ়াব। ব্যৱসায়ৰ ফালৰ পৰাও এইখন অতি সফল নাট। গতিকে চিন্তাৰ কাৰণ নাই। আজিকালি ৰাইজ ইমান সতৰ্ক হৈ পৰিছে যে, চৰকাৰে আগৰ দৰে হঠাতে কিবা এটা কৰাৰ প্ৰশ্নই নুঠে।

মেনেজাৰে ওস্তাদৰ কথাত পতিয়ন নোযোৱাৰ কোনো কাৰণ বিচাৰি নাপালে। আৰু তেওঁ এইখন নাটেৰেই দুখন সৰস্বতীপূজা ৰাখিলে। এখন পূজাৰ দিনা, আনখন বিসৰ্জনৰ দিনা। 'আকালৰ দেশ' পালাখন দেখুৱাবৰ বাবেই অনুৰোধ কৰিলে দুয়োখন পূজাৰ ৰাইজে।

কলিতাই অৱশ্যে এই নাটকত অভিনয় নকৰে। তেওঁৰ তাত পাৰ্ট নাই। গতিকে তেওঁ নলবাৰীৰ সৰস্বতীপূজাৰ গন্ধ চাবলৈ গৈছিল। তাত টিহু মেধিপাৰা অপেৰা পাৰ্টিয়ে বীৰপূজা পালা কৰাৰ কথা আছিল। কলিতাৰ আকৰ্ষণ আছিল ডাক্তৰ সৰ্বেশ্বৰ গোস্বামী আৰু ফণি শৰ্মা। গোস্বামী আছিল মণিভদ্ৰ আৰু শৰ্মা আছিল, কালুডোম। দুয়ো অপূৰ্ব অভিনয় কৰে। বিশেষকৈ গোস্বামী হ'ল নাট্যশাস্ত্ৰ-বিশাৰদ।

কলিতা সেইবাবে দলত নগৈ অকলে অহিছিল নলবাৰী অভিমুখে। বাটত অসংখ্য মানুহৰ ভিৰ, সৰস্বতীপূজাৰ গন্ধ চোৱাৰ উদ্দেশ্যে আহিছিল। বাটত অকলে অকলে আহোতে মনত পৰি আহিছিল'

সৰ্বেশ্বৰ গোস্বামীৰ কিছুমান অবিস্মৰণীয় অভিনয়ৰ কথা। বিশেষকৈ হৰিশ্চন্দ্ৰ নাটকত তেওঁৰ হৰিশ্চন্দ্ৰ ৰজাৰ চৰিত্ৰৰ অভিনয়। অম্বু ঠাকুৰেও হৰিশ্চন্দ্ৰ কৰিছিল আগতে। কিন্তু সৰ্বেশ্বৰ গোস্বামীৰ ৰজা হৰিশ্চন্দ্ৰ আছিল একেবাৰে অনন্যসাধাৰণ। শ্মশানৰ দৃশ্যত ৰজা হৰিশ্চন্দ্ৰৰ শোকত মুহ্যমান হৈ পৰা অৱস্থাৰ যি ধৰণৰ অভিনয় কৰে গোস্বামীয়ে সেইটো সি মৰি গ'লেও নাপাহৰিব বোধ কৰোঁ। শোক-দুঃখ প্ৰকাশৰ, চকুপানা টোকাৰ এটা যে ৰাজসিক লক্ষণ আছে গোস্বামীৰ সেই অভিনয় যিয়ে দেখিছে সিহে জানে।

আৰু বীৰপূজাত এই মণিভদ্ৰৰ অভিনয়। যিটো বহুবাৰ উপভোগ কৰাৰ পাচতো কলিতাই আকৌ চাও বুলি আহিছে।

কলিতাই কিন্তু নলবাৰী পায়েই হতভম্ব হৈ পৰিল। চব মানুহ উভতি আহিছে। যেন গন্ধ এইমাত্ৰ শেষ হ'ল। সি কাৰোবাক সুধিবলৈকো, মানুহবোৰ ইমান তৰা নৰা চিগি নগৰখনৰপৰা ওলাই গৈছিল যে, সি সুযোগকে পোৱা নাছিল। সি চাইকেলৰ পৰা আলিবাটৰ দাঁতিত বিমূঢ় হৈ থিয় দি থাকিল। হঠাৎ বেগাই চাইকেল লৈ যোৱা ডেকা এজনে একে উপাহে কৈ যোৱা শুনিলে—

: ঘূৰি যা, ঘূৰি যা পুলিচ দদায়েৰহঁতৰ পিটন খাবলৈ মন নাই যদি, ঘুৰি যা।

সি তৎক্ষণাৎ সচেতন হৈ পৰিল। মগজুত এটা বুধি খেলিলে। সি চাইকেলখন ঘূৰাই লৈ কোবাকুবিকৈ চলাই ডেকাজনৰ লগ লাগিল। সি সুধিলে—

: পূজাত কিবা গোলমাল হৈছে নেকি ?

: পূজাত নহয় পোষ্টাফিচত।

: কি হৈছে ?

: বোমা দিছে।

: কোনে বাৰু ?

: জানিলেতো মই পুলিচৰ দাৰোগাই হব পাৰিলোহেঁতেন।

কলিতাই আৰু একো নকলে। কিন্তু ভাবি উলিয়াবলৈ মনতে যত্ন

কৰিলে, কোনে কৰিব পাৰে পোষ্টাফিচত বোমা দিয়াৰ দৰে দুঃসাহস। ব্ৰজ ঠাকুৰতো ভোটানেৰে সীমা পাৰ হৈ জাপানলৈ গ'ল। তেওঁৰ অবিহনে কোনে কৰিব পাৰে এই কাম।

সেইবোৰকে ভাবি গৈ থাকোতে কেতিয়া যে পাঠকইঁতৰ গাঁও পাইছিল তাৰ গমেই নাছিল। গাঁওখন দেখি সি গাঁৱৰ আলিয়েদি চাইকেলখন সুমাই দিলে।

কথা বুলিলে বতাহ। ইতিমধ্যে পাঠকইঁতৰ গাঁৱতো খবৰটো আহি গৈছিল। ইমান ৰাতিও গাঁৱৰ মানুহ জাগি আছিল। এঘৰৰ চোতালত জুই একুৰাৰ চাৰিওপিনে মানুহ কেইজনমান বহি কথা পাতি আছিল। কলিতা তাতেই সোমাই গ'ল।

: অউ! কলিতা দেখোন। ইমান ৰাতি ক'ৰ পৰা?

: নলবাৰীৰ পিনে গৈছিলোঁ। মাজবাটৰপৰা উভতি আহিলোঁ।

: কোনোবাই বোলে থানাত বোমা মাৰিছে? মানুহ মৰিছে নেকি? কিমান মৰিল বাৰু?

মানুহকেইজনৰ প্ৰশ্নৰ জাউৰিৰ পৰা সেই তিনিটা প্ৰশ্নহে কলিতাৰ কাণত সোমাইছিল। কলিতাই দেখিলে তাৰ মুখত নলবাৰীৰ নাম শুনি এন্ধাৰৰ মাজত য'তে ত'তে বৈ থকা মানুহবোৰো আহি চোতালত জুম বান্ধিলেহি।

এইবাৰ বয়সস্থ এজনে সকলোকে শান্ত হবলৈ দি কলে—

: আগেয়ে মানুহজনক বহিবলৈ কিবা এখন দিয়া। ইমান জাৰত চাইকেল মাৰি আহিছে। তাৰ পাচত সোধা ধীৰে সুস্থে।

এজনে বয়সস্থজনৰ কথা শুনি দৌৰি গৈ ভুখৰীয়া পীৰা এখন পাৰি দিলেহি। কলিতাই বহি লৈ কলে বৰ শান্ত স্বৰত। উত্তেজিত হোৱাৰ যে কোনো হেতু নাই এনে এটা ভংগীৰে—

: পোষ্টাফিচত কোনোবাই বোমা দিছে। মানুহ দুনুহ একো হোৱা নাই।

: দেশখনত যে কি হৈছে? সেইদিনা স্কুলৰ মাষ্টৰজন অলপৰ কাৰণেহে বাচিল। বিধাতাই চাউল কঠা ৰাখিছে কাৰণেহে সাৰি গ'ল।

ল'বা পঢ়াই থাকোতে চকীৰ তলতে বোমা। দেশত ঘোৰ কলিকাল আহিল।

বয়সস্থজনে কথাকিটা কৈ বোধকৰোঁ অতীতৰ সোনাময় দিনবোৰক বিষয়ে বোমখনত নিৰৱ হৈ পৰিছিল এনেতে আন এজনে ক'লে—

: কিন্তু নলবাৰীত তো বিৰাট হুলস্থুল লগা বুলি ক'লে ?

কলিতাই নিজৰ গুৰুত্ব অক্ষুণ্ণ ৰখাৰ উদ্দেশ্যেই ক'লে—

: সেইবাবেইতো মই গৈও ঘূৰি আহিলোঁ। পুলিচে ধৰ-পাকক কৰিছে, বিৰাট হুট্টগোল নগৰত।

কলিতাৰ কথা শুনি মানুহবোৰ কিছুপৰ নিৰৱে থাকিল। বোধকৰোঁ প্ৰত্যেকে ভাবি উলিয়াবলৈ চেষ্টা কৰিছিল অপৰাধী কোন হব পাৰে। এজনে স্বগতোক্তি কৰাৰ দৰে ক'লে—

: ঠাকুৰতো নহয়। বেকীৰ পাৰত ঘাঁটি জলাই দি লোকে এতিয়া জাপানত সোমাই আছেগৈ। ধৰ্ম দৰ্জিয়ে কোৱা মতেতো ৰবনগৰীয়া মথাই আকৌ কিবা অঘটন ঘটাব পাৰে। পুলিচ মিলিটাৰী চব্বিশ ঘণ্টাই তাত ঘূৰিয়ে ফুৰে। পিটিছেও ডেকা ল'ৰাক ধৰি ধৰি। তথাপি সিহঁতৰ তেজ কমা নাই।

কলিতাৰ কৌতুহল হ'ল ধৰ্ম দৰ্জিৰ বিষয়ে। সেই এজন তাৰ দৰেই যাত্ৰা-পাগল মানুহ। তেওঁৰ আচল নাম ধৰ্মকান্ত মিশ্ৰ। সাধাৰণ দৰ্জি কাম কৰিছিল যদিও বেচ মানে-মৰ্যাদাই, সুখে-সন্তোষেই জীৱন কটাইছিল আগডোখৰত। কিন্তু যাত্ৰাত লাগিল। মাজে মাজে দুৰ কৰবাত পালা ৰাখিবলৈ খোজ কাঢ়ি গৈ থকা সেই অফুৰন্ত সময়বোৰত কলিতাহঁতক কৈছিল—

: বুজিছা কলিতা, তোমালোক ডেকা ল'ৰা। নিশ্চয় বিৰাট আশা লৈ আমাৰ লগ লাগিছাহি। কিন্তু কেৱল কিবা পোৱাৰ আশা লৈ যদি আহিছা তেনেহলে অচিৰে তোমালোক হতাশ হবা। আমি দিওঁহে ; বিনিময়ত একোকে নাপাওঁ। মানুহক হাঁহি-কান্দোনৰ খোৰাক দিওঁ, আনন্দ দিওঁ। দিয়াই আমাৰ চব। আমি আশা কৰিম আৰু বেচি দিবলৈ। পোৱাৰ কাৰণে আমি কোনোদিন আশা কৰা উচিত নহয়।

কলিতাৰ মনটো হঠাৎ বিষণ্ণ হৈ উঠিল। সি কাকো উদ্দেশ্য নকৰাকৈ সুধিলে—

: দৰ্জি এতিয়া কেনে আছে ?

: কেনে থাকিব আৰু ? দিন গণি আছে। মাত নাই এতিয়া। কেনচাৰ হ'লে বাচে ক'ত ?

কলিতাৰ মনত পৰিছিল ধৰ্ম দৰ্জিৰ শেষ অভিনয়ৰ সেই দিনটোৰ কথা। সেই পাঠকইতৰ গাঁৱৰ ওচৰতে সেইদিনা বাসন্তীপূজাৰ গন্ধ আছিল। তালৈ দলৰ লগত কলিতাও আহিছিল। দৰ্জিৰ সেইদিনা মেজাজটো একেবাৰে ভাল নাছিল। কলিতাহঁতক নিৰুৎসাহিত কৰি কৈছিল—

: কেলেই যে তোমালোক আমাৰ লগত এনেদৰে আওমৰণে মৰিবলৈ আহিছা ? কলিতায়ে তাৰ উত্তৰত কৈছিল—

: এই মৰণ আওমৰণ হলেও এনে মৰণত আনন্দ আছে দৰ্জিদা। আমিয়ে এতিয়া, বৰ বেচি বি. এ., এম. এ. পাচ কৰা নহয়। মইতো জধামূৰ্খ। আমাৰ মাজত যে কোনোবা বৰ বিদ্বান আছে তেনে নহয়। কিন্তু আমিতো বঙলা নাটকৰ প্ৰচাৰ গুচাই আমাৰ গাঁৱে-ভূঞে অসমীয়া নাটকৰ প্ৰচাৰ কৰি আছোঁ। আমাৰ মাজত মাইনৰ পাচ নকৰা লোকেও নাটক লেখিছে, বঙলা নাটকৰ পৰা পালা কাটিছে। সামান্য হলেও আমি অসমীয়া সমাজক ভাল কিবা এটাতো দিব পাৰিছোঁ।

: গাধ, মই তাকেতো কৈছোঁ। আমি কেৱল দিব লাগিব আৰু এদিন সৰ্বস্বান্ত হৈ আওমৰণে মৰিব লাগিব।

দৰ্জি আৰু বেচি উত্তেজিত হব পাৰে বুলি ভয়তে কলিতাহঁত মনে মনে আছিল। তেওঁক সঁচাকে সেইদিনা বৰ নিশকতীয়া যেন দেখা গৈছিল। কলিতাৰ কান্ধত ভৰ দি তেওঁ খোজ কাঢ়িছিল। অৱশেষে মঞ্চত অভিনয় কৰিবলৈ যেতিয়া নামিছিল তেতিয়া দৰ্জিক দেখা গৈছিল আগৰ দৰে। আনদিনা কৰাৰ দৰেই তেওঁ সাৱলীল অভিনয় কৰিছিল। শেষ দৃশ্যটো কৰি আহি ছোঁ-ঘৰত সোমাই তেওঁ বাগৰি পৰি গৈছিল। অসুখটোৰ কাৰণে আগৰে পৰা তেওঁক অভিনয় বাদ দিবলৈ বহুতে পৰামৰ্শ দিছিল। তেওঁ কিন্তু অসুখটোলৈ ভ্ৰূক্ষেপেই কৰা নাছিল।

সেইদিনা ছোঁ-ঘৰত আহি যি পৰিল, এই পৰ্যন্ত তেওঁ আৰু উঠিব নোৱাৰিলে। এতিয়া মৃত্যুৰ ক্ষণ গণি আছে।

: কি প্ৰাণৱন্ত মানুহ, কি হৈ গ'ল। অথচ পালে কি জীৱনটোত! কলিতা দৰ্জিৰ চিন্তাত ইমান নিমগ্ন হৈ পৰিছিল যে, মুখেদি হঠাৎ ওলাই যোৱা কথাষাৰ সি মনৰ ভিতৰতে কোৱা যেন পাইছিল। সেইবাবে জুমৰপৰা ডেকা এজনে যেতিয়া কলে, 'ব্ৰজ ঠাকুৰেনো কি পালে' বুলি সি উচপ খাই উঠিল।

বয়সস্থজনে ইতিমধ্যে বাহিৰৰ পিনে ওলাই গৈছিল। সেই মুহূৰ্ততে তেওঁ ঘূৰি আহি কলেহি—

: ব'ল ব'ল, শুই থাকহঁত চবে। বাহিৰত একো নাই, চব থাণ্ডা। 'ব্ৰজ ঠাকুৰ'ৰ কথা ভাবি লাভ নাই এই ৰাতিখন। লোকে জাপানত আৰাম কৰি আছে গৈ।

ঃ মই আৰাম কৰি থকা বুলি কৈয়ে যে মানুহবিলাক ক্ষান্ত হৈছে সেয়ে বহুত। সিহঁতে অন্ততঃ যে কোৱা নাই যে, মই ইয়াৰ পৰা ডকাইতি কৰি অজস্র ধন লৈ গৈ জাপানত নতুনকৈ ঘৰ-বাৰী কৰি মহা-আনন্দত দিন কটাইছোঁ বুলি।

ভীষণ ধিক্কাৰত কথাকিটা কৈয়ে তেওঁ উথলি অহা চকুপানীৰ টোপাল-কেইটা পত্নীয়ে নেদেখাকৈ কোনোমতে মচি থৈছিল। নিজকে স্বাভাৱিক কৰিবৰ যত্ন কৰি তেওঁ কলে—

ঃ মোৰ খবৰ লবলৈকে ইমান দূৰলৈ ইমান কষ্ট কৰি নাহিবা। ল'ৰা-ছোৱালী কেইটাক ভালদৰে ৰাখিবা। তুমি দুখ নকৰিবা। মানুহে যি কয় কবলৈ দিয়া। মই জীৱনত অন্যায় কৰা নাই। যি সামান্য কৰিছো নিজৰ জ্ঞানবিশ্বাস মতে দেশৰ-দহৰ কল্যাণৰ কাৰণেই কৰিছোঁ। সত্যৰ এদিন জয় হবই। তুমি যোৱাঁ। মোৰ পিচত মোৰ নিজৰ মানুহেই লাগি আছে। মোক ধৰাই দিব পাৰিলে দহ হেজাৰ টকা পুৰস্কাৰ পাবতো। ইপিনে বৰপেটা-বজালিৰ ঠিকাদাৰবোৰৰ ক্ষতিও হৈছে। গতিকে সাতে-পাঁচে লগ লাগি মোক ধৰাই দিয়াটোকে সিহঁতৰ মঙ্গল বুলি ঠিক কৰিছে। বজালিৰ পৰা নানান আহিলা লৈ মানুহ আহিয়ে আছে। চব আমাৰ দত্ত বোলা পুলিচ ইন্‌স্পেক্টৰজনে পঠোৱা গুপ্তচৰ। মই বোধকৰোঁ আজিয়েই ঠাই সলাম।

চকুপানী মচি মচি ৰঙা কৰি লোৱা চকুহাল তুলি পত্নীয়ে কলে—

ঃ আপুনি ইয়াৰ পৰা কলৈকো নাযাব। ধৰিলে ধৰক ইয়াতে। চিনাকি মানুহৰ মাজত ধৰিলে অন্ততঃ মানুহটোৰ একো নহয়। আন অচিনাকি ঠাইত হলে সিহঁতে যে আপোনাক কি কৰিব পাৰে মই···

পত্নীয়ে কান্দোনত কথাষাৰ শেষ কৰি কব নোৱাৰি কাৰৰ চক্রৱর্তীহঁতৰ

নঙলাৰ বেৰখনতে আঙুলি দিলে। ব্ৰজ শৰ্মা এইবাৰ কঠিন হ'ল। তেওঁ পত্নীৰ পিঠিত হাত দি কলে—

: যোৱা তুমি সেইবোৰ চিন্তা নকৰিবা। মই সক ল'ৰা নহয় নহয়। মই যি কৰিলে ভাল হয় তাকেই কৰিম। যোৱা এতিয়া গাড়ীৰ কাৰণে দেৰি হৈ যাব।

পৰিবাৰ যোৱাৰ পাচতো বহুত সময় ব্ৰজ শৰ্মা দীপ চক্ৰৱৰ্তীৰ ঘৰৰ নঙলামুখতে থিয় হৈ আছিল।

সেই ঘৰত আহি তেওঁ প্ৰথম কেনেদৰে আশ্ৰয় লৈছিলহি, গোটেই দৈয়াংখন ভ্ৰমি কিদৰে সেইখিনি পাইছিলহি তেওঁ মনত পেলাবৰ যত্ন কৰিলে—

: হুহ্ আৰাম! সিহঁতৰ কোনোবা এজন আহিব লাগিছিল তেওঁৰ লগত। বাটতে কাহানিবাই বৈ গ'লহেঁতেন।

মনতে ভবা কথাষাৰ এটা তিৰ্যক হাঁহিৰ মাজত উচ্চাৰিত হৈছিল। চক্ৰৱৰ্তী পিচপিনে থিয় হৈ আছিল। তেওঁ মাত লগালে—

: কি বলিয়াৰদৰে অকলে কথা পাতি আছে। আহক, কোনোবাই দেখিব পাৰে আপোনাক।

: মোৰ নিজৰ ওপৰতে অদ্ভুত খং এটা উঠিছে। চক চোন, কি যমৰ যাতনা সহ্য কৰি পুলিচৰ চকুত ধূলি দি পোকলগা কুকুৰটোৰ দৰে ঘূৰি ফুৰিছোঁ। অগম্য ঠাইলৈ গৈছোঁ, অখাদ্য খাইছোঁ, ভৰ বাৰিষা অঠাউনি পানীৰ মাজেদি নৈ, অলিছিগা পাৰ হওতে গাৰ তিতাকাপোৰ গাতে শুকাল কতদিন, তথাপি সিহঁতে কয় মই হেনো আৰাম কৰি আছোঁগৈ জাপানত।

: সেইবোৰ থাকিবই। দেশৰ মুক্তি-সংগ্ৰামৰ সৈনিক হিচাপে আপোনাৰ সেইবোৰ কথালৈ মুৰ ঘমোৱাৰ অধিকাৰ নাই। তেনে কথা থাকিবই। বহুতে মিলিটাৰী ঠিকা লৈ ধন ঘটাৰ কথা ভাবিছে, তাত বিঘিনিখালি দিছে আপুনি, ইপিনে আপোনাৰ মুৰৰ দাম বাঢ়ি গৈ দহহেজাৰ হৈছে। তেনেস্থলত কোনোবাই যদি আপোনাক লৈ কিছুমান উৰাবাতৰি প্ৰচাৰ কৰি—আপোনাৰ প্ৰতি ৰাইজৰ মনোভাৱ

বিকল্প কৰি দিয়াৰ চেষ্টা কৰে—আপুনি দোকেই নো দিয়ে কিয়নে? মানুহতো চৰেই একেধৰণৰ নহয়। আহক, সেইবোৰ চিন্তা কৰি লাভ নাই।

লাভ সঁচাকে নাই। আনে কৰিলেও এটা কথা আছিল। এতিয়া তেওঁক ধৰিবৰ ষড়যন্ত্ৰৰ জালখন পেলাইছে নিজৰ মানুহেই। সিহঁতেতো সমস্ত কথাই জানে তেওঁৰ বিষয়ে। বণ্ডাইগাঁৱৰ পৰা কুচ্ছ্ৰ কাটিয়েদি আহি অটব্য অৰণ্যৰ মাজেদি ধীৰ বিলৰ পাৰত বৰষুণ আৰু ৰাতিৰ এন্ধাৰ আৰু বাটৰ ছিগাত ঠাউনি নোপোৱা পানীত তেওঁ যি যাতনা ভুগিছিল, ৰাৰিবাৰ কোবাল মানাহ পাৰ হৈ সৃজনগ্ৰাম, বৰ ঘোলাৰ বোকাপানীৰ পথাৰৰ মাজে মাজে যি এক অন্তহীন যেন লগা পৰিক্ৰমা তেওঁ কৰিবলগীয়াত পৰিছিল—তেওঁৰ অন্তৰাত্মাই হে জানে কি আৰামৰ মাজত তেওঁ দিন কটাইছে।

নিজৰ ঘৰৰ মানুহজনীক, বিছনাত পৰি ভয়ত চিঞৰি থকা এমা ডিমা কেচুৱাটোক লৰলৈ যাওতে পুলিচে নিজৰ ঘৰতে কিদৰে গতিয়াই পেলাই দিছিল, কিদৰে ৰোগগ্ৰস্ত সন্তানক আনৰ তত্ত্বাৱধানত থৈ ঘৰৰ মানুহজনীয়ে পুলিচৰ হাতত জীয়াতু ভুগিবলগীয়া হৈছিল, সেইবোৰে তেওঁৰ অন্তৰত কি যে এক গভীৰ ক্ষতৰ জন্ম দিছে, কোনো কোনো মুহূৰ্তত সেই ক্ষতৰ জ্বালাই কিদৰে নিজকে অসহ্য যন্ত্ৰণাত বোৱা কৰি পেলায়, তেওঁৰ অন্তৰ্যামীয়েহে জানে।

এইবোৰ কথাকে চিন্তা কৰি তেওঁ চক্ৰৱৰ্ত্তীৰ ঘৰৰ ভিতৰত তেওঁৰ কাৰণে দিয়া বিছনাখনত পৰি আছিল। বিগত বিভিন্ন দিনৰ নানান অবিস্মৰণীয় ঘটনাই তেওঁৰ মনত ভিৰ কৰিছিল। অন্যমনস্ক হোৱা গুণেই চক্ৰৱৰ্ত্তীৰ ক্ষীণ অথচ ক্ষিপ্ৰভাৱে কোৱা কথাটো তেওঁ মন কৰা নাছিল। তেওঁক গাত হাত দি ঠেলি দিয়াত তেওঁ চক্ৰৱৰ্ত্তীলৈ ঘূৰি চালে—

: সোঁটোলৈ চাওকচোন। সি আজি কিছুদিনৰ পৰা ঘূৰি ঘূৰি আমাৰ ইয়ালৈকেই চাই থাকে। লগত গাঁৱৰ ল'ৰাও দুই এটা থাকে।

: মই তেনেহলে আজিয়ে বেলেগ ঠাইলৈ যাম।

ব্ৰজ শৰ্মাক বিছনাৰ পৰা উঠা দেখি চক্ৰৱৰ্ত্তীয়ে হাঁহি হাঁহি কলে—

ঃ মোৰ ইয়াত আশ্ৰয় আপুনি খুজি লোৱা নাই নহয়। মই নিজে আগ্ৰহ কৰি দিছোঁ। দি সঁচাকে মই ধন্য হৈছোঁ। আপোনাৰ নিৰাপত্তাৰ কথা মোকো ভাবিবলৈ দিব।

চক্ৰৱৰ্ত্তীৰ কথা শুনি শৰ্মা ইমান অভিভূত হ'ল যে মুখৰপৰা কোনো কথাই নোলাল। মাত্ৰ নিৰৱ সেমেকা হাঁহি এটাৰে সমস্ত জলাঞ্জলি দিয়াৰ ভংগীত পুনৰ বিচনাত শুই দিলে। বৰনগৰৰ নিৰ্যাতিত ডেকা ল'ৰাকেইটাৰ মুখবোৰ তেওঁৰ মনলৈ আহিল। মহাজনৰ একমাত্ৰ পুতেক, তেওঁৰ বন্ধুপুত্ৰ সেই কোমল বয়সৰ অসীম সাহসী ল'ৰাটো, জন্মি, ৰমণীহঁত। দামোদৰ, প্ৰতাপ, নগেন, ৰত্নেশ্বৰহঁত। নিৰ্যাতন ভুগিও সিহঁত চাগে আগৰদৰেই নিৰ্ভীক, পৰাজয় নমনা হৈয়ে আছে।

এইবোৰ চিন্তাতে তেওঁ কিমান পৰ নিমগ্ন হৈ আছিল তেওঁ কব নোৱাৰে। হঠাৎ বাহিৰত হাঁহিৰ ৰোল শুনি তেওঁ খিৰিকীয়েদি চোতাললৈ চাই পঠালে। দেখিলে অলপ আগতে দূৰৰ পৰা সেইখন ঘৰলৈ ঘূৰি ঘূৰি চাই থকা ডেকাজনক ঘেৰি লৈ চক্ৰৱৰ্ত্তী আৰু কেবাজনেও হাঁহি ধেমালি কৰিছে। অলপ পাচত চক্ৰৱৰ্ত্তীয়েই মাত লগালে—

ঃ ব্ৰজবাবু, গুপ্তচৰ ধৰা পৰিছে আহক।

খিৰিকীত থিয় হৈ শৰ্মাই যেতিয়া মানুহজনৰ আদ্যোপান্ত শুনিলে তেৱোঁ নহঁহাকৈ থাকিব পৰা নাছিল। মানুহজন বঙালী। কোচ-বিহাৰৰ পিনৰ। বাচন-বৰ্তনত নাম লেখে। চক্ৰৱৰ্ত্তীৰ ঘৰত বহুত বাচন-বৰ্তন থকা বুলি জানে কিন্তু তেওঁ ঘৰত থাকিলে কাম নহব, ধমকনিহে খাব লাগিব বুলি কোনোবাই মানুহজনক কৈছে। গতিকে সি নিতউ চায়, চক্ৰৱৰ্ত্তী ঘৰৰ পৰা ওলাই যায়েই জানোছা কোনোবা দিনা।

ব্ৰজ শৰ্মাৰ হাঁহি পিচে বেচি সময় নিটিকিল। কিয়নো মানুহজন ওলাই যোৱাৰ পাচত তেওঁ আলিবাটলৈ চাই পঠাওতে তেওঁৰ চকুত পৰিল আন এজন আগন্তুক। যাৰ ছাঁটো পৰ্যন্ত তেওঁ সহ্য কৰিব নোৱাৰে। নিজৰে মানুহ কিন্তু দেখিলেই, তাৰ কথাবোৰ শুনিলেই গাত কিবা এটা বিষাক্ত সৰীসৃপ বগোৱা যেন লাগে তেওঁৰ।

: আমাৰ ঠাকুৰ আছেনে ?

আগন্তুকৰ মাতষাৰ কাণত পৰাত ব্ৰজ শৰ্মা উত্তেজিত হৈ পৰিল। তেওঁ প্ৰকৃতিস্থ হবৰ যত্ন কৰিলে আৰু অলপ মনটো শান্ত হোৱাৰ পাচত ওলাই আহিল। স্বাভাৱিক হবৰ যত্ন কৰি তেওঁ আগন্তুকক ক'লে—

: শৰ্মা, আপুনি বাৰু মোৰ পাচত কিয় এনেদৰে লাগি আছে ?

: ছি ছি ঠাকুৰ, মই কিয় বাৰু আপোনাৰ পাচত লাগিবলৈ যাম ? আপোনাক ডাক্তৰে মতা বুলি খবৰ দি গৈছিলোঁ, আপুনিও যাব বুলি কথা দিছিল, নগ'ল, সেইবাবে ভাবিলোঁ, বোলো কিবা আপদ-বিপদেই হ'ল নেকি ? তাকে খবৰ লৈ যাওঁ বুলি আহিলোঁ।

: একেবাৰে বজালিৰ পৰা ? ইমান দূৰ ঘনাই আহি থাকিবলৈ আপুনি খৰচ পায় ক'ত বাৰু ?

: এহ্ যাওঁ দিয়ক। আপুনি বৰ খণ্ড কৰি আছে।

কথাষাৰ কৈয়ে মানুহজন উভতি গ'ল। ব্ৰজ শৰ্মা চিন্তিত হৈ পৰিল। চক্ৰৱৰ্ত্তীয়ে বোধকৰোঁ কথাটো লক্ষ্য কৰিছিল। তেওঁ শৰ্মাৰ কাষলৈ আহি ক'লে—

: আপুনি বাৰু কাইলৈ পুৱাতে আন এখন ঠাইলৈ যাব। মই নিজে থৈ আহিম। এই শৰ্মা বোলা মানুহজনৰ যে কিবা এটা মতলব আছে, সেই মতলব যে ভাল নহয়, তাত কোনো সন্দেহেই নাই। এওঁ মোৰ ঘৰলৈ এই ৰাবেদি পুৰা ন বাৰ আহিল। আপুনি যে আগৰ বাৰ থাকি বেংগললৈ গ'ল সেই সময়তে তিনিবাৰ আহি গৈছে।

: মোৰ সঁচাকে ঘোৰ সন্দেহ হৈছে। বিশেষকৈ ভাদুড়ী ধৰা পৰাৰ পাচত মোৰ মোহভংগ হোৱাৰ দৰে হৈছে।

: সেইবোৰ চিন্তা বাদ দিয়ক। আপুনি দেশৰ স্বাধীনতাৰ হকে যি কৰিছে তাৰ তুলনা নাই। মানুহে আজি বুজা নাই।

: মই যে প্ৰতিবাৰে মানুহে নুবুজাৰ বাবে যাতনা ভুগিছোঁ। সহ-অভিনয় জনপ্ৰিয় কৰি তুলিবৰ কাৰণে কিমান যে কষ্ট স্বীকাৰ কৰিলোঁ; সেইটোও মানুহে নুবুজিলে বৰঞ্চ বেচি বুজা যেন দেখুৱাই বহুতে

মোক গঞ্জনা কৰিলে, চৰম অপমান কৰিলে। স্বাধীনতা সংগ্ৰামত যোগ দিলোঁ, সাম্ৰাজ্যবাদী পিশাচহঁতৰ সমৰ আয়োজনত বিঘিপথালি দিলোঁ, মোৰ নিজৰ মানুহেই মোক বুবুজিলে।

নিশা ভালেখিনি পৰলৈ তেওঁ বিছনাত পৰি এইবোৰকে চিন্তা কৰি চটফটাই আছিল। তেওঁৰ পৰিবাৰৰ কথা, পৰিয়াল পৰিজনৰ কথা আৰু বিশেষকৈ বৰনগৰৰ দুৰ্বাৰ মনৰ সেই ডেকা ল'ৰাকেইটাৰ কথা।

ধীৰ বিলৰ পাৰত সেই যে শস্যশ্যামলা গাঁওখন। তাৰ হাঁহিমুখীয়া খেতিয়কসকল। যিসকলে তেওঁৰ অজ্ঞাতবাসৰ প্ৰথমছোৱাত আনন্দেৰে, কোনো প্ৰতিদান নিবিচৰাকৈ সহায় কৰিছিল।

শালকোছাৰ জমিদাৰ মহাজনহঁতে নিৰ্দয়ভাৱে এই খেতিয়কসকলক যুগ যুগ ধৰি শোষণ কৰিও তেওঁলোকৰ মুখৰ হাঁহি, অন্তৰৰ ঐশ্বৰ্য নিঃশেষ কৰিব পৰা যে নাছিল সেই কথা ভাবি তেওঁ সেই মুহূৰ্ততো উত্তেজিত হৈ পৰিছিল। তেওঁৰ মনলৈ ভিতৰুৱা দুৰ্গম গাঁৱৰ অজস্ৰ দুখীয়া কৃষকৰ জীৰ্ণ ঘৰবোৰৰ ছবি, শোষণক্লিষ্ট অথচ হাঁহি ভৰা মুখবোৰৰ ছবিবোৰ আহি ভিৰ কৰি দিছিল। তেওঁ মনতে ৰিজাই চাইছিল দুৰাৰোগ্য ৰোগগ্ৰস্ত এটা শিশুৰ হাঁহি ভৰা মুখখনৰ সতে সেই অজস্ৰ মুখবোৰ।

ঘাঁটি জ্বলাই দি, বৰনগৰৰ মিলিটাৰীৰ অফিচ-কেম্পবোৰ পুৰি শেষ কৰি তেওঁ যি গৰ্ববোধ কৰিছিল, অসমৰ গাঁৱে-ভূঞে দেখা পোৱা এই কৰুণ দৃশ্যৰ আগত তেওঁৰ সেই বোধ মূল্যহীন যেন লাগিছিল। তেওঁ মনতে ভাবিলে পুনৰ যেতিয়া আন ঠাইলৈ যোৱাৰ কথা আছে, তেনে এখন ভিতৰুৱা গাঁৱলৈকে তেওঁ যাব। তাতে তেওঁ গাঁৱৰ কৃষকৰ হৈ জমিদাৰ মহাজনহঁতৰ বিৰুদ্ধে এখন আঁচনি ৰচিব। আৰু এখন নাটক ৰচিব, 'আকালেৰ দেশ'ৰ দৰে অসমৰ গাঁৱৰ পটভূমিত লেখা এখন বাস্তৱ সমস্যাৰ নাটক।

এইবোৰ গুণা-গঁথা কৰি থাকোতেই এসময়ত ব্ৰজ শৰ্মাৰ টোপনি আহিছিল। বহু ৰাতিলৈ উজাগৰে কটোৱা গুণে পুনৰ সাৰ পাওঁতে আনদিনাতকৈ দেৰি হৈছিল। তেওঁ বিছনাৰ পৰা উঠি দেখিলে

পুৱাৰ আকাশখন পোহৰি পোহৰি হৈ পৰিছে। তেতিয়াও ঘৰখন নিতাল নিস্তব্ধ হৈ আছিল।

ৰাতিপুৱা শুই উঠিয়েই আনদিনা যিদৰে তেওঁ বাহিৰলৈ ওলাই যায় সেইদৰে সেইদিনাও তেওঁ বাহিৰৰ পিনে ওলাই গ'ল। গৈয়ে যি দুজন মানুহৰ সন্মুখত পৰিছিল তাৰ বাবে তেওঁ একেবাৰে প্ৰস্তুত নাছিল। মানুহ দুজনে আগভেটি ধৰাৰ মুহূৰ্ত্ততে নওলামুখৰ চকোৱাৰ আঁৰৰ পৰা ওলাই আহিছিল বিলাসীপাৰাৰ পুলিচ ইন্সপেক্টৰ মিষ্টাৰ দত্ত।

পুলিচ দেখিলেই তেওঁৰ দত্তলৈ মনত পৰে। সেইদিনা চক্ৰৱৰ্ত্তীহঁতৰ নওলামুখত ইমান পুৱাতে তেওঁক গ্ৰেপ্তাৰ কৰাৰ সময়ত দত্তই যিবাৰহে গালি পাৰিছিল সেইষাৰ গালি এতিয়াও তেওঁৰ মনত লাগি আছে। মনত পৰিলেই ক্ষোভৰ জ্বালাত মন অস্থিৰ হৈ পৰে। দত্তই তেওঁক 'ঠগবাজ চোৰ' বুলি কৈছিল। খণ্ডতে শৰ্মাই যেন দত্তৰ গালত পূৰ্ণহতীয়া চৰ এটা শোধাব এনে এটা ভাব হৈছিল। নিজৰ অক্ষমতাৰ বাবে শৰ্মাই যে সেই মুহূৰ্তত কিমানবাৰ মৃত্যুৰ সতে মুখামুখি হৈছিল ভাবিলে আজিও গাৰ নোম ডাল ডাল হৈ উঠে।

পুলিচটো তেওঁৰ চেলৰ পিনেই আহিছিল। ওচৰ পোৱাতহে তেওঁ মন কৰিলে যে মানুহজন পুলিচ নহয়, অফিচৰ এজন ৱাৰ্ডাৰ। জেল চুপাৰিণ্টেণ্ডেণ্টৰ লগত থাকে। তেওঁ সপ্ৰশ্ন দৃষ্টিৰে চেলৰ দুৱাৰখনত অপেক্ষা কৰি ৰ'ল।

ৱাৰ্ডাৰজনে কাষ পোৱাৰ লগে লগে প্ৰণাম জনালে। শৰ্মাই কিবা এটা সুধিব খোজোঁতেই তেওঁ সন্তৰ্পণে কাষৰে পাজৰে চোৱা দেখি শৰ্মা নিৰৱ হৈ গ'ল।

ঃ ঠাকুৰ, আপোনাক কালিলৈ পুৱা খালাচ দিব।

শৰ্মাই কথাষাৰ শুনি একেবাৰে নিৰ্লিপ্ত ভাৱ এটা দেখুৱাই মনে মনে থাকিল। ৱাৰ্ডাৰজনে আকৌ কলে, এইবাৰে একেবাৰ নিম্ন স্বৰত—

ঃ দত্ত দাৰোগাই আপোনাক বৰ বেয়া পায়। তেওঁৰ আন কিবা মতলব থকা যেন লাগিল। আমাৰ চাহাবৰ লগত কিবা পৰামৰ্শ কৰা যেন পালোঁ। মই যাওঁ। আপুনি সাৱধানে থাকিব।

ব্ৰজ শৰ্মাৰ প্ৰতিক্ৰিয়ালৈ বাট নেচাই ৱাৰ্ডাৰজন তত্‌তৈয়াকৈ গুচি গৈছিল। ব্ৰজ শৰ্মাই ৱাৰ্ডাৰৰ বাতৰিটোত নতুনকৈ চিন্তা কৰাৰ বাবে কোনো কথা ভাবি নেপালে। দত্তই তেওঁৰ যি কৰিলে তাতকৈ নতুন অন্যায় আৰু কি কৰিব পাৰে! তেওঁ বিষয়টো মনৰ পৰা একেবাৰে আঁতৰাই দিলে।

ষাঠি বৰ্গফুটৰ অকমান চেলটো 'কোমোদ'টোৰ শৌচ প্ৰস্ৰাৱৰ গোন্ধে

ভৰাই তুলিছিল। প্ৰথম কেইদিনমান অসহ্য লাগিছিল। এতিয়া কাষত দুৰ্গন্ধময় কোমোদটো লৈ তেওঁ ভাত খাবও পাৰে। কেৱল দত্তৰ সেই গালিবাবত বাদে তেওঁৰ আজিকালি সমস্ত সহনীয় হৈ পৰিছে।

মাজে মাজে অৱশ্যে তেওঁ আৰামত খুৰি ফুৰা বুলি জনৰৱ তোলা সেই আপোন মানুহখিনিৰ কথা মনত পৰিলেও বিৰক্ত হয় মনটো। সম্প্ৰতি হেনো জনৰৱ তল পৰিছে। কিয়নো সিহঁতৰ দুই একে পায়খানাৰ তীব্ৰ গোন্ধ সহ্য কৰি তেওঁক এই চেলতে দেখা কৰি গৈছে। আবেলি ভাত খাই থকাৰ সময়ত উৎকট গোন্ধটোৰ কথা তেওঁ পাহৰি গৈছিল। দত্ত বা সেই আপোন মানুহবোৰৰ কথাও তেওঁৰ মনত পৰা নাছিল। তেওঁৰ মনত পৰিছিল জেললৈ আহি ৰাজ-আয়মত নিতৌ মাগুৰ মাছ বা মুৰ্গীৰ চুপেৰে আহাৰ কৰা মুক্তিসংগ্ৰামী দেশ-নেতাসকলৰ কথা আৰু ক্ষয়ৰোগগ্ৰস্ত শিশুৰ দৰে হাঁহিমুখৰ সেই শোষিত, নিষ্পেষিত গাঁৱৰ অগণন কৃষকৰ কথা।

এইবাৰ জেলৰপৰা যদি ফাঁচী-ভাচী নোহোৱাকৈ মুক্তি পায়, তেনেহলে তেওঁ আৰু এক নতুন সংগ্ৰামৰ নেতৃত্ব দিব। সেই নিৰীহ প্ৰবঞ্চিত মানুহৰ হৈ তেওঁ সংগঠিত কৰিব এক ৰাজ্যজোৰা সংগ্ৰাম।

খাই বই উঠি খাটখনত বাগৰি দিয়াৰ পাচতো এই চিন্তাবোৰে তেওঁক এৰা নাছিল। আনফালে খাটখনত বাগৰি দিলেই কব নোৱৰাকৈ টোপনিয়ে চকু দুটা ভৰ কৰি ধৰিছিল। সেইদিনা তেওঁ কিন্তু নানান চিন্তাত নিমগ্ন হৈ পৰিছিল। এসময়ত সমস্ত এন্ধাৰ হৈ পৰিছিল। আকাশত তৰাৰ জাকবোৰৰ মাজৰ পৰা হঠাতে খহি পৰা দুই এটা তৰাত বাদে যেন একোৱে জীয়াই থকা নাছিল সেই সময়ত এনে এটা ভাব হৈছিল তেওঁৰ। তেওঁ নিজৰ বুকুত হাত দি বুকুৰ ঢপঢপনিটো অনুভৱ কৰি মাজে মাজে চমৎকৃত হৈ পৰিছিল।

দহ বজাৰ ঘন্টাৰ কোব কেইটা অলপ আগতে জীন গৈ নিস্তব্ধতাটো

আৰু যেচি নিজান ৰহস্যময় কৰি তুলিছিল। ঠিক তেনে এটা মুহূৰ্ততে ঘটিছিল ঘটনাটো।

তেওঁ বিছনাতে পৰি আকাশ-পাতাল গুণি আছিল। বাহিৰত হলো-চোলা পিন্ধা ৱাৰ্ডাৰ এজনে অভ্যাসবশতঃ টোপনিতে তেওঁৰ চেলৰ সন্মুখত পায়চাৰি কৰি আছিল। এনেতে হঠাৎ ঘোপমৰা এন্ধাৰবোৰ উজ্জ্বল পোহৰে উদ্ভাসিত কৰি তুলিছিল। তেওঁৰ চেলৰ আগে দিয়ে 'জুই জুই' বুলি মানুহ কেইটামানে দৌৰি গৈছিল। পায়চাৰি কৰি থকা ৱাৰ্ডাৰজন আছিল অতিশয় বুদ্ধিমান। সি তেওঁৰ চেলটো প্ৰথমে চাই লৈ তেওঁ সুৰক্ষিত বুলি নিশ্চিত হৈহে লাহে লাহে পোহৰৰ উৎসৰ পিনে আগবাঢ়ি গৈছিল।

জেলৰ ভিতৰত হুলস্থূল লাগি পৰিছিল। বহুত কয়েদীয়ে ৱাৰ্ডাৰৰ হাতত মাৰ খাইছিল। বিষয়া-কৰ্মচাৰী সশস্ত্ৰ পুলিচৰ দলবল সহ আহি চাৰিওপিনে যাকে য'তে পায় মাৰধৰ কৰি অপৰাধীক উলিয়াবলৈ যত্ন কৰি শেষত হাৰ মানিছিল।

পাচদিনা দুপৰীয়া ঠিক এঘাৰ বজাত মেট আৰু ৱাৰ্ডাৰক লগত লৈ ডেকা সহকাৰী জেইলাৰ এজন তেওঁৰ চেলৰ সন্মুখলৈ আহিছিল। ডেকা সহকাৰী জেইলাৰজনে তেওঁলৈ নমস্কাৰ জনাই কৈছিল—

: শৰ্মাদেউ, আপোনাৰ দুখৰ অন্ত পৰিল। আপোনাৰ বিৰুদ্ধে কোনো প্ৰমাণ নাপাই চৰকাৰে আপোনাক খালাচ দিছে। তেওঁ জেইলাৰজনৰ কথাত পোনপটীয়া সহাৰি নিদি মাথোন সুধিলে—

: অফিচত দত্ত দাৰোগা বহি থকা নাই জানো?

জেইলাৰজনে হতভম্ব হৈ সুধিলে—

: আপুনি কেনেকৈ জানিলে? তেখেত পিচে আজিকালি দাৰোগা নহয়, ইন্সপেক্টৰ হ'ল। আপোনাক ধৰাৰ পাচতে প্ৰমোচন হৈছে। হাঁহি হাঁহি জেইলাৰজনে ক'লে—

শৰ্মা একেবাৰে নিৰ্লিপ্ত হৈ পৰিল। জেলৰ পুতিগন্ধময় চেল, বাহিৰৰ মুক্ত পৰিবেশ এইবোৰ তেওঁৰ মানত একেবাৰে অৰ্থহীন হৈ পৰিল।

জেইলাৰৰ অফিচত দত্তক ক্ৰূৰ হাঁহি মাৰি বহি থকা দেখিও তেওঁৰ খং বা বিৰক্তিৰ ভাৱ নহ'ল।

: কেনে আছে শৰ্মা?

: ভালেই, যেনে দেখিছে।

দত্তৰ প্ৰশ্নৰ তেওঁ নিতান্ত স্বাভাৱিকভাৱে উত্তৰ দিলে। জেইলাৰে কাগজ এখন আগবঢ়াই দি কলে—

: আপুনি খালাচ। ইয়াতে চহী এটা কৰক।

তেওঁ কাগজখন চহী দি থাকোতেই দত্তই কলে—

: শৰ্মা আপুনি বেয়া নাপাব। আপোনাক পুনৰ আমি প্ৰতিৰক্ষা আইনৰ অধীনত গ্ৰেপ্তাৰ কৰিছোঁ। এতিয়া আপুনি ৰাজনৈতিক বন্দী। চেলত বহুদিন কষ্ট খালেতো, এতিয়া কেইবছৰমান আৰাম কৰক।

কথাষাৰ কৈয়ে তেওঁ হাঁহি দিছিল। দত্তৰ হাঁহিত অৱশ্যে আনে যোগ দিয়া নাছিল। দত্তই পৰিস্থিতিটো বুজি হঠাৎ নিজকে চম্ভালি ললে আৰু গহীনভাৱে সুধিলে—

: জেলৰ ভিতৰত যোৱা নিশাৰ অগ্নিকাণ্ডটো কাৰ হাতেদি ঘটালা বাৰু? কিয়নো অগ্নিকাণ্ড ঘটোৱাত তোমাৰ দৰে এক্সপাৰ্ট আৰু কোনো নাই বুলি আমি জানো। এইটোৰ মূলতো যে তুমিয়েই সেই বিষয়ে আমাৰ কাৰো সন্দেহ নাই।

শৰ্মাই একো নকলে। কোৱাৰ প্ৰয়োজনো অনুভৱ নকৰিলে। জেইলাৰে ৱাৰ্ডাৰ এজনক লগত দি তেওঁৰ নতুন কোঠাটো দেখুৱাই দিবলৈ কলে। শৰ্মা পুনৰ জেলৰ ভিতৰলৈ সোমাই আহিল।

পুনৰ তেওঁ জেলৰ ভিতৰলৈ সোমাই আহিছিল খবৰটো শুনাৰ পাচত। সুদীৰ্ঘ তিনিটা বছৰৰ তেওঁ কাৰাবাসী জীৱনত সুদূৰ চিলেট জেলৰ পৰা তেজপুৰ জেল পৰ্যন্ত কত বিচিত্ৰ মানুহ লগ পালে, কত বিচিত্ৰ পৰিস্থিতিৰ সতে মুখামুখি হ'ল। দুৰ্ধৰ্ষ অপৰাধী, দেখিলেই বেথা লগা অথচ তলে তলে জঘণ্য নিৰ্মম হত্যাকাৰী নৰপশু, নিৰীহ কয়েদী আৰু কয়েদীৰ দৰেই মুক্তিৰ সুৰুঙা বিচাৰি ফুৰা চৰকাৰী বিষয়া, চৰতে জেলখটা ৰাজনৈতিক নেতা এনেদৰে কত বিচিত্ৰ মানুহৰ সতে তেওঁৰ চিনাকি হৈছিল। ফাঁচী হোৱাৰ হুকুম পাইও একেবাৰে নিৰুদ্বিগ্ন, নিৰ্লিপ্ত, নমস্য দেশপ্ৰেমিক এজনৰ লগত চিনাকি হৈ এদিন তেওঁ প্ৰথম জীৱনৰ এটা অতিশয় জ্বলন্ত সত্যৰ সতে মুখামুখি হৈছিল।

অলপ আগতে তেওঁ খালাচৰ হুকুমটো পোৱাৰ লগে লগে তেওঁৰ মনত এই স্মৃতিবোৰে জুমুৰি দি ধৰিছিলহি। জেলৰ ভিতৰখন নিজৰ আপোন ঘৰৰ ভিতৰখনৰ দৰে আজন্ম চিনাকি যেন লাগিছিল। তেওঁ শেষবাৰৰ কাৰণে চিনাকিসকলৰ পৰা বিদায় লৈ যেতিয়া জেলৰ পৰা একেবাৰে ওলাই আহিছিল, মনটো বৰ বিমৰ্ষ হৈ পৰিছিল। ভৰি দুটা আগলৈ নচলিব যেন লাগিছিল।

দুপৰীয়া তেজপুৰৰ চহৰৰ মাজে মাজে গৈ থাকোতে একো একোটাইঁত মুহূৰ্তত ৰ'দবোৰ জোনাক জোনাক যেন লাগিছিল। চাৰিওপিনে এন্ধাৰত বাট-পথ একোকে নেদেখা যেন লাগিছিল।

সৰভোগ ষ্টেচনত ৰেলৰপৰা নামি জয়ধ্বনি দি বৈ থকা ডেকা জুমৰ মাজত যেতিয়া সোমাই পৰিছিল তেতিয়াহে তেওঁৰ মনটো ঘৰখন চাবৰ কাৰণে উদগ্ৰীৱ হৈ পৰিছিল।

ঃ দাদা, ইয়াৰ পৰা চিধা আপুনি স্কুলত যাব লাগিব।

মহাজনৰ পুতেকৰ কথাষাৰ শুনি তেওঁ কলে—

ঃ মোক ল'ৰা-ছোৱালীকেইটা চাবলৈ দিয়া না। তোমালোককতো লগ পালোৱেই। আৰু ইমান লেতেৰা জেতেৰা লাগিছে, গাটোও অকণ তিয়াই আহোঁ।

ঃ নবৌহঁত স্কুলতে বৈ আছে। বাইজো আছে বৈ। দুই মিনিট দেখা দিয়ে যাবগৈ।

শৰ্মাই দুনাই আপত্তি নকৰিলে। ডিঙিৰ আদৰণি জনোৱা নাৰ্জিফুলৰ মালাকেইডাল খুলি ললে। গোন্ধটো বৰ পৱিত্ৰ পৱিত্ৰ লাগিল। তিনিবছৰ আগৰ সেই পুতিগন্ধময় চেলটোৰ দুৰ্গন্ধটো সেই মুহূৰ্তত চাৰিওপিনে তেওঁৰ নাকত সোমাবলৈ চেলু বিচাৰি বৈ থকা যেন লাগিল।

স্কুলত বাইজৰ হুলস্থুলত কাষ চাপিব নোৱাৰি দূৰৰ পৰাই চুচুক-চামাক কৈ এচুকত বৈ থকা পত্নী আৰু ল'ৰা-ছোৱালী কেইটালৈ চালে। তাহাঁতক সুস্থ, নিৰ্বিঘ্ন দেখি তেওঁৰ মনটো ফৰকাল হৈ পৰিল।

অজ্ঞাতবাস আৰু কাৰাবাসৰ সুদীৰ্ঘ যন্ত্ৰণাময় কালছোৱাত জমি জমি গোট মৰা মনৰ গ্লানিবোৰ মুহূৰ্তৰ ভিতৰতে গলি শেষ হৈ গৈছিল তেওঁৰ। তেওঁ মনে মনে পুলকিতো হৈ পৰিছিল বিশেষ কেইজনমানক তেওঁক সম্বৰ্দ্ধনা জনাবলৈ অহা দলটোৰ মাজত দেখি। সেই মাষ্টৰজনো আছিল তাৰ মাজত। তেওঁ গহীন গম্ভীৰ হৈ বক্তৃতা দিয়াৰ ভংগীত কৈছিল যে, শৰ্মাই ৰৰনগৰৰ মুখ উজ্জ্বল কৰিলে। স্বাধীনতা সংগ্ৰামত একেলগে ইমান দীৰ্ঘদিন কাৰাবাস বৰণ কৰা কৰ্মী ৰাজ্যৰ ভিতৰত তেৱেঁই প্ৰথম। আনকি মহেন্দ্ৰ হাজৰিকাও তেওঁৰ আগতে খালাচ পাই আহিছে। মাষ্টৰৰ মতে শৰ্মাই প্ৰাচীন কংগ্ৰেছী কিছুমানৰ দৰে 'জেলফেৰৎ' বুলি উপাধি লব পাৰে। এইযাৰ কথা অৱশ্যে মাষ্টৰে ধেমালিতে কৈছে বুলি প্ৰকাশ কৰিলে।

মুঠতে সম্বৰ্দ্ধনা সভাখন হাঁহি আনন্দৰ মাজেদি পাৰ হৈ গৈছিল। শৰ্মাই ঘৰলৈ অহাৰ বাটত পত্নী আৰু ল'ৰা-ছোৱালী যদিও লগে লগে আহিছিল, তেওঁলোকৰ লগত ঘনিষ্ঠভাৱে এষাৰ কথা কোৱাৰ সুযোগো পোৱা নাছিল।

ঘৰলৈ আহিও ডেকা ল'ৰাবোৰে পিছ নেৰা দেখি তেওঁ নিজেই কলে যে, তেওঁৰ ৰব ভাগৰ লাগিছে, গা-পা ধুই ভাতকিটা খাই ভালদৰে দুঘণ্টামান জিৰাব লব। অগ্নিজয় আছিল, দুর্গেশ্বৰো আছিল। দুয়ো কথাটো বুজি, ডেকা ল'ৰাইঁতক উলিয়াই লৈ গ'ল। আৰু তেতিয়াহে শৰ্মাই পত্নীৰ পিনে, ল'ৰা-ছোৱালীকেইটাৰ পিনে মনোযোগ দিয়াৰ সুযোগ পালে—

ঃ কোৱাচোন খবৰ-তবৰ।

ঃ খবৰ আকৌ আপুনি নজনা কি আছে? ঘৰখনত মুৰী মানুহজন আজি এই তিনিটা বছৰে নাই। তাতকৈ ডাঙৰ খবৰ এইখন ঘৰৰ কাৰণে আৰু কি থাকিব পাৰে?

মানুহজনীৰ এই তিনিটা বছৰতে দহবছৰতকৈও বেচি বয়স বাঢ়ি যোৱা যেন দেখা গৈছিল। শিশুকেইটাৰো মুখৰ শিশুসুলভ কমনীয়তা প্ৰায় নোহোৱা হৈছিল। তেওঁ সন্তৰ্পণে কেউটিৰে মুখলৈ চাই ললে খন্তেক। বুকুখন ঠেলি হেঁচি এটা দীৰ্ঘশ্বাস ওলাই আহিল।

ঃ এসময়ত তো মই আপোনাক ঘুৰাই পোৱাৰ আশাকে এৰি দিছিলোঁ; এদিন শুনো কোচবিহাৰত, এদিন শুনো ছত্ৰশালত, এজনে কলে আকৌ সোনাহাটলৈ গ'ল বুলি। এদিন আকৌ আন এজনে কলে ঘৰিয়াল দাঙানে ক'ত দেখা বুলি।

পত্নীয়ে হাঁহি হাঁহি কলে যে কাৰ কোনটো কথা তেওঁ বিশ্বাস কৰিব। এদিন আকৌ বৰনগৰৰ বজাৰত শুনিলে যে, বৰমহাদেৱত দুদিনমান আছিল, তাৰ পৰা কলিকতাৰ ডকাইতৰ দল এটাই পাই তেওঁক কলিকতালৈ লৈ গ'ল।

ঃ মইতো শুনি চৰগ পৰা মানুহৰ দৰে হলোঁ। ৰমণীইঁতক কলোঁ, সিহঁতেতো কলে, যাব পৰা হব কলিকতালৈ, কিন্তু লাভ কি হব। তাত ঠাকুৰক বিচৰা আৰু খেৰৰ মেজিত বেজি এটা বিচৰা একেই কথা।

ঃ তুমি শুনা কথা প্ৰায়বোৰেই সঁচা। মাত্ৰ এটাত বাদে।

ঃ কোনটো বাৰু?

: সেইটো ডকাইতৰ দল নাছিল। সেইটো আছিল সমাজৰ অন্যায়-অবিচাৰৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰাম কৰা লোকৰ এটা গোপন বাহিনী। বাকু এতিয়া সেইবোৰ বাদ দিয়া।

: মই ভাত বাঢ়ি থৈছোঁৱেই। আপুনি গাটো তিয়াই আহিলেই হ'ল। আপোনাৰ গাৰ আৰু বাকচৰ কাপোৰ-কানিবোৰ উলিয়াই দিয়ক। ধুই দিওঁ। কৰবাত কিবা দৰকাৰী কাগজ-চাগজ থাকিব পাৰে, নিজে উলিয়াই দিয়ক।

গা-পা ধুই, ভাতকিটা খাই শৰ্মাই বাগৰ দিছেহে এনেতে তেওঁৰ তিনিবছৰৰ আগতে সেই ঘঁাটি অলোৱাৰ পাচদিনা আধৰুৱা কৰি থৈ যোৱা কাম এটাৰ কথা হঠাৎ মনত পৰাত পত্নীক সুধিলে—

: হেৰা, পুখুৰীত পেলাই থোৱা চাইকেলখন কামাৰ গাঁৱৰ মানুহটোৱে নিলেনে ?

: নিলে আকৌ। মানুহজন দেখোন আপোনাৰ পিচে পিচেই আহিছিল।

: কালিলৈ জিৰণি লৈ পৰহিৰ পৰা গাঁওবোৰ ঘূৰিব লাগিব। এবাৰ বিশ্বনাথবাবুৰ ভালৈকো যাব লাগিব। তেৱেঁই মোক ভৰ বাৰিষাৰ মানাহ নৈ পাৰ কৰাই একেবাৰে বৰঘোলাত থৈ আহিছিল। এন্ধাৰ ৰাতি, তাতে বৰষুণ, কি যে কষ্ট কৰিছিল মোৰ কাৰণে বেচেৰা !

: আৰু বৰ্চনগাঁৱতো গৈ আহিব।

: বাপ্‌, বৰ্চনগাঁৱত নোযোৱাকৈ থাকিমনে ? চক্ৰৱৰ্তীয়ে মোৰ হৈ যি স্বাৰ্থত্যাগ কৰিলে, জেলৰ ভাত পৰ্যন্ত খাবলগীয়াত পৰিল কেৱল মোক আশ্ৰয় দিয়াৰ অপৰাধত। তেওঁক মই দেখা নকৰাকৈ পাৰোনে। আৰু বুজিছা, মই এটা বৰ লাগতিয়াল কথা শিকিলোঁ—

তেওঁ তেওঁৰ অজ্ঞাতবাসৰ স্মৃতি ৰোমন্থন কৰি কৈ গ'ল, কিদৰে ভিতৰুৱা গাঁৱৰ সাধাৰণ দুখীয়া মানুহবোৰৰ মনবোৰ শিক্ষিত আগবঢ়া চামৰ মনবোৰতকৈ পবিত্ৰ আৰু নিৰ্ভৰযোগ্য।

সেই দিহিঙে দিপাঙে ঘূৰি ফুৰা দিনবোৰত নানান সমস্যাৰ ভিতৰত এটা বৰ স্পৰ্শকাতৰ সমস্যাৰ তেওঁ সন্মুখীন হৈছিল। সেয়া হ'ল ৰাতিটোৰ

কাৰণে অকণ আশ্ৰয়। প্ৰথমছোৱা আছিল বৰষুণ বাদলৰ দিন, তেওঁৰ অতিক্ৰমণৰ পথ আছিল অৰণ্যকীৰ্ণ। গতিকে ৰাতিৰ এন্ধাৰ আহি পৰিলেই তেওঁৰ চিন্তা হৈছিল অকণ আশ্ৰয়স্থল যোগাৰ কৰি লোৱাৰ। এই ক্ষেত্ৰত প্ৰতিমুহূৰ্তে তেওঁ সন্দিগ্ধ হৈ পৰিছিল; অতি সংকোচবোধ কৰিছিল। কিয়নো বৰনগৰৰপৰা আহিয়েই তেওঁ মানাহ নদী পাৰ হৈ আহি এঘৰ আপোন মানুহৰ তাত মাত্ৰ এটা ৰাতিৰ বাবে আশ্ৰয় বিচাৰিছিল। তেওঁ একৰকম নিশ্চিত হৈয়ে বিচাৰিছিল। তেওঁ ভবাই নাছিল যে তেওঁ নিজৰ মানুহৰ দ্বাৰা ইমান নিৰ্মমভাৱে প্ৰত্যাখ্যিত হ'ব।

সেই দিনাৰপৰা এন্ধাৰ হৈ অহা দেখিলেই নিজকে একেবাৰে নিঃসহায় নিৰালম্ব যেন অনুভৱ কৰিছিল।

এবাৰ আকৌ ঘৰিয়ালদাঙাত। এঘৰ বেচ আঢ্যৱন্ত সম্ভ্ৰান্ত মানুহ। ৰাতিটোৰ কাৰণে আশ্ৰয় বিচাৰি গৈছিল। আচলতে তেওঁ নিজে যোৱা নাছিল। তেওঁক লৈ গৈছিল তেওঁৰ পথ-প্ৰদৰ্শক স্থানীয় লোক এজনে। গৃহস্থ শিক্ষিত লোক। জানেই ব্ৰজ শৰ্মাৰ বুৰঞ্জী। গতিকে চাফাচাফি কৈ দিলে যে, ৰাজদ্ৰোহীৰ বাবে তেওঁৰ ঘৰৰ চাৰিসীমাৰ ভিতৰত আশ্ৰয় দিয়াৰ প্ৰশ্নই নুঠে।

ওচৰতে নঙলামুখত বৈ এজন গৰীব কৃষকে উৎসুক হৈ শুনি আছিল তেওঁলোকৰ কথাবতৰা। সম্ভ্ৰান্ত মানুহ ঘৰৰপৰা ব্ৰজ শৰ্মাইঁত ওলাই অহাৰ লগে লগে কৃষক গৰাকীয়ে লগধৰি কলে—

: যদি আমাৰ তাত থাকিবলৈ ঘিণ নকৰে আমাৰ ঘৰত আপোনাৰ যিমানদিন মন যায় থাকিলে নিজকে পৰম সৌভাগ্যবান বুলি ভাবিম। ঈশ্বৰে দিয়া চাউল কঠাৰ বাবে মোৰ কোনো চিন্তা নাই। কিন্তু শুবলৈ মোৰ তাত খাট নাই। আমি মাটিতে শোওঁ। ধানৰ খেৰ ডাঠকৈ পাৰি দিম। তাতে যদি শোৱে?

মানুহজনৰ কথা শুনি শৰ্মাৰ হেনো অসম্ভৱ লাজ লাগিছিল। তেনে সাধাৰণ মানুহ এজনৰ সৌজন্যৰ সুযোগ লবলগীয়া হোৱাৰ কাৰণে নহয়, তেওঁৰ লাজ লাগিছিল সম্পূৰ্ণ বেলেগ এটা কাৰণতহে। সেই সাধাৰণ

ব্যক্তিজনৰ অন্তৰৰ বিশালতা দেখি নিজকে তেওঁৰ একেবাৰে নগণ্য যেন লাগিছিল।

এই কথাবতৰাবোৰ আলোচনা কৰি থাকোতেই বাহিৰত যে ৰ'দ একেবাৰে নিস্তেজ হৈ আহিছিল তেওঁৰ গমেই নাছিল। এনেতে চোতালত তেওঁৰ বন্ধু পাটগিৰিৰ মাত শুনি শৰ্মা ঠহমহ কৰি উঠি বাহিৰলৈ ওলাই আহিল।

: পাটগিৰি দেখোন ? কেনেকে ওলালহি ?

: চাইকেলখন আছেই নহয়। আপোনাৰ পিচে বাচন-বৰ্তন, শোৱা খাট-তাটৰ যোগাৰ আছে নে নাই ? চব ক্ৰোক কৰিছিলতো চৰকাৰে।

: চব ঘূৰাই নাপালো। কিন্তু আছে। অসুবিধা পোৱা নাই।

: বাপ্, এটা বৰ ডাঙৰ দুৰ্যোগ গ'ল দেই।

: আপোনাৰ ল'ৰাটো ?

: তাক কলেজত নাম লিখি দিয়ালোঁ। জেলৰপৰা খালাচ পায়েই আকৌ পঢ়াত ধৰিছে। ডাইৰেক্ট একৃচন ডেৰ পৰাই বেঙ্গলত আকৌ বৰ বেয়াকৈ সাম্প্ৰদায়িক সংঘৰ্ষ আৰম্ভ হৈছে। সেইটোহে চিন্তাৰ কাৰণ হৈ পৰিছে।

: আমাৰ কুতুছ খাঁৰ কি হ'ল ?

: চব গুজৰ আছিল। এতিয়া চব থাণ্ডা। অসমত সাম্প্ৰদায়িক কাজিয়া নালাগে। সেই সময়তে শ্বাদুল্লা চাহাবৰ দিনত অ'ত ত'ত যি-তি অজুহাত লৈ হিন্দু-মুছলমানৰ দুই-এখন কাজিয়া হৈছিল যদিও সেয়া স্থান-বিশেষে বা কাৰণ-বিশেষে সীমাৱদ্ধ আছিল। বৰদলৈয়ে শাসনভাৰ লোৱাৰ পাচত সেয়াও নাই।

: আপুনি এবাৰ শ্বিলঙৰপৰা গৈ নাহে কিয় ? প্ৰতিজন নেতাকেতো আপুনি জেলত লগ পাইছিল। আপোনাসকলৰ কষ্টোপাৰ্জিত নেতৃত্বই অসমৰ বাইজৰ আশা-আকাঙ্ক্ষা কিদৰে পূৰণ কৰিবলৈ ওলাইছে তাৰ অন্ততঃ ধাৰণা এটা কৰি লব পাৰিব। আপোনাৰ এই ক্ষেত্ৰত অৱদান কোনো নেতাতকৈ কম নহয়। গতিকে চাই আপোনাৰ ভালো লাগিব।

: সেইবোৰ বাদ দিয়ক। আমাৰ গ্ৰুপিঙৰ সমস্যাটো কি হ'ল? আমাৰ তো এতিয়া নিজৰ মানুহেই প্ৰধানমন্ত্ৰী। অসম কি বেঙ্গলৰ লগত থাকিব?

: আমাৰ মহেন্দ্ৰ চৌধুৰীক পঠাইছেতো মহাত্মাক লগ ধৰিবলৈ। অ, আপুনি শুচি যোৱাৰ পাচত আমাৰ মজুমদাৰ, বলাই সেনহঁতৰ লগতে চৌধুৰীকো গ্ৰেপ্তাৰ কৰিলেতো পুলিচে সৰভোগৰ অগ্নিকাণ্ডৰ অপৰাধত।

: মই জানো। ভাবিলে সঁচাকে বৰ অনুশোচনা হয়। বাৰু এটা কথা ভাবি চাইছেনে? চি গ্ৰুপিঙত গলে আমিতো কোনেও নাবাচিম। মাৰাত্মক বিপৰ্যয় হ'ব। অসম শেষ। চব বঙালীৰ ৰাজত্ব।

: কিন্তু বঙালী শৰৎ বসু আৰু শ্যামাপ্ৰসাদ মুখাৰ্জীয়ে তো অসমক আৰু গোপীনাথ বৰদলৈক সমৰ্থন কৰিছে। অসমক চি গ্ৰুপিঙত সাঙোৰাৰ বিৰোধিতা কৰিছে। আৰু শৰ্মা, মই আপোনাক এটা কথা কৈ থলোঁ। অসমক এই সমস্যাত কোনে আটাইতকৈ বেছি সহায় কৰিব জানে?

: কোনে বাৰু?

: জিন্না চাহাবে। তেওঁ মিছনৰ প্ৰোপোজেল উৰাই দিব। অসম শেষত বাচি যাব।

: কি কয় হে? জিন্নাই বচাব?

: লিখি লওক, মই কৈ থলোঁ।

অলপ থমকি কথাৰ মোৰ ঘূৰাই পাটগিৰিয়ে কলে—

: মই যাওঁ দিয়ক। বহু দেৰি বহিলোঁ। কিবা অসুবিধা হলে কব।

তেওঁ যোৱাৰ পাচত শৰ্মাৰ মনটো অলপ বিষণ্ণ হৈ পৰিল। মহেন্দ্ৰ চৌধুৰীক পুলিচে গ্ৰেপ্তাৰ কৰাৰ কথাটো পাটগিৰিয়ে বিদৰে কলে, কোৱাৰ ধৰণটো শৰ্মাৰ ভাল নালাগিল। হয়তো বাইজৰ শৰ্মাৰ আচৰণলৈ অলপ ক্ষোভ আছে। তেওঁ অৰণ্যে অলপ পাচতে মনক প্ৰবোধ দি

ভাবিলে যে মানুহবোৰ লগ পালেই মানুহৰ সাধাৰণ প্ৰতিক্ৰিয়া বুজিব পৰা হ'ব।

পিচদিনাৰপৰা অঞ্চলটোত অকণ ঘূৰি লোৱাটো ভাল হ'ব বুলি ভাবি তেওঁ আকৌ বিছনাত দীঘল দি ললে।

পথুলি কোনোৱা কোনোবাই খবৰ লবলৈ আহিব পাৰে বুলি তেওঁঃ উদগ্ৰীৱ হৈ বৈ আছিল। কিন্তু শেষ পৰ্যন্ত কোনো নাহিল।

সেইদিনাও তেওঁৰ ওচৰলৈ কোনো অহা নাছিল। ইমান দিনৰ পৰাধীনতাৰ শৃংখল ছিগি দেশে মুক্তিলাভ কৰাৰ দৰে মহত্বপূৰ্ণ এটা উৎসৱ-আনন্দৰ দিনত তেওঁ ঘৰতে শুই বহি অকলে আমন জিমনকৈ কটাই দিছিল।

তেওঁ ভাবিছিল, এই দিনটোত অন্ততঃ মানুহে তেওঁক গুৰুত্ব দিব, গুৰুত্ব নিদিলেও অন্তঃত তেওঁৰ কথা নাপাহৰিব। কিন্তু ক'তা? এজন মানুহো তেওঁক এবাৰ মাত লগাবলৈকে নাহিল। উৎসৱ-আনন্দৰ মুখৰতাত সকলোৱে পাহৰি গ'ল তেওঁৰ কথা।

শ্বিলঙলৈ গৈও তেওঁ তাৰ কাণ্ড দেখি হৃতোদ্যম হৈ উভতি আহিছিল। তাত তেওঁ দেখিছিল যিবোৰ মানুহে বৃটিছ চৰকাৰৰ পদলেহন কৰি মুক্তি-যোদ্ধাসকলৰ বিৰুদ্ধে কাম কৰিছিল সেইবোৰ মানুহেই কংগ্ৰেছ চৰকাৰ-খনৰো বিশ্বাসভাজন অনুগামী হিচাপে পৰম আস্থাৰ পাত্ৰ হৈ পৰিছে। শৰ্মাৰ মনত পৰিছিল অজ্ঞাতবাসত লগ পোৱা ৰেডিকেলিষ্ট কৰ্মী কালিকা ভাদুড়ীৰ কথা কেইটা। তেওঁ প্ৰায়ে কৈছিল—

ঃ ব্ৰজবাবু, দেশেৰ স্বাধীনতাৰ কোনো মানে হয় না, যদি দেশেৰ মানুহ স্বাধীন হয় না। আপনাৰা যে স্বাধীনতাৰ জন্য লড়ছেন সেটা হলো প্ৰভু বদলানো।

ৰাতি তেওঁৰ খাবলৈ মন নগ'ল। পত্নীয়ে নিশ্চয় তেওঁৰ মনৰ অৱস্থা বুজিছিল। গতিকে জোৰ নকৰিলে। তেওঁ তাৰ সলনি বহুদিন অব্যৱহাৰ্য হৈ পৰি থকা হাৰ্মোনিয়মতো উলিয়াই আনি শৰ্মাৰ সন্মুখত থলেহি। শৰ্মাই পত্নীৰ মুখলৈ সপ্ৰশ্ন দৃষ্টিৰে চোৱা দেখি তেওঁ একেবাৰে স্বাভাৱিক স্বৰত কলে—

ঃ আপুনি বহুদিন ৰবীন্দ্ৰসংগীত গোৱা নাই। ল'ৰা-ছোৱালী কেইটাই কৈছে আজি সিহঁতেও গাব হেনো আপোনাৰ লগত।

ইমান দুখতো পত্নীৰ অনুযোগ শুনি তেওঁ হাঁহিলে। তেওঁৰ মনত পৰিল ল'ৰা-ছোৱালী কেইটা অকণ অকণ থাকোতে নিতউ চোতালৰ তুলসীজোপাৰ তলত চাকি জ্বলাইছিল আৰু তেওঁ সিহঁতক গোৱাইছিল ৰবীন্দ্ৰনাথৰ সেই গীতটো—

প্ৰদীপ জ্বলে নিতি তুলসী তলায়।

তোমাৰি নামে প্ৰিয় সন্ধ্যে বেলায়॥

এই মুহূৰ্তত তেওঁ বাৰু কি গাব? কোনটো গীত? চিন্তা কৰোতেই মনলৈ আহিল জীৱনৰ বিগত দিনবোৰৰ বহুত স্মৃতিৰ মিছিল। তেওঁ কিবা এটা নতুন কৰি প্ৰতিবাৰে ভাবিছিল যে সমাজক তেওঁ অন্ততঃ নতুন কিবা এটা দিব পাৰিছে। কিন্তু শেষত তেওঁৰ উপলব্ধি হৈছিল যে, তেওঁৰ অৱদান যাৰ কাৰণে, তেওঁলোকে তাত কোনো গুৰুত্ব আৰোপ কৰা নাই। বৰঞ্চ বাৰে বাৰে তেওঁ গৰিহণাৰ পাত্ৰ হৈছে। নিন্দিত হৈছে বাৰে বাৰে—

যতবাৰ আলো জ্বালাতে চাই

নিভে যাই বাৰে বাৰে—

অন্তৰৰ নিভৃত কোণত হঠাৎ অনুৰণিত হৈছিল ৰবীন্দ্ৰসংগীতৰ এই কলিটো। আপোন মনে তেওঁ গাই গৈছিল। পত্নী আৰু ল'ৰা-ছোৱালী কেইটা এসময়ত গভীৰ টোপনিত পৰিছিল। তেওঁ কিন্তু গাই গৈছিল ইটোৰ পাচত সিটো ৰবীন্দ্ৰসংগীত। দেশমাতৃৰ মুক্তিৰ সেই মহান দিনটোক যেন সংগীতৰ অৰিহণাত বাদে তেওঁৰ দিব পৰা একোৱেই নাছিল।

পাচদিনা পুৱাতে সাৰ পাই উঠিয়ে পত্নীয়ে শৰ্মাৰ মুখত যিবাৰ কথা শুনিছিল তেওঁ বিমূঢ় হতবাক হৈ শৰ্মাৰ মুখলৈকে চাই আছিল। শৰ্মাই হাঁহি সহজ হবৰ চেষ্টা কৰি পুনৰ সুধিলে—

: সঁচাকে সুধিছোঁ, তোমাৰ হাতত পইচা কিমান আছে?

: আছে তিনিশমান। কিয় বাৰু?

: লাগে। মই কি ভাবিছোঁ জানা? নতুন দিন, নতুন মানুহ আহি পৰিছে। তাত মোৰ দৰে মানুহৰ স্থান যে হব, সন্দেহ। গতিকে

ভাৱিছোঁ, অকমান ব্যৱসায়তে হাত দিওঁ। ল'ৰাটোৰ কাৰণে কিবা এটা সংস্থান হৈ যাব পাৰোৱেই জানোছা? বাইজৰ বাবে অযোগ্য হলোঁ। যেতিয়া, নিজৰ কামকে কৰোঁ।

শৰ্মাৰ মুখলৈ পত্নীয়ে ৰহস্যময় দৃষ্টিৰে চালে। আৰু স্বাভাৱিক প্ৰসন্নতাৰে ক'লে—

: আপুনি চাগে' ৰামায়ণৰ লক্ষ্মণৰ কথা পাহৰি গৈছে। আপুনিয়েতো কৈছিল ডেকা ল'ৰাবোৰৰ আগত। লংকা-বিজয় কৰি অযোধ্যাক ক্ষমতাৰ উচ্চতম শিখৰত প্ৰতিষ্ঠা কৰাত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল লক্ষ্মণে। লংকা-বিজয় আৰু সীতা উদ্ধাৰৰ আনন্দত অযোধ্যাবাসী যেতিয়া মতলীয়া লক্ষ্মণৰ কথা সেই সময়ত কোনেও মনত ৰখা নাছিল।

: মোৰ কথাবোৰ যে তুমি ইমান ভালদৰে মনত ৰাখিবা মই ভবাই নাছিলোঁ। তুমি আৰু এটা কথা মনত ৰাখিবা।

: কোনটো?

: মই যে কালিকা ভাদুড়ীয়ে কোৱা বুলি কৈছিলোঁ কথা এটা। মানুহৰ মুক্তি অবিহনে দেশৰ মুক্তিৰ কোনো অৰ্থ নাই। পিচে বাদ দিয়া সেইবোৰ কথা। তুমি বস্তু-তস্তুবোৰ ঠিকঠাক কৰা। মই কালিলৈ যাত্ৰা কৰিম।

: কেনি?

: সৰভোগৰ সেই কেঞা মহাজনটো যে আছে, সি মোক এটা বুদ্ধি দিছে। চাওঁচোন কিমান কাৰ্যকৰী কৰিব পাৰোঁ। সম্ভৱতে মই কোচবিহাৰলৈ যাম।

: আপুনি চৰলৈকে গৈ আছিল; কিন্তু বৰপেটালৈ চোন এবাৰো নগ'ল?

: যাবা কোনটো সতে। গলেই ভাবে মই কিবা এটা সুবিধা লবলৈ গৈছোঁ। শ্বিলঙত ভালেই হে মই এদিন থাকিয়ে ঘূৰি আহোনে? মানে সিহঁতৰ আচৰণ দেখি, কথা কোৱাৰ ধৰণ-কৰণ দেখি মোৰ দম বন্ধ হৈ যাব খোজে। মই যেন কিবা ভিক্ষাৰ পাত্ৰ লৈহে সিহঁতৰ ওচৰলৈ গৈছোঁ।

পত্নীয়ে গা-পা ধুই চাহব যোগাৰ কৰি শৰ্মালৈ বুলি লৈ যাওঁতেই বাহিৰত কাৰোবাৰ মাত শুনিলে। ইমান পুৱাতেনো কোন আহিল বুলি খিৰিকীৰে চাই দেখিলে। তেওঁৰ হাতৰ পৰা চাহৰ গিলাচ পৰি যাব ধৰিছিল বাহিৰত মানুহজনক দেখি। এজন সুন্দৰ সুঠাম ডেকা মানুহ, ধুনীয়া কাপোৰ-কানি পিন্ধি, মূৰৰ গান্ধী টুপীটো নঙলাৰে সোমাই অহাৰ লগে লগে খুলি হাতত লৈ চোতালত 'শৰ্মা শৰ্মা' বুলি মাত দি ইতস্ততঃ কৰি বৈ আছিল।

ব্ৰজ শৰ্মাই ভিতৰৰ পৰা মাত দিছিল—

ঃ কোন ?

ঃ মই, গোস্বামী।

ঃ গোস্বামী মানে কোন গোস্বামী বাৰু ?

বুলি কৈ তেওঁ ঘৰৰ ভিতৰৰ পৰা ওলাই আহিল। বিৰক্তি আৰু কৌতুহলে তেওঁৰ প্ৰশ্নবাৰত উদ্বেগৰ স্পৰ্শ আনি দিছিল।

পত্নীৰ প্ৰশ্নবাৰত ইমান উদ্বেগ আছিল যে, শৰ্মাৰ হাঁহি উঠি গৈছিল। তেওঁ হাঁহি হাঁহিয়েই ক'লে—

: তুমি যেনেকুৱা খনহে কৰিছা যেন মই ইলেকশ্যনত হবাৰ লগে লগে আমাৰ পৃথিৱীখন শেষ হৈ গ'ল।

: আপুনি কংগ্ৰেছ এৰি যোৱাই বেয়া হ'ল নেকি ?

: কিন্তু কংগ্ৰেছলৈ কোনবোৰ মানুহ আহিল, কোনবোৰে গুৰুত্ব পোৱা হ'ল দেখিলাই নহয়! মই সেই দেখিহে গোস্বামীৰ কথাত পতিয়ন গৈ চ'চিয়েলিষ্টত যোগ দিছিলোঁ। চ'চিয়েলিষ্টৰ আদৰ্শ বেয়া নহয়। বৰঞ্চ মই যিটো কৰাৰ কথা ভাবিছিলোঁ, সেইটো এই আদৰ্শৰ লগত একেবাৰে মিলি যায়। গতিকে সেইদিনা গোস্বামী আহি সেই পাৰ্টিত যোগ দিবলৈ কোৱাৰ লগে লগে মই মান্তি হৈছিলোঁ।

: মান্তিতো হলেই। এই চিটটোও দিলে। কিন্তু ৰাইজেতো আপোনাক ভোট নিদিলে।

: ভোট পোৱা-নোপোৱাৰ ৰহস্য আছে বহুত। হয়তো কেন্দ্ৰীয় কমিটিয়ে মোক হৰাটোকে বিচাৰিছিল। কিয়নো সেইপিনৰপৰা মোৰ কাৰণে কোনো ধৰণৰ সহায় নাছিল। ৰাজনীতি ইমান জঘন্য আৰু জটিল যে আমাৰ দৰে সাধাৰণ নৰমনিচৰ কাৰণে সি অতি দুৰ্বোধ্য।

: তেনেহলে এতিয়া কি কৰিব ? ব্যৱসায় কৰিলে, তাতোতো লোকচানৰ উপৰি লোকচান।

: ৰবাচোন কিছুদিন বহি লওঁ। জীৱনত হাৰিলোঁতো বহুত। নতুন কিবা এটা কৰিবলৈকে সাহস নোহোৱা হৈ পৰিছে। জিৰাই লৈ অকণ শক্তি আৰু সাহস দুয়োটাকে সঞ্চয় কৰোঁ।

: পাৰ্টি-চাৰ্টি এৰক। ৰাজনীতি নকৰিলেও চলিব আমাৰ। বহক কেইদিনমান ঘৰতে। আমাৰো ভাল লাগিব।

শৰ্মাই স্নেহেৰে পত্নীৰ পিনে চালে। তেওঁ তাত বৈ থকা নাছিল। কথাবাৰ কৈয়ে ভিতৰলৈ সোমাই গৈছিল। শৰ্মাৰ মনটোত হঠাৎ এটা উলাহ অনুভৱ কৰিছিল। কিয়নো আজি বহুদিন কোনেও তেওঁৰ সান্নিধ্য যে ভাল লাগে এনে এষাৰ কথা কোৱা নাছিল। অদ্ভুত প্ৰশান্তি এটা আহি গৈছিল মনলৈ।

তেওঁ চোতালৰ মাজত চকীখন লৈ বহি ললে। গোটেই ঘৰখন সেই মুহূৰ্তত তেওঁৰ একান্ত নিজস্ব যেন লাগিল।

ৰ'দজাক টান হোৱাৰ লগে লগে তেওঁ চকীখন ঘৰৰ ছাঁ লৈ টানি ললে। আৰু চোতালত যেতিয়া ছাঁ নোহোৱা হৈ পৰিল, তেওঁ ঘৰৰ পিচপিনে নদীলৈ যোৱা বাটৰ কাষত বহি লৈছিল। বেকী নইৰ ওপৰত আকাশত অকলশৰে এটা শগুণ উৰি ফুৰিছিল। তাৰ ঠিক তলতে আছিল সেই মিলিটাৰী ঘাঁটিৰ ঠাইখিনি, য'ত দহ বছৰৰ আগতে এদিন মাজনিশা এটা প্ৰলয়ংকৰী কাণ্ড ঘটিছিল। আৰু সেই কাণ্ডৰ নায়ক আছিল তেওঁ নিজে।

সেইপিনে চাওতে তেওঁ দহবছৰৰ আগৰ সেইদিনবোৰৰ কথা ভাবি তন্ময় হৈ পৰিছিল। সেই সময়ত সেই কামটোকে কিমান ডাঙৰ, কিমান মহৎ যেন লাগিছিল! কিমান পুৰুষাৰ্থৰ কথা বুলি ভাবিছিল। যেন সেই কাম সফলভাৱে সম্পন্ন হলেই জীৱনৰ সমস্ত উদ্দেশ্য, সমস্ত লক্ষ্যৰ পৰিসমাপ্তি হব!

তেওঁৰ অকলে অকলে হাঁহিবৰ মন গৈছিল। সেই অন্তঃসাৰশূন্য কথাটোতে ইমান গুৰুত্ব দিয়াৰ কথা ভাবি নিজকে পৰম মূৰ্খ যেন লাগিছিল। সুদীৰ্ঘ সাতটা মাহৰ সেই বৰ্ণনাতীত অজ্ঞাতবাসৰ আৰু সুদীৰ্ঘ তিনিটা বছৰৰ কাৰাবাসৰ দেহ-মনৰ যন্ত্ৰণা তেওঁৰ ব্যক্তিগত জীৱন আৰু মুক্তিৰ আনন্দত বেপৰোৱা সমাজৰ পৰিপ্ৰেক্ষিতত নিচেই তাৎপৰ্যহীন যেন লগা হৈ পৰিল।

আবেলিটো তেওঁ বেকীৰ পাৰত বহি কটাই দিছিল। নদীৰ পাৰত বিস্তীৰ্ণ সেউজীয়া ঘাঁহনি আৰু কহুৱাৰ মাজত গৰুৰ পালবোৰ মেলি দি পৰম নিশ্চিন্ত হৈ ভটাগুটি খেলি থকা গৰখীয়া ল'ৰাবোৰক

দেখি, দূৰৰ পথাৰত আনমনে কাম কৰি থকা খেতিয়কসকলক দেখি তেওঁৰ সককালৰ দিনবোৰলৈ মনত পৰিছিল। ব্যৰ্থতাৰ, অপমানৰ সমস্ত গ্লানি তেওঁৰ মনৰ পৰা আঁতৰি গ'ল।

সেইবাবে এদিন যেতিয়া কলিতাক আন দুজন মানুহক লৈ তেওঁৰ ঘৰৰ পিনলৈ আহি থকা দেখিলে তেওঁৰ ভালেই লাগিল। নগলালৈ আহি কলিতাই মাত লগোৱাৰ আগতেই তেওঁ মাত দিলে—

: আহাঁ আহাঁ কলিতা, বহুদিনৰ মূৰত দেখিলোঁ। আজি পুৰা চৈধ্য বছৰৰ পাচত তোমাক দেখিলোঁ। অলপ খীনাইছা পিচে তুমি।

: বয়সো হ'লতো ঠাকুৰ। তাতে কষ্টত পৰিছোঁ।

: তোমাৰনো কি বয়স হ'ল? কষ্টত অৱশ্যে পৰিবাঁই। যাত্ৰা পাৰ্টি কৰা মানুহ যেতিয়া ঘৰৰ অৱস্থা যে বেয়া হব সেইটো নিশ্চিত। বাৰু কোৱাচোন কিয় আহিলা? এখেতসকল কোন?

: এখেতসকল ক্ষৈৰাক্ষৰা চতুৰ্ভক্ত অপেৰা পাৰ্টিৰ মেনেজাৰ আৰু ডাঞ্চ্ মাষ্টাৰ।

: নামটো বৰ ভাল দিছাহে? কোৱাচোন কি কথা?

: আপুনি আমাৰ পাৰ্টিত যোগ দিব লাগে পৰিচালক হিছাপে।

: মই? আপোনালোকে টিহুৰ যোগেন শৰ্মাক নানে কেলেই? তেখেততো বেচ দক্ষ পৰিচালক। নিজে অভিনয়ো কৰে অনবদ্য। নতুবা ভাগৱতীক আনক। তেখেত অভিনয়, সংগীত দুয়োটা দিশতে পটু।

: গাঁৱৰ বাইজে আকৌ আপোনাকহে বিচাৰিছে ঠাকুৰ।

দুয়োজনৰ ভিতৰত কম বয়সৰ ডাঞ্চ্ মাষ্টাৰজনে কলে। শৰ্মাই তেওঁৰ কথা শুনি কিছুপৰ নিৰৱে থাকিল। হয়তো চিন্তা কৰিলে। তাৰ পাচত বুকুকালি ওলাই অহা হুমুনিয়াহটো চেপি ৰাখি হাঁহি কলে—

: চাওক ভাই, ৰাইজে বিচাৰি মোৰ পৰিচালনাত কৰোৱা বহু কাম কিন্তু শেষত অৰ্থহীন হৈ পৰিছে। আপোনালোকৰ যাত্ৰা পাৰ্টিৰো সেই দশাই হয় নেকি মই গলে?

: হওক, ক্ষতি নাই। ঠাকুৰ আপোনাতকৈ বয়সত ডাঙৰ নহলেও মই সমবয়সী হ'ম। কথা এটা কওঁ যদি দায় দোষ নধৰে।

বয়সস্থ মেনেজাৰজনৰ কথা শুনি শৰ্মাই বৰ আমোদ পালে। আৰু ললালৰিকৈ কলে—

ঃ কওক, কওক। দোষ ধৰিম কেলেই? কওক।

ঃ সেই যে সিংহ আৰু নিগনিৰ সাধুটো? চিকাৰীৰ জালখন নিগনিয়ে কুটিবলগীয়া হোৱাত—সাধুটো শুনিলেই মোৰ নিলাজ মাত এষাৰ শুনা যেন লাগে। জালখন সিংহই ফালিব। আৰু ফালিব যদি নোৱাৰে মৃত্যুবৰণ কৰিব। সাধুটো তেনে হোৱাহে উচিত আছিল।

আমাৰ গাঁৱৰ ওচৰতে আছে এজন পৰিচালক। তেওঁৰ দল ভাঁগি গ'ল। তেওঁতো আহিবলৈ ঠেঙ দাঙিয়েই আছে। বহুতে ভাবিছিলো দূৰলৈ যোৱাতকৈ ওচৰৰ মানুহ লোৱাই ভাল। ময়ে কলোঁ। ললে আমি সিংহ লম, নিগনি নলওঁ।

ঃ সেইবাবেইতো কৈছোঁ। শৰ্মা বা ভাগৱতীক লোৱাৰ কথা।

এইবাৰ কলিতাই মাত দিলে—

ঃ তেওঁলোকৰ নিজ নিজ দল আছে নহয় ঠাকুৰ। আমি গৈছিলোঁ। কিন্তু দলে তেওঁলোকক কোনোপধ্যে এৰি নিদিয়ে।

ঃ সেইবাবে আপোনাৰ ওচৰলৈ আহিলোঁ। ঠাকুৰ। আপুনি এতিয়া আজৰি হৈ আছে। আমাক নিৰাশ নকৰিব।

বয়সস্থ মেনেজাৰজনে ইমান আন্তৰিকতাৰে অনুৰোধষাৰ দোহাৰিলে যে শৰ্মা দোধোৰ মোধোৰত পৰিল।

তেওঁৰ দুই নাৱত দুই ভৰি হ'ল। ইপিনে মেনেজাৰজনৰ আন্তৰিক অনুৰোধ আনপিনে তেওঁৰ পত্নীৰ অনুমোদন পোৱা-নোপোৱাৰ সন্দেহ। মানুহৰ অনুৰোধ তেওঁ সহজে উপেক্ষা কৰিব নোৱাৰে। তাতে বয়সস্থ লোক এজনৰ ইমান আন্তৰিকতাপূৰ্ণ অনুৰোধ। ইপিনে ঘৰখনত অকণ শান্ত, উদ্বেগহীন বাতাৱৰণ এটা আহি পৰিছে ইমান দিনৰ মূৰত। হঠাতে কাম এটা কৰি পত্নীৰ মনত দুঃখ দিলে সেই বাতাৱৰণ পুনৰ খানবান হৈ যোৱাৰ আশংকা আছে। শৰ্মাই দুয়োটা দিশ চিন্তা কৰি সঁচাকে বিমোৰত পৰিছিল।

চিন্তাতে তেওঁ ইমান আনমনা হৈ গৈছিল যে, পত্নীয়ে নিজে চাহ লৈ আহি যে, অতিথি কেইগৰাকীৰ সন্মুখত পৰিৱেশন কৰিছিল ইমানপকে তেওঁ দেখাই নাছিল।

ঃ খাওক আপোনাসকলে। শুদা চাহকে দিলোঁ।

পত্নীৰ কথাত শৰ্মা সজাগ হৈ পৰিল কিন্তু দৃশ্যটো দেখি হতভম্ব হৈ গ'ল। পত্নীয়ে কৃত্রিম ধমক দি কলে—

ঃ মোৰ পিনে ভেবা লাগি চাবলৈ আকৌ কি হ'ল। চাহ খাওা হৈ যাব। আপুনিতো অকণ খাওা হলেই বেয়া পায়।

ঃ হেৰা ৰবাচোন ৰবা। এওঁলোকে মোক ক্ষৈৰাক্ষৰা চতুৰ্ভক্ত অপেৰা পাৰ্টিত পৰিচালক হবলৈ মাতিছেহে।

ঃ যাওক আকৌ মাতিছে।

ঃ নহয়, মানে, তুমি বা কি কোৱা ?

ঃ মই আকৌ কি ক'ম ? আপুনি যিহৰ মানুহ, তাতেই সুযোগ পাইছে। নাযাব কেলেই ? গলে আমি ভালহে পাম। এনেয়ে ঘৰতে শুই বহি কটোৱাতকৈ এখন গাঁৱৰ ৰাইজক কিবা এটা কৰি সহায় কৰিলে যেনিবা।

কলিতা বহুত পৰ নিৰৱ নিৰ্লিপ্ত হৈ আছিল। শৰ্মা-পত্নীয়ে খালী চাহৰ কাপ কেইটা লৈ যোৱাৰ লগে লগে কলে—

ঃ ঠাকুৰ, আপোনাৰ কোনোটো প্রচেষ্টাই অৰ্থহীন হৈ পৰা নাই।

ঃ যেনে ?

ঃ ছোৱালীক অভিনয় কৰোৱা। আপোনাক নিজৰ মানুহেই গৰিহণা দিছিল। কিন্তু আপুনি কৈছিল যে, এদিন মানুহে বুজিব আপোনাৰ প্রচেষ্টাৰ মূল্য। আৰু বিশ্বাস কৰিবনে আজি শিক্ষিত অসমীয়া ডেকা ল'ৰাবোৰে বুজিছে তাৰ মূল্য, গুৱাহাটীত এতিয়া সহ-অভিনয় এটা অভিজাত চখৰ দৰে সমাদৃত হৈ পৰিছে।

শৰ্মাই কলিতাৰ মুখলৈ চাই থাকিল। এটা পুৰণি পাহৰি থকা দুঃস্বপ্নই শৰ্মাৰ মন আচ্ছন্ন কৰি পেলালে। কলিতাৰ কথাবোৰ তেওঁ ভালদৰে নুশুনিলে।

ঃ কি হ'ল ঠাকুৰ ? বৰ চিন্তিত হৈ পৰিল যে ?

ঃ তোমালোকে সহ-অভিনয় প্ৰচলন কৰাৰ কাৰণে সমস্ত প্ৰশংসাৰ পাত্ৰ মোক কৰিছা কিন্তু তুমি জানানে গুৱাহাটীত প্ৰথম সহ-অভিনয় হোৱাৰ দিনাই বৰদলৈ ঢুকাল। তাৰ অব্যৱহিত পাচতে প্ৰলয়ংকৰী ভুইকঁপ আহিল, বান আহিল। এইবোৰ জানো ভাল লক্ষণ ?

ঃ সহ-অভিনয়ৰ কাৰণে এইবোৰ দুৰ্যোগ হোৱা নাই নহয় ? মুক্তিসংগ্ৰামত আপুনি যি কৰিলে সেইটোৱেই ভৱিষ্যতৰ বিপ্লৱীৰ পথ-প্ৰদৰ্শক হব। আপুনি চাই থ'ক।

শৰ্মাই এইবাৰ বিস্মিত হৈ কলিতাৰ পিনে চালে। মনতে অদ্ভুত শ্ৰদ্ধাও হ'ল কলিতা বোলা যাত্ৰাৰ নামত বলিয়া ডেকাজনৰ প্ৰতি। তাক দেখিলে ধৰিব নোৱাৰি তাৰো যে বোধশক্তি ইমান স্পষ্ট, ইমান গভীৰ। শৰ্মাই কলিতাক পৰীক্ষা কৰাৰ মনেৰেই প্ৰশ্ন কৰিলে—

ঃ তাৰ মানে ভৱিষ্যতৰ বিপ্লৱীয়ে মোৰ দৰে ধ্বংসৰ পথ লব লাগিব ?

ঃ নিশ্চয়। শোষক, অত্যাচাৰীৰ ক্ষমতাৰ উৎস, শক্তিৰ আকৰ তেনেদৰে ধ্বংস নকৰিলে সাধাৰণ মানুহৰ মুক্তি অসম্ভৱ হব। ডেকাজনৰ আশাবাদী মনৰ প্ৰতি ভ্ৰূক্ষেপ কৰাটো বৰ নিৰ্মম কথা হব বুলি ভাবি তেওঁ যদিও নিৰৱে থাকিল মনতে কিন্তু তেওঁ বৰ উত্তেজিত হৈ পৰিছিল। এইবোৰ হ'ল যাত্ৰা কৰাৰ দুৰ্গুণ। মনবোৰ স্বপ্নবিলাসী হৈ পৰে। বাস্তৱ পৰিবেশৰ প্ৰতি, জীৱনৰ মাটি-পানীৰে মিহলি সত্যবোৰৰ প্ৰতি যাত্ৰা কৰা মানুহবোৰ সঁচাকে নিৰ্লিপ্ত, উদাস। কলিতাই শৰ্মা নিৰৱে থকা দেখি আৰু কিবা কব খুজিছিল। কিন্তু ধৈৰ্যৰ বান্ধ ভাগি পৰাৰ ভয়তে শৰ্মাই কলিতাক কবলৈ সুযোগ নিদি কলে—

ঃ কলিতা, তোমালোক যোৱাঁগৈ। মই তোমালোকৰ প্ৰস্তাৱটো ভাবি চাম।

মুখেৰে তেনেদৰে কলেও শৰ্মাই মনেদি কিন্তু স্থিৰেই কৰিছিল যে, তেওঁ কৈবাক্ষবালৈ যাব।

কৈবাক্ষৰা, শিঙিমাৰী কতো তেওঁ সফল নহ'ল। দৰ্শকৰ কচিও বদলি গৈছে। ইপিনে তেওঁৰ দেহাও নটনা হৈ পৰিছে। অজ্ঞাত-বাস, কাৰাবাস—এইবোৰেই শেষ কৰিলে তেওঁৰ স্বাস্থ্য। আগেয়ে ৰাতিৰ পাচত সুদীৰ্ঘ আঘোন-পুহ মহীয়া ৰাতি পথাৰত, মুকলি মঞ্চত. মাজে মাজে খোলা আকাশৰ তলত অভিনয় কৰি ঘূৰি ফুৰিছিল। এটা কাহ মৰা নাছিল তেওঁ। হাঁচি মৰাৰ কথা তেওঁ একৰকম পাহৰি গৈছিল। কিন্তু ইলেকচনৰ পাচৰ পৰা তেওঁৰ স্বাস্থ্য ইমান বেয়া হ'ল যে, অকণ থাণ্ডা লাগিলেই তেওঁৰ কাহ হয়। স্বাস্থ্যৰ কাৰণেই তেওঁ অৱশেষত যাত্ৰা পাৰ্টিকে বাদ দিবলগীয়া হ'ল।

তেওঁ চিঠিখন হাতত লৈ সেই কথাবোৰকে ভাবিলে। মিছামিছি অৰ্থহীন সন্মানবোৰ লৈ ফুৰিলে হব কিটো যদিহে তাৰপৰা সমাজৰ উপকাৰেই নহয়।

যোৱাবছৰ গুৱাহাটীত সাহিত্য সভাৰ সাংস্কৃতিক শাখাৰ সভাপতি কৰি লৈ গৈছিল তেওঁক। সংস্কৃতিৰ কিবা উন্নতি হ'ল জানো। পোৱাবোৰে ইংৰাজৰ দিনতো পাইছিল এতিয়াও পায়ে আছে। নোপোৱাবোৰে ইংৰাজৰ দিনতো পোৱা নাছিল আৰু এতিয়াৰ এই সমাজতো বঞ্চিত। এই বঞ্চিতবোৰে ইংৰাজৰ দিনত জেললৈ গলে থাকিবলগীয়া হৈছিল পুতিগন্ধময় চেলত; এতিয়া মুক্তিৰ পাচতো সিহঁতে জীৱন কটাবলগীয়া হৈছে দাৰিদ্ৰ্যৰ আবৰ্জনাৰ দ'মে ঘেৰা চেলত।

তেজপুৰৰ ৰাইজে তেওঁক সম্বৰ্দ্ধনা জনাবৰ কাৰণে জনোৱা আমন্ত্ৰণৰ চিঠিখন তেওঁ আকৌ এবাৰ পঢ়ি চালে।

: হে'ৰা, শুনিছা।

: ৰ'ৰ, এৰী চাদৰখন মেলি দিয়ে গৈছোঁ।

আচলত হাত মচি মচি শৰ্মা-পত্নীক অহা দেখি শৰ্মাই সুধিলে—

ঃ আবেলি আকৌ কি এবি চাদৰ ধুইছা ?

ঃ লেতেৰা হৈ আছে। তেজপুৰলৈ গ'লে লাগিব নহয়।

ঃ তাৰ মানে তুমি মোক তেজপুৰলৈ যোৱা বিচৰা ?

ঃ যাব আকৌ। ৰাইজে আগ্ৰহ কৰি মাতিছে। মাতিলে ৰণলৈকো যাব লাগে, নামাতিলে ভোজলৈকো যাব নাপায়।

তেজপুৰত ৰাইজে সঁচাকে আন্তৰিকভাৱে তেওঁক সম্বৰ্দ্ধনা জনাইছিল। তেওঁবিলাকৰ নিষ্ঠা আৰু স্নেহ দেখি তেওঁ অভিভূত হৈ পৰিছিল। সভাত বিশেষ আসনত বহি বিভিন্ন বক্তাই তেওঁৰ গুণগান কৰা শুনি তেওঁৰ মনলৈ আহিছিল চেলত দীৰ্ঘদীন কাৰাবাস ভোগ কৰাৰ পাচত তেওঁক যেতিয়া জেলত আন ৰাজনৈতিক বন্দীৰ সতে ৰাখিছিল সেই সময়ত ঘটা এদিন আবেলিৰ এটা সামান্য ঘটনাৰ কথা। আনদিনাৰ দৰেই সেইদিনা আবেলিও অৱসৰ বিনোদনৰ উদ্দেশ্যে তেওঁলোকে তাচ খেলিছিল। ব্ৰীজ। তেওঁ জেলতে নতুনকৈ ব্ৰীজ খেলা শিকিছিল। তেওঁ সেইদিনা পাৰ্টনাৰ হৈছিল বৰদলৈৰ। শৰ্মাৰ বৰ ভাল লাগিছিল বৰদলৈয়ে তেওঁক পাৰ্টনাৰ হিচাপে গ্ৰহণ কৰাত। আঠবছৰ মানৰ আগতে বৰনগৰত যেতিয়া কংগ্ৰেছ স্বেচ্ছাসেৱকৰ শিৱিৰ মুকলি কৰিবলৈ গৈছিল বৰদলৈয়ে, সেইদিনা তেওঁক ৰান্ধি খুওৱাৰ ভাৰ পৰিছিল তেওঁৰ ওপৰত। যাৰে তাৰে হাতে ৰন্ধা নাখাবও পাৰে বুলি ৰাইজে সৎবংশৰ ব্ৰাহ্মণ ব্ৰজ শৰ্মাৰ ওপৰত সেই দায়িত্ব অৰ্পণ কৰিছিল।

শৰ্মাই লক্ষ্য কৰিছিল, বৰদলৈৰ খোৱাৰ ৰুচি এতিয়াও আগৰ দৰেই আছে। জেলতো প্ৰতি সাজতে বৰদলৈয়ে, জহা চাউলৰ ভাত আৰু দুটাকৈ মাগুৰ মাছ খায়। জেলত তেওঁৰ স্বাস্থ্য আগতকৈও উজ্জ্বল হৈ পৰিছে। মানুহজনৰ ব্যৱহাৰ-পাতিও আগৰ দৰেই আছে।

শৰ্মাৰ মনত সঁচাকে ভাল লাগিছিল ; নিজে ধন্য হোৱা বুলি ভাবিছিল তেওঁ এই সুযোগ পোৱাত।

মনোযোগ দি তেওঁ খেলি আছিল। ভুল নকৰাৰ বাবে বিশেষ যত্ন কৰিছিল ; যাতে তেওঁৰ ভুলৰ বাবে বৰদলৈয়ে পৰাজয় বৰণ কৰিব-লগীয়াত নপৰে।

কিন্তু এবাৰ তেওঁৰ সামান্য এটা ভুল হ'ল। বৰদলৈয়ে অস্বাভাৱিক-ৰকমে উত্তেজিত হৈ তেওঁক গালি পাৰিলে। তেওঁক আনকি গৰুৰ লগত চামিল কৰি পেলালে।

সেই গৰু বুলি গালি পৰা ঘটনাটো বাৰে বাৰে মনলৈ আহিছিল শৰ্মাৰ সভাখনত আনৰ প্ৰশস্তি বাক্যৰ যন্ত্ৰণা সহ্য কৰি থকাৰ সময়ত। গৰু বুলি বৰদলৈয়ে যি ধৰণৰ নিৰ্বোধ বুলি বুজাবৰ চেষ্টা কৰিছিল, সেই মুহূৰ্তত সঁচাকে শৰ্মাৰ তেনেধৰণৰ নিৰ্বোধ যেনেই লাগিছিল নিজকে।

বৰদলৈ, ফখৰুদ্দিন, মেধি এই সকলোবোৰকে তেওঁ জেলত পাইছিল। আৰু চাবলৈ গলে তেওঁ তেওঁলোকৰ তুলনাত নিৰ্বোধেই হয়। এসময়ত শৰ্মাৰ এনে এটা ভাব হ'ল। তেওঁ যেন শুনি থকা কথাবোৰ তেওঁক লাজ দিবলৈহে কোৱা হৈছে। তেওঁ যেন পুলিচ ইন্সপেক্টৰ দত্তই কোৱাৰ দৰে চোৰেই হয়। ইমানবোৰ মানুহৰ প্ৰশংসা চুৰি কৰিবৰ কাৰণেই ইমান দূৰলৈ আহি এই সভাখনত যোগ দিছেহি। তেওঁ সন্তৰ্পণে সভাপতিজনৰ কাণৰ কাষত ফুচফুচাই কলে—

: হেৰি, মই যাওঁ দিয়ক।

: কিয় ?

সভাপতি উচপ খাই উঠিছিল। তেওঁ আগৰ দৰেই শান্তভাৱে ক'লে—

: মোৰ কাম এটা আছিল।

: অলপ অপেক্ষা কৰক।

তেতিয়া এন্ধাৰ হৈ গৈছিল। কৈ থকা বক্তাজনৰ বক্তৃতা শেষ হোৱাৰ লগে লগে সভাপতিয়ে শৰ্মাক কবলৈ ক'লে।

শৰ্মা থিয় হ'ল। ছাঁ-পোহৰৰ মাজেদি অস্পষ্ট, উদগ্ৰীৱ সমবেত ৰাইজৰ মুখবোৰ এফালৰ পৰা চাই গ'ল।

: কবলগীয়া মোৰ বহুতেই আছিল। কিন্তু আজি সেই কথাৰ কোনো মূল্য নাই। আপোনাসকলৰ প্ৰশংসাৰ কাৰণে ধন্যবাদ ; কিন্তু মই জানো, সেই প্ৰশংসাৰ মই যোগ্য নহয়। পৰমেশ্বৰে আপোনা-সকলৰ মংগল কৰক।

চমুকৈ কথাকেইটা কৈয়ে তেওঁ সভাৰ পৰা ওলাই আহিছিল। আলিবাটত এন্ধাৰে মুধাৰে অকলশৰে গৈ থাকোতে তেওঁৰ মনলৈ আহিছিল তেৰ বছৰ আগৰ এটা দুপৰীয়াৰ কথা। সেইদিনাও তেওঁ তেজপুৰ চহৰৰ আলিবাটেদি অকলশৰে গৈ আছিল সুদীৰ্ঘ কাৰাবাসৰ পৰা মুক্তি পোৱাৰ পাচত। সেইদিনাও তেওঁৰ দৃষ্টিক ঘুৰ্ঘোৰ এন্ধাৰে বাৰে বাৰে প্ৰতিহত কৰিছিল।

বেচ জাৰ পৰিছিল সেইসময়ত। শৰ্মাৰ কাহটো বেচি হৈছিল। এবাৰ কাহি কাহি তেওঁ এখন দেৱালৰ কাষত বহি পৰিছিল। বহুত পৰৰ মূৰত কাহটো অলপ শাম কটাত তেওঁ দেৱালত ধৰি থিয় দিলে। আলিবাটৰ লাইটৰ পোহৰত তেওঁৰ সন্মুখত তেওঁ দেখিলে এখন পোষ্টাৰ। ৰাণাপ্ৰতাপ নাটকৰ। নাৰী চৰিত্ৰৰ ভূমিকাত আছিল বীণা, মীনাক্ষী এনেদৰে মহিলা কেইগৰাকীমান। তেওঁৰ ডাঙৰকৈ হাঁহি দিবৰ মন গৈছিল। হঠাৎ এন্ধাৰবোৰ দিনৰ দৰে পোহৰ হৈ উঠা যেন অনুভৱ হৈছিল। সেই নাট্যাভিনয় হৰ তেওঁক সম্বৰ্ধনা জনোৱা সভাথলীতে।

খৰধৰকৈ তেওঁ অহাবাটেই উভতি আহিছিল। আলিবাটৰ এন্ধাৰবোৰ আঁতৰি গৈছিল। আৰু তেওঁৰ দৃষ্টিত আলিবাটৰ প্ৰতিটো অংশই চিনাকি যেন লাগিছিল।

প্ৰতিখন মুখকে তেওঁৰ চিনাকি যেন লাগিছিল। কিন্তু এখন মুখকো তেওঁ সঠিকভাৱে চিনি পোৱা নাছিল। তেওঁ লাহে লাহে এপিনৰ পৰা তেওঁক চাৰিওপিনে ঘেৰি থকা মানুহবোৰৰ মুখবোৰ চাই গ'ল। এই মাত্ৰ তেওঁ বহু দূৰৰ এখন নৈ পাৰ হৈ হালধীয়া সৰিয়হ ফুলৰ মাজেদি আহি থাকোতে পুলিচ ইন্সপেক্টৰ দত্তৰ দৰে মানুহ এজনে লগত কেবাটাও ভয়লগা বিশালকায় মানুহ লৈ তেওঁক মাৰিবলৈ খেদিছিল। আৰু তেওঁ কিদৰে জানো আলসত উৰি আহিছিল। ইমান ওপৰেদি আহিছিল যে সিহঁতৰ বন্দুকৰ গুলীবোৰ তেওঁৰ ভৰিৰ তলুৱাত আলফুলে চুই তললৈ সৰি পৰিছিল।

: পিতা, কেনে পাইছা তুমি ?

চকুৰ পানী টুকিটুকি ডাঙৰ পুতেকে শৰ্মাক মাত দিছিল। হাঁপানিত আক্ৰান্ত হৈ যেতিয়া যোৱা-থোৱা অৱস্থা তেতিয়া শৰ্মাক লৈ অহা হৈছিল এখন হাস্পাতাললৈ। সেইদিনা ৰাতিপুৱা তেওঁ হঠাৎ চেতনা হেৰুৱাইছিল। পত্নী, ল'ৰা, ভতিজা এনেকে কেবাজনো আপোন মানুহে তেওঁক চাবলৈ আহি তেওঁৰ মৃত্যু হোৱা বুলি ভাবি চাৰিওপিনে ঘেৰি লৈ আছিল। এনেতে ডাক্তৰ এজনে কিবা এটা বেজি দিছিলহি। তাৰ কিছু সময়ৰ পাচত অলপ লৰচৰ কৰি শৰ্মাই চকু দুটা মেলি দিছিল। প্ৰথমতে, তেওঁ কাকো চিনি পোৱা নাছিল। পত্নীয়ে তেওঁৰ ভৰি কিটা মোহাৰি দিছিল। আৰু শৰ্মাই দেখিছিল এটা দীঘল দুঃস্বপ্ন।

পুতেকৰ মাতষাৰ শুনি বহুপৰ তেওঁ মাতষাৰ কাৰ মুখৰ পৰা ওলাইছিল ধৰিব পৰা নাছিল। কিন্তু লাহে লাহে বেজিৰ দৰৱে গুণ দিয়াত তেওঁ মাতষাৰ ধৰিব পাৰিলে। কিন্তু উত্তৰত কি কব ভাবি ক্লান্ত হৈ পৰিল। বাপেক নিৰৱে থকা দেখি পুতেকে আকৌ কলে—

: চেষ্টা কৰিও এটা ভাল চিট যোগাৰ কৰিব নোৱাৰিলে।। কক্ষ এটা আছিল। তাত আকৌ দন্তবুঢ়া সোমালহি। তেওঁ পুলিচৰ পৰা অৱসৰ পালেতো।

পুতেকৰ কথা শুনি শৰ্মাৰ মুখত ইমান যন্ত্ৰণাৰ মাজতো হাঁহিৰ এটা ক্ষীণ আভাস দেখা গ'ল। শৰ্মাই ভাবিলে, জীৱনত ক'তনো ভাল চিট পালে? তেওঁতো সদায় হয় বেয়া চিট নহয় পিচৰ চিটকে পাই আহিছে। জেলত, ইলেক্‌শ্যনত; আনকি ইমান ৰাতি দিন সমান কৰি দলৰ হৈ কাম কৰা সত্বেও কংগ্ৰেছৰ সভাপতিৰ চিটটোকে দখল কৰিব নোৱাৰিলে। এতিয়া আকৌ জীৱনৰ অন্তিম সময়ত হাস্পাতালত ভাল চিট বিচাৰে! ভাল চিট দন্তৰ দৰে মানুহবোৰৰ কাৰণেহে সংৰক্ষিত থাকে।

কথাবোৰ মনতে চিন্তা কৰিছিল যদিও নিৰৱে থাকিল। ইমান শ্ৰান্ত লাগিছিল যে, কথা কবলৈ মন যোৱা নাছিল।

তেওঁ মনতে ঠিক কৰিলে হাস্পাতালৰপৰা ওলাই যাব পাৰিলেই তেওঁ আৰু যাত্ৰা নকৰে; আৰু কোনো বিপ্লৱ নকৰে। দেহক ইমান কষ্ট দি একো লাভ নহয়। সুন্দৰ স্বাস্থ্য লৈ আৰাম কৰি জীয়াই থকাই ভাল। এনে যন্ত্ৰণাময় জীৱন ভগৱানে সাত শতৰুকো নিদিয়ক।

: উস্ ভগৱান!

হঠাৎ শৰ্মাৰ মুখেদি সেহাই সেহাই জনোৱা প্ৰাৰ্থনাষাৰ ওলাই আহিল। তাৰ পাচতে শৰ্মা পুনৰ অস্থিৰ হৈ পৰিল।

শৰ্মা-পত্নীয়ে উথলি অহা কান্দোনখিনি সামৰিব নোৱাৰি উচুপি উচুপি কান্দিলে। শৰ্মাই পত্নীৰ হাত এখনত ধৰি ল'লে। পুতেকে কাণৰ কাষলৈ মুখখন নি মাতিলে—

: পিতাই, অ' পিতাই।

শৰ্মা তেতিয়া ভীত-সন্ত্ৰস্ত হৈ দৌৰিছিল। কিন্তু যেন অলপো আগবাঢ়িব পৰা নাছিল। বিশালকায় ভয়লগা মানুহকেইটাই আকৌ খেদি আহিছিল পিচে পিচে। ভয়তে তেওঁ পত্নীক চিঞৰি চিঞৰি মাতিছিল।

কিন্তু তেওঁৰ চিঞৰ কোনেও শুনা নাছিল। মাত্ৰ পত্নীৰ হাতখন ধৰি থকা তেওঁৰ হাতখন নিথৰ হৈ বিছনাত সশব্দে পৰিছিল।
ডাক্তৰক কোনে জানো খবৰ দিছিল? ডাক্তৰ এজন আহি তেওঁক অলপ সময় পৰীক্ষা কৰি ৰৈ থকা আপোন মানুহকেইজনক ক'লে—

: লাচ সোনকালে লৈ যোৱাৰ দিহা কৰক। আবেলি পাঁচ বজাত কাৰ্ফ্যু। তাৰ আগতে নিব লাগিব।

পুতেক-ভতিজাকহঁতে পাহৰি গৈছিল যে, সেই সময়ত অসম জুৰি ভাষা-আন্দোলন বিয়পি পৰিছিল। চাৰিওপিনে হিংসাত্মক ঘটনা ঘটিছিল। সিহঁতে ভাবিলে, এৰা, ডাক্তৰে ঠিকেই কৈছে। লাচ সৰালবিকৈ নিব লাগিব। গাঁৱলৈ ইমান দূৰ আৰু ক'ত নিব পৰা হব। ওচৰতে কৰবাত চমুকৈ অন্ত্যেষ্টি ক্ৰিয়া সম্পন্ন কৰিব লাগিব।

সিহঁতে মনৰ দুখ আঁতৰাই থৈ লাচ নিয়াৰ বাবে খৰখেদা লগালে।

---